## দ্বিতীয় অধ্যায়
# বৃদ্ধ-মনস্তত্ত্ব আৰু অসমীয়া উপন্যাস

জীৱনক পূৰ্ণৰূপত প্ৰকাশ কৰিব পৰা কথাসাহিত্য উপন্যাসে সমাজৰ বাস্তৱ প্ৰতিচ্ছবি কাহিনী আৰু চৰিত্ৰৰ বিচিত্ৰতাৰে কলাসুলভ ৰূপত তুলি ধৰিব পাৰে। বাহ্যিক ঘটনাতকৈ আভ্যন্তৰীণ দিশত সংঘটিত মানসিক সমস্যাসমূহৰ নিটোল ৰূপ দিবলৈ বিংশ শতিকাৰ পঞ্চাশ-ষাঠিৰ দশকৰ পৰা একাংশ প্ৰতিষ্ঠিত ঔপন্যাসিকে চেষ্টা চলায়। বৃদ্ধ লোকৰ শাৰীৰিক, মানসিক, সামাজিক, আৰ্থিক আৰু সাংস্কৃতিক সমস্যাক বিংশ শতিকাৰ সত্তৰৰ দশকৰ পৰা অসমীয়া উপন্যাসত দাঙি ধৰিবলৈ চেষ্টা কৰিছে। শাৰীৰিক সমস্যাই বৃদ্ধসকলৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যা যদিও একাংশ অসমীয়া ঔপন্যাসিকে বৃদ্ধসকলৰ মানসিক জটিলতা সৃষ্টিৰ কাৰকসমূহত বাস্তৱৰ উপযোগীকৈ সম্পৰীক্ষা চলাইছে। বৃদ্ধসকলৰ মনস্তাত্বিক দিশত আলোকপাত কৰিব বিচৰা অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ এটি চমু বিশ্লেষণ কৰিবলৈ, বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অসমীয়া উপন্যাসক আধাৰ হিচাপে লোৱা হৈছে। গৱেষণা-গ্ৰন্থৰ দ্বিতীয় অধ্যায়ত মনস্তত্ত্ব, বৃদ্ধত্ব, বৃদ্ধ-মনস্তত্ত্বৰ স্বৰূপ, অসমীয়া মনস্তত্ত্বমূলক আৰু অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ বিষয়ে এটি চমু আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল।

### ২.০ মনস্তত্ত্ব-বৃদ্ধত্ব আৰু বৃদ্ধ-মনস্তত্ত্বৰ স্বৰূপ ঃ

মনস্তত্ত্ব বিজ্ঞানৰ এনে এটি শাখা, য'ত মনৰ গঠন, কাৰ্য, আচৰণ আৰু আভ্যন্তৰীণ জগতৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াই কেতিয়াবা স্বাভাৱিক আৰু কেতিয়াবা অস্বাভাৱিক ৰূপত ক্ৰিয়া কৰে। মানুহৰ মন বা আত্মা সম্পৰ্কীয় বিজ্ঞানসন্মত অধ্যয়নকে সাধাৰণ অৰ্থত মনস্তত্ত্ব বোলে। মনস্তত্ত্ব সম্পৰ্কে William Mc Dougall-এ এনেদৰে সংজ্ঞা আগবঢ়াইছে— "Psychology is the science which aims

to give us better understanding and control of behaviour of the organism as a whole."[১]

মন মানুহৰ শৰীৰৰ অন্তৰ্ভাগত থকা এনে এবিধ বস্তু, যাক কোনো সূত্ৰত বান্ধি ৰাখিব নোৱাৰি। চিন্তা, অনুভূতি আৰু ইচ্ছা— এই তিনি অৱস্থাই মনৰ ধাৰণা প্ৰকট কৰে। মনত উদয় হোৱা ভাবেই চিন্তা আৰু অনুভূতিৰ মাজেৰে ইচ্ছাশক্তিৰূপে বিকাশ লভে। মনৰ কাৰ্যকলাপ আৰু অৱস্থাৰ সমষ্টিয়েই মন।[২]

মন সকলো শক্তিৰ আধাৰ। শৰীৰক বাহন হিচাপে লৈ মনে তাৰ বিকাশ সম্ভৱ কৰি তোলে। শৰীৰ আৰু মনৰ সম্বন্ধ ওতপ্ৰোত। মনৰ গতি সদায় বহিৰ্মুখী আৰু গতিশীল। প্ৰতিজন মানুহৰ অন্তৰত ক্ৰিয়া কৰা ঘটনাসমূহৰ প্ৰতিফলন প্ৰথমে মুখমণ্ডলতেই বহিঃপ্ৰকাশ ঘটে। সেইবাবে অন্তৰ্দৰ্শনত মানুহে নিজৰ মনৰ অৱস্থা প্ৰত্যক্ষ কৰে আৰু আনৰ মনৰ অৱস্থা জানিবলৈ বা বুজিবলৈ বহিৰ্দৰ্শন প্ৰণালীৰ সহায় লয়। আনৰ মনক বুজাটো অতিকে কঠিন কাৰ্য। মন সম্পৰ্কীয় অধ্যয়নৰ বাবে যথেষ্ট কল্পনাশক্তিৰ আৱশ্যক। অন্তৰ্দৰ্শনৰ ওপৰত গুৰুত্ব দি বহিৰ্দৰ্শন প্ৰণালীৰে মনৰ অস্তিত্বক বিচাৰ কৰিব পৰা যায়। বাহ্যবস্তুৰ সংঘাতত সৃষ্টি হোৱা মনৰ প্ৰতিক্ৰিয়াক প্ৰণালীৱদ্ধভাৱে বিশ্লেষণ কৰিলে মন-জগতৰ উমান পাব পৰা যায়। আভ্যন্তৰীণ আৰু বাহ্যিক লক্ষণৰ ভিত্তিতেই মনে পূৰ্ণতা লাভ কৰে। গতিশীল আৰু পৰিৱৰ্তনশীল মনৰ আন এটি স্বকীয় বৈশিষ্ট্য হ'ল অনুমানসাপেক্ষতা।[৩]

সংস্কৃত 'মনস্তত্ত্ব' শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'Psychology'। গ্ৰীক ভাষাৰ 'Psyche' আৰু 'Logos' শব্দ দুটাৰ সংমিশ্ৰণত 'Psychology' শব্দৰ সৃষ্টি হৈছে। 'Psycho' শব্দটোৰ সাধাৰণ অৰ্থ 'মন' বা 'আত্মা' আৰু 'Logos' শব্দৰ অৰ্থ হ'ল 'জ্ঞান'। গতিকে 'Psychology' শব্দটোৱে 'মন বা আত্মাৰ জ্ঞান' অৰ্থকে প্ৰকাশ কৰে।[৪] 'মনস্তত্ত্ব' শব্দটোৱে অসমীয়াত মনৰ প্ৰকৃতি, আচৰণ আৰু স্বভাৱ অৰ্থক বুজাবলৈ ব্যৱহাৰ কৰা হয়। অসমীয়া 'মনস্তত্ত্ব' বা 'মনোবিজ্ঞান' শব্দটো

---

১। William Mc Dougall, *An Outline of Psychology*, p.5

২। শৰৎচন্দ্ৰ গোস্বামী, 'মন আৰু মনোবিজ্ঞান', *ৰামধেনু (প্ৰথম খণ্ড)*, নগেন শইকীয়া (সম্পা.) আৰু অন্যান্য, ৩য় বছৰ, ৬ষ্ঠ সংখ্যা, আহিন, পৃ. ৩৬৫

৩। যতীন বৰুৱা, *শিক্ষাৰ মনোবিজ্ঞানভিত্তিক অধ্যয়ন*, পৃ. ১১৫

৪। সিদ্ধেশ্বৰ বৰ্মা, 'যোগেশ দাসৰ উপন্যাস ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' (গৱেষণা-গ্ৰন্থ), গুৱাহাটী বিশ্ববিদ্যালয়, ২০০১, পৃ. ১৬২

সংস্কৃত 'মনস্তত্ত্ব' (-মনস্, মন+তত্ত্ব, সত্য)— মনৰ গুণ আৰু স্বভাৱ অৰ্থতেই ব্যৱহাৰ হোৱা দেখা যায়।[৫] গতিকে মনৰ উপাদানসমূহৰ পাৰস্পৰিক সমন্ধ আৰু মনৰ ক্ৰিয়াকলাপৰ জ্ঞানেই মনৰ বিজ্ঞানসন্মত অধ্যয়ন। মন যিহেতুকে জড় পদাৰ্থ নহয়, সেইবাবে মনৰ অধ্যয়ন কঠিন যদিও অসম্ভৱ নহয়। মনৰ গতি জানিবলৈ সূক্ষ্ম পৰ্যবেক্ষণ, যোগাভ্যাস আৰু একান্ত মনোযোগৰ প্ৰয়োজন। সেয়ে মনস্তত্ত্বৰ অধ্যয়ন নিৰ্ভুল আৰু সত্যৰ ভেটিত প্ৰতিষ্ঠিত হোৱাটো অতিকে বাঞ্ছনীয়।

সংস্কৃত 'বৃদ্ধ'— 'বৃধ্', 'বাঢ়' শব্দৰ পৰা নিষ্পন্ন হোৱা অসমীয়া ভাষাৰ 'বৃদ্ধ' শব্দটো এটা বিশেষণবাচক শব্দ। শব্দটো অসমীয়া ভাষাত বুঢ়া, অধিক বয়সীয়া, বহুকলীয়া, পুৰণি ইত্যাদি অৰ্থত ব্যৱহাৰ হয়।[৬] 'বৃদ্ধকাল' বা 'বৃদ্ধাৱস্থা'ৰ সমাৰ্থক শব্দৰূপে 'জৰা', 'বাৰ্ধক্য', 'বৃদ্ধত্ব' আদি শব্দৰ ব্যৱহাৰ অসমীয়া ভাষাত পোৱা যায়। 'বৃদ্ধত্ব' বা 'বাৰ্ধক্য' মানৱ জীৱনৰ পৰিৱৰ্তনৰ এক গুৰুত্বপূৰ্ণ স্তৰ। শৈশৱ, কৈশোৰ, যৌৱন, প্ৰৌঢ়ত্বৰ দৰে বাৰ্ধক্যও প্ৰকৃতিয়ে সৃষ্টি কৰা এটি স্তৰ, যি অনিবাৰ্য আৰু কালৰ নিয়ম অনুসৰি সকলোৰে জীৱনত প্ৰৱেশ কৰে। বাৰ্ধক্য বুলিলে মানৱ শৰীৰৰ অৱক্ষয়ৰ এখনি প্ৰতিচ্ছবি সকলোৰে মনত সুপ্ত হৈ থাকে। 'বৃদ্ধত্ব' বা 'বাৰ্ধক্য'ক লৈ ইতিবাচক আৰু নেতিবাচক ধাৰণা ব্যক্তিবিশেষে বেলেগ বেলেগ। কোনোৱে 'বাৰ্ধক্য'ক এক অবাঞ্ছিত অৱস্থা বুলি ভাবি ইয়াক এৰাই চলাৰ নিৰলস মানসিক প্ৰস্তুতি চলায়। কোনোৱে আকৌ 'বাৰ্ধক্য' বুলিলে জীৱন-অভিজ্ঞতাৰ পূৰ্ণ প্ৰাপ্তি বুলি ভাবে আৰু আন কোনোৱে মৃত্যুমুখী যাত্ৰা বুলিও মনত ভ্ৰান্ত ধাৰণা পুহি ৰাখে। 'বাৰ্ধক্য'ক লৈ বিভিন্নজনৰ বিভিন্ন ধাৰণা থাকিলেও 'বাৰ্ধক্য' কিন্তু প্ৰকৃতিয়ে সৃষ্টি কৰা জীৱন-পূৰ্ণতাৰ এটি স্তৰ। জীৱমাত্ৰেই বাৰ্ধক্যৰ স্তৰ অতিক্ৰম কৰিবলৈ বাধ্য।

'বাৰ্ধক্য' কি বা 'বাৰ্ধক্য' কাক বোলে— সেই বিষয়ে এটি নিৰ্দিষ্ট সংজ্ঞা দিয়া প্ৰকৃততে সহজ নহয়। বাৰ্ধক্যতত্ত্ববিদসকলে 'বাৰ্ধক্য'ৰ সংজ্ঞা বিভিন্ন ধৰণে দিছে। Old age wikipediaত 'বাৰ্ধক্য'ৰ সংজ্ঞা এনেদৰে পোৱা যায়— 'বাৰ্ধক্য হ'ল মানুহৰ গড় আয়ুসৰ ওচৰ চাপি যোৱা বা গড় আয়ুস অতিক্ৰম কৰি যোৱা বয়স, অৰ্থাৎ মানুহৰ জীৱনচক্ৰৰ অন্তিম অৱস্থা। বৃদ্ধ লোকক বুজাবলৈ

৫। Hiren Gohain, *Anglo Assamese Dictionary*, P. 619

৬। হেমচন্দ্ৰ বৰুৱা, *হেমকোষ*, পৃ. ৮০৮

অৱস্থাভেদে বয়োবৃদ্ধ, বয়োজ্যেষ্ঠ, জ্যেষ্ঠ নাগৰিক, আদহীয়া, প্ৰৌঢ়, আলৰ-বৃদ্ধ আদি শব্দ ব্যৱহাৰ কৰা হয়।[৭] 'বাৰ্ধক্য' সম্পৰ্কে আন এটা সূত্ৰত এনেদৰে উল্লেখ পোৱা যায়— "বাৰ্ধক্য এটি স্বাভাৱিক জৈৱিক ঘটনা আৰু ই মন্থৰ আৰু অনুক্ৰমিক গতিত আগবাঢ়ি শাৰীৰিক বা দৈহিক অৱক্ষয় ঘটায়— যাৰ ফলত বয়স বৃদ্ধিৰ লগে লগে দেহৰ কৰ্মক্ষমতা আৰু প্ৰতিৰোধ ক্ষমতা হ্ৰাস পাবলৈ ধৰে।[৮] মাতৃগৰ্ভত সূচনা হোৱা জীৱকোষে বৃদ্ধিৰ স্বাভাৱিক প্ৰক্ৰিয়াৰে মানৱ শৰীৰত এটা নিৰ্দিষ্ট সময়লৈকে শৰীৰৰ বিকাশ আৰু বৃদ্ধিৰ প্ৰক্ৰিয়া চলাই থাকে। ব্যক্তিৰ পঞ্চাশ বছৰ বয়সৰ পৰা জীৱকোষৰ বিকাশ শৰীৰত ক্ৰমে মন্থৰ হ'বলৈ আৰম্ভ কৰে। D. Harmanৰ বাৰ্ধক্যৰ মুক্ত মূলক তত্ত্ব (Free Radical Theory of Ageing) অনুসৰি বয়স বৃদ্ধিৰ লগে লগে দেহকোষবোৰত মুক্ত মূলকবোৰ ক্ৰমে জমা হ'বলৈ আৰম্ভ কৰে। এই মুক্ত মূলকবোৰে দেহকোষৰ বহিঃকোষত অযুগ্ম ইলেক্ট্ৰ'ন থকা অণু-পৰমাণুবোৰ ধ্বংস কৰে।[৯] বাৰ্ধক্যত বাহ্যিক শৰীৰৰ অংগ-প্ৰত্যংগৰ বাহিৰা পৰিৱৰ্তন দৃষ্টিগোচৰ হয় যদিও শৰীৰৰ আভ্যন্তৰীণ অংশৰ অন্তৰ্গত শৰীৰ, উশাহ, মন, বুদ্ধি, স্মৃতি, ইগ' আৰু আত্মা— এই সাতোটা স্তৰৰ বাহ্যিক কোনো পৰিৱৰ্তন নহয়।[১০] শৰীৰৰ বাহ্যিক পৰিৱৰ্তনক বাৰ্ধক্য বুলি মানি ল'ব নোখোজাই বৃদ্ধ লোকৰ অন্যতম এক মনস্তাত্ত্বিক জটিলতা। কেতিয়াবা পৰিয়াল আৰু সমাজৰ লোকেও বৃদ্ধ লোকৰ মনত বাৰ্ধক্যৰ অনুভৱ গাঢ় কৰি তোলে। প্ৰধানকৈ শাৰীৰিক, মানসিক আৰু সামাজিক কাৰণতে মানৱ দেহলৈ বাৰ্ধক্য আহে। শাৰীৰিক দিশত প্ৰাকৃতিক আৰু জৈৱিক কাৰণ জড়িত হৈ থাকে। জৈৱিক প্ৰক্ৰিয়াত মানৱ শৰীৰৰ অৱক্ষয়ৰ ফলত জৰা বা বাৰ্ধক্যত উপনীত হয়। বংশানুক্ৰমিক জিনৰ অসামঞ্জস্য, ধ্যান (Meditation)ৰ অভাৱ আৰু স্বাস্থ্য-অসচেতনতা (Health Ignorance) আদি কাৰণতেই মানৱ দেহলৈ বাৰ্ধক্যৰ আগমন ঘটে। তদুপৰি শাৰীৰিক, মানসিক আৰু আৰ্থিক জীৱন-সংঘাতৰ ফলত মানৱ জীৱনলৈ তৎকালীনভাৱে বাৰ্ধক্য আহিব পাৰে। অতিৰিক্ত পৰিশ্ৰম আৰু

---

৭। Old age wikipedia

৮। বাৰ্ধক্য-বাংলাপিডিয়া bn.banglapedia.org

৯। https://en.m.wikipedia. org>wiki

১০। Bringing Harmony to Body, Mind & Spirit- Sri Sri Ravi Sankar : You Tube

পৰিশ্ৰমহীন এলেহুৱা প্ৰকৃতি লোকৰ জীৱনলৈ বাৰ্ধক্য তাৎক্ষণিক ৰূপত আহে। তদুপৰি পুৰুষতকৈ নাৰীৰ জীৱনলৈ বাৰ্ধক্য সোনকালে অহাৰ প্ৰধান কাৰণ নাৰীৰ দেহত প্ৰ'টিন কলাজেনৰ পৰিমাণ পুৰুষতকৈ তুলনামূলকভাৱে কম। সেইবাবে ঋতুবন্ধৰ পৰৱৰ্তী কালত হাড়ৰ ক্ষয় প্ৰক্ৰিয়া আৰম্ভ হোৱাত পুৰুষতকৈ নাৰীৰ জীৱনলৈ বাৰ্ধক্য বয়সতকৈ আগতীয়াকে আহিবলৈ ধৰে।

> বাৰ্ধক্য দৰাচলতে কোনো ৰোগ নহয় বা হঠাতে উদ্ভৱ হোৱা কোনো নেতিবাচক অৱস্থাও নহয়। ভেংকাৰমনে (১৯৯৮) উল্লেখ কৰা মতে বাৰ্ধক্য হ'ল ক্ৰমাগতভাৱে উদ্ভৱ হোৱা এনে এটা অৱস্থা, যিয়ে মানুহৰ জন্মৰ পৰাই আৰম্ভ হোৱা জৈৱিক, মনস্তাত্ত্বিক, সামাজিক আৰু আচৰণগত পৰিৱৰ্তন ঘটায়। তদুপৰি বাৰ্ধক্যই কোষীয় আৰু অনাকোষীয় কলাবোৰত ঘটি থকা ক্ৰমাগত জৈৱ-ৰাসায়নিক পৰিৱৰ্তনৰ ফলত উদ্ভৱ হোৱা গঠন আৰু কাৰ্যৰ পৰিৱৰ্তনকো সূচিত কৰে।[১১]

বিকাশ বা গঠনৰ, উৎপাদন বা প্ৰজনন আৰু বাৰ্ধক্যৰ শেষ স্তৰ— এই তিনিবিধেই সকলো জীৱৰে জীৱনৰ তিনিটা স্তৰ। বিকাশৰ পৰা বাৰ্ধক্যলৈকে নিৰূপিত সময়কে আয়ুস বোলে। শৈশৱ বা কৈশোৰ অৱস্থাৰ যিদৰে এটা নিৰ্দিষ্ট আৰু নিৰ্ধাৰিত সীমা পোৱা যায়, তেনেদৰে বাৰ্ধক্যৰ কোনো নিৰ্দিষ্ট সময় নিৰূপণ কৰা সহজ নহয়। 'বিশ্ব স্বাস্থ্য সংস্থা' (WHO)ই দিয়া বাৰ্ধক্যৰ সূত্ৰ অনুসৰি বাৰ্ধক্যৰ কালানুক্ৰমিক বয়সৰ মাপকাঠী পঁয়ষষ্ঠি বছৰ।[১২]

উন্নত আৰু উন্নয়নশীল দুয়ো দেশতে বৃদ্ধ লোকৰ আয়ুস-সীমাৰ পাৰ্থক্য পৰিলক্ষিত হয়।

---

১১। G.V. Manu, HEALTH AND NUTRITION PROFILE : A STUDY IN OLD AGE HOMES AT ERNAKULAM, KERALA (Thesis, Mahatma Gandhi University, 2007), Page.3

১২। 'সাধাৰণতে ৬৫ বছৰৰ ঊৰ্ধ্বৰ লোকক বৃদ্ধ লোক বুলি গণ্য কৰবলৈ ৰাষ্ট্ৰসংঘ সন্মত হৈছে আৰু ইয়েই হৈছে বাৰ্ধক্যৰ সংজ্ঞা নিৰূপণৰ প্ৰথম আন্তৰ্জাতিক প্ৰচেষ্টা। কিন্তু আফ্ৰিকা মহাদেশৰ ক্ষেত্ৰত বিশ্ব স্বাস্থ্য সংস্থাই ৫৫ বছৰ বয়সকে বাৰ্ধক্যৰ আৰম্ভণি বুলি ধাৰ্য কৰিছে।'

https://www.who.int/healthinfo/survey/ageingdefnolder/en/

উন্নত দেশ 'আমেৰিকাত এজন মানুহে শৰীৰে টনালৈকে সুবিধাজনকভাৱে যিকোনো চাকৰি-বাকৰি কৰি থাকিব পাৰে।'[১৩] Growing Old in America : Expectations vs. Reality শীৰ্ষক গৱেষণাপত্ৰত 'Pew study'ৰ ৰিপ'ৰ্টক ভিত্তি কৰি পোৱা সকলো প্ৰশ্নোত্তৰৰ তথ্যই বাৰ্ধক্যৰ আৰম্ভণিৰ বয়স ৬৮ বছৰ বুলি স্পষ্ট ৰূপত প্ৰতিপন্ন কৰিছে।[১৪]

আন এটি বাৰ্ধক্যতত্ত্ব মতে বৃদ্ধাৱস্থাক বয়সানুক্ৰমিকভাৱে আদহীয়া (Young-old), বৃদ্ধ (Old-old) আৰু অতিবৃদ্ধ (Oldest-old)— এই তিনি ৰূপত শ্ৰেণীভুক্ত কৰা হৈছে।[১৫] আমেৰিকাৰ বাৰ্ধক্যবিজ্ঞানী লৰেইন ডাণ্টনে *Prime Time* গ্ৰন্থত (১৯৭৫-১৯৯৫) জীৱন-পৰ্যায়ৰ পৰিৱৰ্তনৰ এখন তালিকা প্ৰকাশ কৰিছে। তালিকাখনৰ মতে ১৯৭৫ চনত অৱসৰপ্ৰাপ্ত/অৱসৰ লোৱা লোকৰ বয়সৰ সময়সীমা ৫৫-৬৯ বছৰ আৰু ১৯৯৫ চনত ৬০-৭৫ বছৰ; ১৯৭৫ত বৰ্ষীয়ান/জ্যেষ্ঠ নাগৰিকৰ বয়সৰ সময়সীমা ৬৫-৭৯ বছৰ আৰু ১৯৯৫ত ৭০-৮৫ বছৰ; ১৯৭৫ত বৃদ্ধসকলৰ বয়সৰ সময়সীমা ৮০-৯৯বছৰ আৰু ১৯৯৫ত ৮৫-৯৯ বছৰ; ১৯৭৫ত এশ বছৰীয়া বা ৯৫ বছৰৰ ওপৰৰ বৃদ্ধ লোকৰ সংখ্যা ১৯৯৫ চনৰ পাছতো একে থকা দেখা যায়।[১৬] এই তথ্যই বৃদ্ধ লোকৰ আয়ুস-সীমা পূৰ্বতকৈ দীঘলীয়া হোৱাৰ প্ৰমাণ স্পষ্ট কৰে। বাৰ্ধক্যৰ প্ৰাথমিক সময়সীমা ৬৫ বছৰ বুলি ধৰিলেও সময় আৰু ঠাইবিশেষে ইয়াৰ তাৰতম্য হোৱা দেখা যায়। অসম এখন কৃষিপ্ৰধান ঠাই আৰু ইয়াৰ প্ৰায়সংখ্যক লোক খেতিয়ক। কঠোৰ শাৰীৰিক পৰিশ্ৰমৰ বাবে ষাঠিতকৈ কম বয়সীয়া লোক বয়সতকৈ আগতে বৃদ্ধ হোৱা দেখা যায়। তদুপৰি চাকৰিজীৱী লোকৰ অৱসৰৰ সময় ষাঠিৰ পৰা পঁয়ষষ্ঠি বছৰ হোৱা বাবে ষাঠি বছৰকে বাৰ্ধক্যৰ প্ৰাথমিক বয়স হিচাপে গণ্য কৰা হৈছে। নাৰীৰ ক্ষেত্ৰত বাৰ্ধক্যৰ বয়সৰ সীমা পঞ্চাশৰ পৰা পঁচপন্ন বছৰ বুলিব পাৰি, কিয়নো এই সময়ছোৱাতে মহিলাৰ ঋতুচক্ৰ বন্ধ হ'বলৈ ধৰে।

সাম্প্ৰতিক সময়ত জীৱন-সচেতনতা, চিকিৎসাবিদ্যাৰ দ্ৰুত প্ৰগতি আৰু জীৱনীশক্তি বৰ্ধনৰ

---

১৩। দেৱব্ৰত দাস, 'আমেৰিকাত বৃদ্ধসকল', *গৰীয়সী,* লক্ষ্মীনন্দন বৰা, (সম্পা.), মে', ২০১০, পৃ. ৮৭

১৪। When Exactly Does Old....https://www.liveabout.com

১৫। অৰ্পণ দত্ত, *সমস্যামুক্ত বাৰ্ধক্যৰ আখৰা,* পৃ. ৩১

১৬। সত্যব্ৰত শৰ্মা, *হেঙুলীয়া বিয়লি,* পৃ. ২০

ভিন ভিন ঔষধে ব্যক্তিৰ আয়ুস-সীমা পূৰ্বতকৈ বৃদ্ধি কৰিছে। মৃত্যুৰ সময়ত সৰ্বাধিক বয়স সম্পৰ্কীয় প্ৰাপ্ত তথ্যৰ পৰা আইনষ্টাইন গৱেষকসকলে মানুহৰ সৰ্বাধিক গড় আয়ুস ১১৫ বছৰ বুলি প্ৰতিপন্ন কৰিছে যদিও এই সম্পৰ্কীয় পৰৱৰ্তী গৱেষণাই মানুহৰ আয়ুসৰ সৰ্বোচ্চ সীমা ১২৫ বছৰ বুলি ঠাৱৰ কৰিছে।[১৭] এজন বৃদ্ধ ব্যক্তিৰ বৃদ্ধত্বৰ সৰ্বাধিক সময়সীমা বয়স অনুক্ৰমে নিৰ্ধাৰণ কৰা সহজ নহয়। সমাজত দ্ৰুত হাৰত বৃদ্ধি পোৱা বৃদ্ধ লোকৰ বৰ্ধিত আয়ুসে এক নেতিবাচক দিশৰ সংকেত দিছে।

জনসংখ্যাৰ সংখ্যাতাত্বিক তথ্য অনুসৰি ১৯৬১ চনত বৃদ্ধ লোকৰ সংখ্যা ৫.৬ শতাংশ আৰু ২০১১ চনত এই সংখ্যা ৮.০ শতাংশলৈ বৃদ্ধি পাইছে।[১৮] বৃদ্ধসকলৰ সংখ্যা বৃদ্ধিয়ে অদূৰ ভৱিষ্যতে এক ভয়াৱহ ৰূপ ধাৰণ কৰিব বুলি আশা কৰা যায়। 'বৃদ্ধত্ব' বা 'বাৰ্ধক্য' কোনো নতুন বিষয় নহয়; সমাজসাপেক্ষে অতীতৰ পৰা বাৰ্ধক্যৰ ধাৰণা প্ৰচলিত হৈ আছে। ব্যৱহাৰিক জগতত মানৱ জীৱনৰ বিভিন্ন সমস্যাৰ ভিতৰত জৰা বা বাৰ্ধক্য এক অন্যতম গুৰুত্বপূৰ্ণ সমস্যা। ঋগ্বেদৰ ১৪০ নং শ্লোকৰ ৮ নং মন্ত্ৰত অগ্নিৰ উত্তাপ স্তিমিত হোৱা আৰু ১৬৪ নং শ্লোকৰ ১১ নং মন্ত্ৰত সূৰ্যৰ অপৰাহ্ন শক্তি স্তিমিত হোৱা অৰ্থত 'জৰা' শব্দটোৰ ব্যৱহাৰ পোৱা গৈছে। মহাভাৰতৰ 'যযাতি উপাখ্যান'ত অসুৰসকলৰ গুৰু শুক্ৰাচাৰ্যৰ দ্বাৰা অভিশপ্ত ৰজা যযাতিয়ে অকাল জৰাগ্ৰস্ত হৈ মনৰ দুখত ভাগি পৰা আৰু পাছত গুৰুৰ উপদেশমৰ্মে পুত্ৰ পুৰুক জৰাভাৰ অৰ্পণ কৰি যৌৱন ভোগত মত্ত হোৱাৰ দৃষ্টান্ত আছে। জীৱনৰ মৰ্ম বুজিব পাৰি অৱশেষত যযাতিয়ে পুত্ৰ পুৰুক তেওঁৰ প্ৰাপ্য যৌৱন প্ৰতিদান হিচাপে ঘূৰাই দি নিজে জৰাভাৰ গ্ৰহণ কৰে। শাক্য বংশৰ ৰাজপুত্ৰ গৌতম বুদ্ধ মানুহৰ জৰা-ব্যাধি-মৃত্যুৰ যন্ত্ৰণা সহ্য কৰিব নোৱাৰি দুখত কাতৰ হৈ ঘৰ-সংসাৰ পৰিত্যাগ কৰি সাধনাত ব্ৰতী হয়। আধ্যাত্মিক সাধনাৰ অন্তত বুদ্ধদেৱে চাৰি আৰ্যসত্য লাভ কৰে। এই চাৰি আৰ্যসত্যৰ ভিতৰত প্ৰথম আৰু প্ৰধান আৰ্যসত্য দুখ। দুখ সাধাৰণতে শাৰীৰিক আৰু মানসিক দুটা ভাগত বিভক্ত। "জন্ম, জৰা, ব্যাধি, মৃত্যু— শাৰীৰিক দুখৰ অন্তৰ্গত আৰু

১৭। https://www.sciencedaily.com/releases/2016/10/161005132823.html

১৮। Nisha Marya, SOCIO-ECONOMIC AND HEALTH CONDITIONS OF ELDERLY IN PUNJAB - AN ANALYSIS (Thesis, Punjabi University, Department of Economics 2013), p. 45

প্ৰিয়বিচ্ছেদ, অপ্ৰিয় সংযোগ, ইচ্ছাৰ অপ্ৰাপ্তি আৰু পঞ্চ উপাদানসমূহ মানসিক দুখৰ কাৰক।”[১৯]

স্মৃতিশাস্ত্ৰৰ অন্তৰ্গত মনুসংহিতাত বানপ্ৰস্থ আৰু সন্ন্যাসধৰ্মৰ অৱলম্বনত বাৰ্ধক্য পৰিত্ৰাণৰ উল্লেখ পোৱা যায়। চাৰি আশ্ৰম প্ৰথাৰ অন্তৰ্গত আশ্ৰমী ব্যক্তিয়ে গাৰ্হস্থ্য জীৱনৰ অন্তত বানপ্ৰস্থ জীৱন যাপন কৰাৰ কথা এনে শাস্ত্ৰসমূহত পোৱা যায়। বাৰ্ধক্যত সকলো সংগ পৰিত্যাগ কৰি সন্ন্যাসধৰ্ম পালন কৰাটো আশ্ৰমধৰ্মৰে অন্যতম বৈশিষ্ট্য। গতিকে প্ৰাচীন কালত বানপ্ৰস্থ আৰু সন্ন্যাসধৰ্মৰ প্ৰচলন থকাৰ বাবে বৃদ্ধসকলক সমাজত দেখা পোৱা নগৈছিল আৰু সেই সময়ত বাৰ্ধক্যক সমস্যা বুলি ভবা হোৱা নাছিল। ৰবীন্দ্ৰনাথ ঠাকুৰে সৃষ্টিশীল অনুভৱেৰে বাৰ্ধক্যত নতুনত্বৰ পৰিচয় দিব পাৰিছে। বেজবৰুৱাই ধেমেলীয়া ভাবেৰে হ'লেও শৰীৰৰ বাৰ্ধক্যই মনলৈ শিপাব নোৱাৰে বুলি কবিতাত উল্লেখ কৰিছে। ভূপেন হাজৰিকাই ইতিবাচক দৃষ্টিৰে আশীবছৰীয়া বাৰ্ধক্যক ‘চিৰতৰুণ’ বুলি সগৌৰৱে আত্মপৰিচয় দিছে। এনে কথাই প্ৰমাণ কৰে যে বাৰ্ধক্যৰ ধাৰণা আৰু দৃষ্টিভংগী ব্যক্তিবিশেষে সুকীয়া।

‘বৃদ্ধত্ব’ শব্দটো চিকিৎসাবিজ্ঞান, সমাজবিজ্ঞান, মনোবিজ্ঞান, সাহিত্য, দৰ্শন, চিন্তা, ৰাজনীতি, আইন, ধৰ্ম, বিনোদন, শিল্প আদি সকলো বিষয়ৰ লগতে ওতপ্ৰোতভাৱে জড়িত। ‘বৃদ্ধত্ব’ বা ‘বাৰ্ধক্য’ৰ লগত সংলগ্ন বিষয়সমূহ একত্ৰিত কৰি সাম্প্ৰতিক সময়ত ‘বাৰ্ধক্যতত্ত্ব’ (Gerontology) নামৰ এক নতুন শাস্ত্ৰও গঢ় লৈ উঠিছে। বৃদ্ধ লোকৰ দৈহিক, মানসিক, সমাজিক, সাংস্কৃতিক আৰু আৰ্থিক দিশৰ আলোচনাক ‘বাৰ্ধক্যশাস্ত্ৰ’ৰ অন্তৰ্ভুক্ত কৰি বাৰ্ধক্য বিষয়টোত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। Geriatric বা বাৰ্ধক্যজনিত ৰোগক চিকিৎসাবিজ্ঞানত সামৰি লৈ বাৰ্ধক্যজনিত শাৰীৰিক ৰোগ আৰু তাৰ প্ৰতিকাৰৰ ব্যৱস্থা লোৱা দেখা গৈছে।

গতিকে এই কথা স্বীকাৰ কৰিব পাৰি যে ‘বৃদ্ধত্ব’ বা ‘বাৰ্ধক্য’ এক জটিল শাৰীৰিক অৱক্ষয়ৰ প্ৰক্ৰিয়া। বাৰ্ধক্যৰ প্ৰধান বৈশিষ্ট্যকেইটা হ'ল— মৃত্যু পৰ্যন্ত উচ্চ হাৰত বৃদ্ধি পোৱা দৈহিক বা শাৰীৰিক অৱক্ষয়, বৰ্ধিত বয়সে মনলৈ অনা দুশ্চিন্তা অৰ্থাৎ মানসিক পৰিৱৰ্তন আৰু বাৰ্ধক্যই অনা সম্ভাব্য ৰোগৰ কাৰক। ড° মুৰাডেই তিনি প্ৰকাৰৰ বাৰ্ধক্য চিহ্নিত কৰিছে— জিনীয়, পৰিৱেশজনিত আৰু হৰম'নজনিত

১৯। স্বাতী ৰক্ষিত, *দৰ্শন, সাহিত্য ও সমাজবিজ্ঞানের দৃষ্টিভঙ্গী থেকে বাৰ্ধক্য* (গৱেষণা-গ্ৰন্থ), যাদবপুৰ বিশ্ববিদ্যালয়, দৰ্শন বিভাগ, ২০১৬, পৃ. ৬০

বাৰ্ধক্য।[২০] বংশগতভাৱে পিতৃ-মাতৃৰ জিনৰ লগত জড়িত বাৰ্ধক্যক 'জিন সম্পৰ্কীয়' বাৰ্ধক্য বোলা হয়। জিনৰ সক্ৰিয়তা বাৰ্ধক্যৰ মূল কাৰক যদিও কেতিয়াবা জিনৰ বিকৃতিৰ বাবেও আগতীয়াকৈ মানৱ শৰীৰলৈ বাৰ্ধক্য আহিব পাৰে। অকাল বাৰ্ধক্য, মানসিক বৈকল্য, ডি. এন. এৰ পৰিৱৰ্তন আৰু ক্ষয়প্ৰাপ্তিৰ বাবে ডাইন্স ছিনড্ৰ'ম, প্ৰোজেৰিয়া, ওৱাৰ্নাৰ্ছ ছিনড্ৰ'ম আৰু ককেইন্‌ছ ছিনড্ৰ'মৰ দৰে বহু জেনেটিক বাৰ্ধক্যই মানৱ শৰীৰত দেখা দিয়ে। কেতিয়াবা ৰঞ্জন ৰশ্মিৰ দৰে বিকিৰক ৰশ্মি বা আন বাহ্যিক শক্তিৰ প্ৰভাৱতো পৰিৱেশগতভাৱে মানৱ শৰীৰলৈ বাৰ্ধক্য আহিব পাৰে। জীৱৰ শৰীৰলৈ আটাইতকৈ সাধাৰণভাৱে অহা বাৰ্ধক্যবিধ হৈছে হৰম'নৰ প্ৰভাৱজনিত বাৰ্ধক্য। পঞ্চাশ বছৰৰ ঊৰ্ধ্বৰ নাৰী আৰু যাঠিৰ ঊৰ্ধ্বৰ পুৰুষৰ হৰম'নজনিত পৰিৱৰ্তনৰ কাৰণে মানৱ শৰীৰলৈ বাৰ্ধক্য আহে। এনে হৰম'নজনিত পৰিৱৰ্তনৰ ফলত যৌন সক্ৰিয়তা মানৱ দেহত কমি আহে।

ৰস, ৰক্ত, মাংস, মেদ, অস্থি, মজ্জা আৰু শুক্ৰ— এই সাতোটা উপকৰণ আৰু ত্ৰিধাতু (কফ, পিত্ত আৰু বায়ু)ৰ সংমিশ্ৰণত মানৱ দেহৰ আভ্যন্তৰীণ কাম-কাজসমূহ সম্পন্ন হয়।[২১] মানৱ শৰীৰৰ অভ্যন্তৰত থকা ৰোগ প্ৰতিৰোধ বা অনাক্ৰমণতন্ত্ৰ, হৃদসংবহনতন্ত্ৰ, পাচনতন্ত্ৰ, স্নায়ুতন্ত্ৰ, এণ্ডোক্ৰিনতন্ত্ৰ, জননতন্ত্ৰ, অস্থিতন্ত্ৰ, শ্বসনতন্ত্ৰ, বৃক্কতন্ত্ৰ অথবা ৰেচন গ্ৰন্থিৰ অৱক্ষয়ৰ ফলত শৰীৰ লাহে লাহে দুৰ্বল হৈ পৰে। দুৰ্বল শৰীৰত নানাবিধ ৰোগ বা ৰোগৰ উপসৰ্গই মূৰ দাঙি উঠে। গতিকে বৃদ্ধত্ব বা বাৰ্ধক্য অনিবাৰ্য ৰূপত সকলোৰে জীৱনত সময় অনুক্ৰমে প্ৰৱেশ কৰে।

'মনস্তত্ত্ব' আৰু 'বৃদ্ধত্ব' দুয়োটা শব্দৰে নিজস্ব অৰ্থ বিদ্যমান আৰু দুয়োটা শব্দৰ সংমিশ্ৰণত সৃষ্টি হোৱা 'বৃদ্ধ-মনস্তত্ত্ব' শব্দটোৰে বাৰ্ধক্যত সৃষ্টি হোৱা মনৰ জটিলতাকে সাধাৰণ অৰ্থত বুজায়। বৃদ্ধত্বৰ লগত মনৰ সম্বন্ধ অতিকৈ নিবিড়। মনস্তত্ত্বই মনৰ অন্তৰ্জগত অধ্যয়নৰ দ্বাৰা আনৰ মনক জনাৰ বাবে উৎসুকতাৰ সৃষ্টি কৰে। ব্যক্তিৰ শৰীৰৰ অন্তৰ্ভাগত থকা 'মন' নামৰ বস্তুবিধ বৰ বিচিত্ৰ আৰু সেইবাবে বাৰ্ধক্যত মনৰ প্ৰতিক্ৰিয়াও বিচিত্ৰ ৰূপত ধৰা দিয়ে। বৃদ্ধত্ব বহু বিষয়ৰ

---

২০। https://www.murad.co.uk>what.are...

২১। স্বাতী ৰক্ষিত, পূৰ্বোল্লিখিত, পৃ. ৩১

লগত জড়িত যদিও মননশীল বা মনস্তত্ত্ব দিশত ইয়াৰ গুৰুত্ব অস্বীকাৰ কৰি আগবঢ়া খুবেই কঠিন। ৰুটিনমাফিক জীৱনৰ শিথিলতাই কৰ্মব্যস্ততাহীন বাৰ্ধক্যত অভিশাপস্বৰূপ হৈ পৰে। অৱসৰী জীৱনৰ নিঃসংগতা, একাকিত্ব, হতাশা, অৱহেলা আৰু উপেক্ষাই বৃদ্ধ লোকক মানসিকভাৱে অস্থিৰ কৰি তোলে। তদুপৰি দৈহিক আৰু মানসিক শক্তিৰ অৱক্ষয়, শাৰীৰিক অসুস্থতা, পৰিয়াল আৰু সমাজত আত্মপৰিচয়হীন হৈ পৰাৰ ভাবনাত বৃদ্ধসকল মানসিকভাৱে ভাগি পৰে। বাৰ্ধক্যক গ্ৰহণ কৰিব নিবিচৰা জটিল মানসিকতাৰ বাবে জীৱনলৈ অৱসাদ, অসহনীয় দুখ আৰু দুশ্চিন্তা নামি আহে। মানসিকভাৱে বৃদ্ধত্বক স্বীকাৰ কৰাসকলেও আত্মসমৰ্পণ আৰু পৰনিৰ্ভশীল হৈ হতাশাৰে সময় অতিবাহিত কৰে। আৰ্থিক দিশেও বাৰ্ধক্যত মানসিক চাপৰ সৃষ্টি কৰে। বাৰ্ধক্যৰ পূৰ্বপ্ৰস্তুতিৰ অভাৱ, জীৱনৰ ব্যৰ্থতাৰ বাবে কেতিয়াবা নিজক আৰু কেতিয়াবা আনক দোষাৰূপ কৰিও বৃদ্ধসকলে কোনো কোনো সময়ত জীৱনৰ আসক্তি হেৰুৱায়। সংগীহীন জীৱনত পৰিয়ালৰ বোজা হৈ পৰা অনুভৱে বৃদ্ধসকলৰ মনলৈ নিৰানন্দ কঢ়িয়াই আনে। বাৰ্ধক্যত অহা সম্ভাব্য মৃত্যুভয়ে মনৰ মাজত অনবৰতে এটা দুশ্চিন্তা কঢ়িয়াই ফুৰে। গতিকে বৃদ্ধসকলৰ মানসিক জটিলতাই বাহ্যিক আচৰণ আৰু কাৰ্যত সৃষ্টি কৰা প্ৰতিক্ৰিয়াই বৃদ্ধ-মনস্তত্ত্বৰ কাৰক।

মানসিক লক্ষণবোৰ সকলো বৃদ্ধ লোকৰ ক্ষেত্ৰত সমানে ফুটি নুঠে। ব্যক্তিভেদে সবল আৰু দুৰ্বল বৃদ্ধ লোকৰ মানসিকতাৰ বিষয়ে জ্ঞাত হ'বলৈ তেওঁলোকৰ মনস্তাত্ত্বিক দিশ আৰু বাহ্যিক আচৰণৰ সূক্ষ্ম অধ্যয়নৰ প্ৰয়োজন। শাৰীৰিক স্বাস্থ্যৰ অৱনতি, জীৱকোষৰ ক্ষয়, বৌদ্ধিক পাৰদৰ্শিতা আৰু সামাজিক কাৰ্যক্ৰম— এইকেইটা বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ মূল কাৰণ। বৃদ্ধ-মনস্তত্ত্বৰ মূল উৎস চাৰিটা হ'ল ক্ৰমে মনোযোগ বা আকৰ্ষণ, স্মৃতি ধৰি ৰাখিব পৰা বিভিন্ন ইন্দ্ৰিয়ৰ পৰিৱৰ্তন, বৌদ্ধিক উৎসৰ্গ আৰু সৃষ্টিশীলতা।[২২] মনোযোগ বা আকৰ্ষণ বৃদ্ধ-মনস্তত্ত্বৰ প্ৰাথমিক আৰু প্ৰথম ক্ষেত্ৰ। ব্যক্তিৰ মনোযোগ আকৰ্ষণৰ কাৰক দুটা— শাৰীৰিক আৰু বৌদ্ধিক। সাধাৰণতে তৰুণ বা যৌৱনত শাৰীৰিক আকৰ্ষণৰ গুৰুত্ব অধিক। বয়সৰ লগে লগে বৃদ্ধ লোকৰ শাৰীৰিক আকৰ্ষণ স্বাভাৱিক ৰূপত কমি আহে যদিও

২২।https://psicologiaymente.net/inteligencia/cambios-psicologicos-en-vejez

বৌদ্ধিক আকৰ্ষণ কালানুক্ৰমিক বয়সৰ লগে লগে বৃদ্ধি পাবলৈ ধৰে। বাহ্যিক শৰীৰৰ পৰিৱৰ্তনক সাধাৰণ অৰ্থত সকলোৱে বাৰ্ধক্য বুলি স্বীকাৰ কৰিলেও আভ্যন্তৰীণ স্তৰৰ শাৰীৰিক পৰিৱৰ্তন দৃষ্টিগোচৰ নোহোৱাৰ বাবে বৃদ্ধসকলে মানসিকভাৱে বাৰ্ধক্যক মানি ল'বলৈ প্ৰস্তুত নহয়। সাম্প্ৰতিক সমাজ-জীৱনত ৬৮ বছৰ ঊৰ্ধ্বৰ ব্যক্তিক বৃদ্ধ বোলা হয় যদিও ৭৫-৮০ বছৰীয়া কোনো কোনো বৃদ্ধ লোককহে পৰনিৰ্ভৰশীল হৈ পৰা দেখা যায়। নিজৰ প্ৰচেষ্টাত কেতিয়াবা একোজন বৃদ্ধই ৭৫-৮০ বছৰ বয়সত আত্মবিশ্বাসী আৰু স্বনিৰ্ভশীল হৈ থকাৰ দৃষ্টান্তও পোৱা যায়। এনে বৃদ্ধই আয়ুসৰ হিচাপেৰে নিজক বৃদ্ধ বুলি কেতিয়াও মানি ল'ব নোখোজে। বিশেষকৈ কৰ্মসচেতনতা, সক্ৰিয়তা আৰু নিজক ভাল পোৱা কামৰ গুৰুত্বই তেনে লোকক সদায় চিৰতৰুণ কৰি ৰাখে। এনে লোকৰ ক্ষেত্ৰত কালানুক্ৰমিক বয়সে কোনো প্ৰভাৱ পেলাব নোৱাৰে। গতিকে বাৰ্ধক্যৰ আয়ুস-সীমা সকলোৰে ক্ষেত্ৰত সমানে ধাৰ্য কৰাটো যুক্তিসংগত নহয়। এজন ব্যক্তিৰ বয়সৰ সীমা তিনিধৰণে নিৰ্ধাৰণ কৰিব পাৰি— জৈৱ বয়স (biological age), কালানুক্ৰমিক বয়স (chronological age), আৰু মনস্তাত্ত্বিক বয়স (psychological age)।

> জৈৱিক ক্ষয়-বৃদ্ধি পৰিৱৰ্তনৰ ফলত আগবয়সতে বা ডেকা বয়সতে এজন মানুহ বৃদ্ধ হ'ব পাৰে। কিন্তু কেতিয়াবা আশী বছৰতো স্বাস্থ্য-সচেতনতাৰ বাবে বৃদ্ধ নহয়। বয়সৰ এনে নিৰূপণক জৈৱ বয়স আখ্যা দিয়া হয়। আনহাতে জন্মৰ চন-তাৰিখ মতে নিৰ্ধাৰণ কৰা বয়সক কালানুক্ৰমিক বয়স বোলে। মানসিকভাৱে অসুস্থ, কাৰ্যবিমুখ, এলেহুৱা, হতাশাগ্ৰস্ত লোকৰ বয়স কেৱল সংখ্যাৰে জুখিব নোৱাৰি, তেনে লোকৰ বয়সৰ মাপকাঠীক মনস্তাত্ত্বিক বয়স হিচাপে গণনা কৰা হয়।[২৩]

কালানুক্ৰমিক বয়সে ব্যক্তিৰ অভিজ্ঞতালব্ধ জ্ঞান আৰু বৌদ্ধিক বিকাশৰ উত্তৰণ ঘটাই বৃদ্ধ ৰূপক পূৰ্ণ কৰি তোলে। এনে লোকসকল শাৰীৰিকভাৱে বৃদ্ধ হ'লেও মানসিকভাৱে কিন্তু বৃদ্ধ নহ'বও পাৰে। শাৰীৰিক দিশত এজন বৃদ্ধৰ লগত এজন যুৱকৰ পাৰ্থক্য থকাটো স্বাভাৱিক। বিশেষকৈ সত্তৰ বছৰ বয়সৰ পৰা জীৱকোষৰ বিকাশৰ লেহেমীয়া গতিয়ে পুৰণি কোষৰ লগতে মগজুৰ কোষৰো ক্ষয়সাধন কৰে। ফলস্বৰূপে স্মৃতিশক্তি ধৰি ৰখাৰ ক্ষমতা কমি অহাত বৃদ্ধসকলে অতীতৰ কথা মনত ৰাখিব পাৰে যদিও বৰ্তমানৰ সময়ৰ প্ৰতি মনোযোগ কমি অহা দেখা যায়। সেইবাবে বৃদ্ধসকলে

---

২৩। বিকাশজ্যোতি বৰুৱা (সম্পা.), *ৰৰগোহাঞি পৰিয়ালৰ সাহিত্য*, ২০০৭, পৃ. ১২

অতীতৰ স্মৃতি ৰোমন্থন কৰি বেছি ভাল পায়। মগজুৰ কোষবোৰ শুকাই অহাত অতীতৰ কথাবোৰ ক্ৰম অনুসৰি মনত ৰাখিব নোৱৰা হৈ আহে। ফলস্বৰূপে বৃদ্ধসকলে নিজৰ ভাবুক স্বভাৱেৰে জীৱনৰ আগন্তুক দিনবোৰ কটাবলৈ ধৰে। বৃদ্ধ লোকৰ বাহ্যিক আচৰণৰ পৰ্যবেক্ষণ বৃদ্ধ-মনস্তত্ত্বৰ আন এক গুৰুত্বপূৰ্ণ দিশ। স্মৃতিশক্তিৰ ফালৰ পৰা এজন বৃদ্ধৰ বাহ্যিক আচৰণৰ পাৰ্থক্য দুইধৰণে বিচাৰ কৰিব পাৰি। প্ৰথমতে এজন যুৱকৰ বাহ্যিক আচৰণৰ লগত এগৰাকী বৃদ্ধ লোকৰ বাহ্যিক আচৰণৰ তুলনা আৰু সেই বৃদ্ধগৰাকীৰ বৰ্তমানৰ বাহ্যিক আচৰণৰ লগত তেওঁৰ অতীতৰ বাহ্যিক আচৰণৰ তুলনাৰ দ্বাৰা স্মৃতিশক্তি বিচাৰ কৰিব পাৰি। বাৰ্ধক্যত স্মৃতিশক্তি হ্ৰাস পায়— এই কথা সত্য; কিন্তু সকলো বৃদ্ধ লোকৰ ক্ষেত্ৰতে এনে সত্য প্ৰযোজ্য নহ'বও পাৰে।

বৌদ্ধিক উৎকৰ্ষৰ ক্ষেত্ৰত বৃদ্ধ-মনস্তত্ত্বৰ প্ৰভাৱ অপৰিসীম। এগৰাকী বৃদ্ধৰ বৌদ্ধিক জ্ঞানৰ লগত এজন তৰুণৰ বৌদ্ধিক জ্ঞানৰ পাৰ্থক্য থকা দেখা যায়। পাঠ্যপুথি আৰু তথ্যগত শিক্ষাই এজন তৰুণক জ্ঞানসমৃদ্ধ কৰিলেও বৃদ্ধসকলৰ অভিজ্ঞতালব্ধ জ্ঞানৰ ভঁৰাল তৰুণ বয়সীয়া লোকতকৈ বেছি সমৃদ্ধিশালী— সেই কথা অকপটে স্বীকাৰ কৰিব পাৰি। অভিজ্ঞতা বাৰ্ধক্যৰ সঞ্চিত উপহাৰ। সত্তৰ বছৰৰ পৰা এজন বৃদ্ধৰ বৌদ্ধিক ক্ষমতা পূৰ্বৰ তুলনাত হ্ৰাস পায়। বাৰ্ধক্যত মগজুৰ স্নায়ুৰ দুৰ্বলতা আৰু স্নায়ুৰ পৰা অহা বৌদ্ধিক শক্তিৰ পৰিৱৰ্ধনৰ প্ৰবাহ লাহে লাহে হ্ৰাস পাবলৈ ধৰে। ফলত অতীতৰ পাঁচ বা দহ বছৰৰ আগৰ কথাহে এজন বৃদ্ধই স্মৃতিত ধৰি ৰাখিবলৈ সক্ষম হয়। সেইবাবে কোমল বয়সত স্মৃতিত ধৰি ৰাখিব পৰা বিষয়বোৰ বাৰ্ধক্যত স্মৃতিৰ পৰা লাহে লাহে আঁতৰি আহিবলৈ ধৰে।

সৃষ্টিশীলতা বৃদ্ধ-মনস্তত্ত্বৰ আন এক উৎস। বাহ্যিক আৰু আভ্যন্তৰীণ সৃষ্টিশীলতাৰ ভিতৰত বাহ্যিক সৃষ্টিশীলতা যুক্তিৰ ভেটিত প্ৰতিষ্ঠিত। মানসিক সৃষ্টিশীলতাই মানুহৰ মনৰ চিন্তা-ভাবনাক সবল কৰে। অনুসন্ধানৰ তথ্যমতে যিসকল বৃদ্ধই সৃষ্টিশীল কৰ্মৰ অনুশীলন কৰে, তেনে লোকৰ ক্ষেত্ৰত সৃষ্টিশীল ক্ষমতা বাৰ্ধক্যত বৃদ্ধি পায়। আনহাতে সৃষ্টিশীল কৰ্মৰ অনুশীলনৰ প্ৰতি আগ্ৰহ নথকা বৃদ্ধ লোকৰ কৰ্মস্পৃহা আৰু দক্ষতা বাৰ্ধক্যত লাহে লাহে হ্ৰাস পাবলৈ ধৰে।

### বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ কাৰকসমূহ ঃ

বাহ্যিক আচৰণৰ ভিত্তিত সমাজ আৰু পৰিয়ালত সাধাৰণতে আত্মগৌৰৱী বা আত্মমৰ্যাদাবোধসম্পন্ন, অভিযোজিত আৰু পৰনিৰ্ভৰশীল— এই তিনি ধৰণৰ বৃদ্ধ লোক দৃষ্টিগোচৰ হয়। আত্মগৌৰৱী বা আত্মমৰ্যাদাবোধসম্পন্ন বয়োজ্যেষ্ঠই নিজৰ শক্তি-সামৰ্থ্য তথা সৃষ্টিশীলতাৰে সমাজ আৰু পৰিয়ালত আত্মনিৰ্ভৰশীল হৈ স্বমৰ্যাদা আৰু আত্মবিশ্বাসেৰে জীয়াই থাকে। এনে ব্যক্তি কেতিয়াও পৰনিৰ্ভশীল নহয়। অভিযোজিত শ্ৰেণীয়ে সচেতনতা আৰু সীমাৱদ্ধতাৰে নিজৰ জীৱন উপভোগ কৰে। আনহাতে পৰনিৰ্ভশীল শ্ৰেণীয়ে ক্ৰমাৎ বাৰ্ধক্যৰ শাৰীৰিক আৰু মানসিক শক্তিহীনতাত জীৱনক অৰ্থহীন বুলি ভ্ৰান্ত ধাৰণা লৈ মানসিক হতাশা আৰু নিৰাশাৰে জীৱনৰ গতিত আগবাঢ়ে।[২৪]

সমাজ আৰু পৰিয়ালত দেখা পোৱা পৰনিৰ্ভৰশীল বৃদ্ধ লোকে নিজক মূল্যহীন বুলি ভাবি হতাশা, নিৰাশা আৰু অৱসাদক আঁকোৱালি লৈ জীৱনৰ প্ৰকৃত সুখ হেৰুৱায়। বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ কাৰকসমূহ বিচাৰ কৰিবলৈ গ'লে এই কথা প্ৰত্যক্ষ কৰিব পাৰি যে সমাজ আৰু পৰিয়ালত অভিযোজিত আৰু পৰনিৰ্ভশীল শ্ৰেণীৰ বৃদ্ধসকল বেছি নিঃসংগ আৰু অসুখী। শৰীৰ আৰু মনৰ প্ৰতিক্ৰিয়া পৰ্যবেক্ষণ কৰিলে অভিযোজিত আৰু পৰনিৰ্ভশীল শ্ৰেণীৰ বৃদ্ধ লোকৰ মনৰ জটিলতা সৃষ্টিৰ কেইটামান কাৰক বাহ্যিক আচৰণত ফুটি উঠা দেখা যায়। বৃদ্ধসকলৰ প্ৰত্যক্ষ আৰু সূক্ষ্ম পৰ্যবেক্ষণত দৃষ্টিগোচৰ হোৱা বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ মূল কাৰণকেইটা এনেধৰণে বিচাৰ কৰিব পাৰি—

- **শাৰীৰিক আৰু মানসিক শক্তিৰ অৱনতি ঃ**

শাৰীৰিক শক্তিৰ অৱনতিয়েই বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ প্ৰধান কাৰক। পুৰণি কোষৰ অৱক্ষয় আৰু নতুন কোষৰ লেহেমীয়া বিকাশে বৰ্ধিত আয়ুসৰ গতি বাৰ্ধক্যত মন্থৰ কৰে। অৱক্ষয়িত শৰীৰত প্ৰয়োজনীয় পদাৰ্থ বৰ্জন আৰু অপ্ৰয়োজনীয় পদাৰ্থ ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰে। বৃদ্ধসকলৰ

---

২৪। S.P. Chaube, *Developmental Psychology,* p. 177

শাৰীৰিক ৰোগ প্ৰতিৰোধ ক্ষমতা কমি অহাৰ ফলত নানা ৰোগ আৰু ৰোগৰ উপসৰ্গই দেখা দিয়ে। পাচন পৰিৱহণতন্ত্ৰৰ সক্ৰিয়হীন অৱস্থাৰ বাবে বদহজম, গেছজনিত সমস্যা, খাদ্যৰ প্ৰতি অনীহা আদি সমস্যাসমূহ বাৰ্ধক্যত স্বাভাৱিক ৰূপত দেখা দিবলৈ ধৰে। কেলচিয়াম, প্ৰ'টিন, ভিটামিনৰ অভাৱত বৃদ্ধ লোকৰ শৰীৰত বিষজনিত ৰোগ, অস্থি বা হাড়ৰ দুৰ্বলতাও আহি পৰে। হাড়ৰ অক্ষমতাত হাত-ভৰি ভগা, আনকি ঘনাই আঘাতপ্ৰাপ্ত হোৱা দেখা যায়। স্নায়ু দুৰ্বলতা, অতিৰিক্ত ঔষধ সেৱন, জলা-মচলা জাতীয় খাদ্য খোৱা, শৰীৰত পানীৰ অভাৱ আৰু পৰিশ্ৰমহীনতা বা এলাহৰ বাবে কোষ্ঠকাঠিন্য ৰোগ আৰম্ভ হ'বলৈ ধৰে। চুলি পকা, চুলি সৰা, গাৰ ছাল শোটোৰা পৰা, দাঁত সৰা, গাটো আগলৈ হালি পৰা আৰু শৰীৰৰ অংগ-প্ৰত্যংগবোৰ ক্ষয় যাবলৈ ধৰাত বাহ্যিক শৰীৰৰ ইন্দ্ৰিয়সমূহৰ পৰিৱৰ্তন বাৰ্ধক্যত বেছিকৈ চকুত ধৰা দিয়ে। বাহ্যিক ইন্দ্ৰিয় পৰিৱৰ্তনৰ লগতে হৃদযন্ত্ৰ, বৃক্ক, শ্বাসযন্ত্ৰ, পাকস্থলী আদি গুৰুত্বপূৰ্ণ আভ্যন্তৰীণ প্ৰক্ৰিয়াসমূহ বাৰ্ধক্যত দুৰ্বল হৈ পৰে। দৃষ্টি, ঘ্ৰাণ, শ্ৰৱণ, স্পৰ্শশক্তিও লাহে লাহে কমি আহিবলৈ ধৰে।হৃদযন্ত্ৰৰ ক্ষমতা কমি অহা, চকুত ছানি পৰা, বহুমূত্ৰ ৰোগৰ সমস্যা, চৰ্দি-কাহ-হাঁপানীৰ ফলত অনবৰতে কাহি থকা আৰু তেজত জমা হোৱা অম্লবিষৰ বাবে পক্ষাঘাত আদি ৰোগ আৰু ৰোগৰ কাৰকে জটিল ৰূপ ল'বলৈ ধৰে। শাৰীৰিক অৱসাদৰ ফলত অনিদ্ৰা, আভোগ, ডায়েবেটিছ, উচ্চ ৰক্তচাপ আদি বিবিধ ৰোগৰ সমস্যাই বৃদ্ধ শৰীৰক আগুৰি ধৰে। তদুপৰি হাড়ৰ মাজত থকা মজ্জা, মাংসপেশী শুকাই যোৱাৰ বাবে শাৰীৰিক অসুস্থতা দিনকদিনে বাঢ়িবলৈ ধৰে। বাৰ্ধক্যৰ আটাইতকৈ ডাঙৰ সমস্যা হ'ল স্মৃতিলোপ (Dementia)। মানসিক চাপেই এই ৰোগৰ মূল কাৰণ। বাৰ্ধক্যত শৰীৰৰ অন্যান্য অংশৰ লগতে মগজুৰ কোষবোৰ শুকাই যোৱাত এই কোষৰ ওজন পূৰ্বতকৈ হ্ৰাস পাবলৈ ধৰে। ফলত স্মৃতিশক্তি হ্ৰাস পাই সময়ত স্মৃতিলোপ বা স্মৃতিবিভ্ৰম ৰোগৰ লক্ষণে দেখা দিয়ে। বাৰ্ধক্যৰ আন এক জটিল ৰোগ কৰ্কট বা কেন্সাৰ। জীৱকোষত সুপ্ত অৱস্থাত থকা কেন্সাৰ কোষ বাৰ্ধক্যত ধৰা দিয়াৰ বাবে কেন্সাৰ ৰোগৰ সক্ৰিয়তা বাঢ়িবলৈ ধৰে।

ধ্বংসমুখী শৰীৰৰ গতি আৰু দুৰৱস্থাই বৃদ্ধ লোকক পৰনিৰ্ভৰশীল হ'বলৈ বাৰ্ধক্যত বাধ্য কৰে। শাৰীৰিক অৱক্ষয়ৰ কাৰণে মনৰ অসুস্থতাত জটিলতা বা দ্বন্দ্বৰ সৃষ্টি হয়। জীৰ্ণ-শীৰ্ণ শৰীৰটো মনৰ লগত ফেৰ মাৰিবলৈ আৰম্ভ কৰে আৰু তাৰ ফলতেই সৃষ্টি হয় মানসিক অন্তৰ্দ্বন্দ্বৰ। বৃদ্ধ-

মনস্তত্ত্বত জটিলতা সৃষ্টিৰ মূল কাৰক শৰীৰ আৰু মনৰ শক্তি হ্রাস পোৱা। বার্ধক্যৰ দৈহিক পৰিৱর্তনে পূর্বৰ সুস্থ-সবল লোকজনক নিশকতীয়া আৰু নিঃসহায় কৰি তোলে। শাৰীৰিক শক্তি কমি অহাত বৃদ্ধ লোকৰ মনলৈ ঘনাই হতাশা আৰু অৱসাদ আহিবলৈ ধৰে। হৃদৰোগ, কেন্সাৰ, স্মৃতিশক্তি লোপ, অস্থিৰোগ, নিদ্রাহীনতা, বাতবিষ আদি নানান ৰোগ আৰু ৰোগৰ উপসর্গই বার্ধক্যত নিৰাশা, নিঃসহায়, দুশ্চিন্তা আৰু অসহনীয় জটিল পৰিস্থিতিৰ সৃষ্টি কৰে।

■ **পাৰিবাৰিক অৱহেলা আৰু অৱহেলাপ্রাপ্তিৰ ভ্রান্ত ধাৰণা ঃ**

পাৰিবাৰিক অৱহেলা বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ আন এক কাৰক। এটা সময়ত নিজৰ দখল বা কর্তৃত্বত থকা সকলোৱেই বার্ধক্যত পৰিয়ালৰ আন সদস্যৰ হাতলৈ যাবলৈ ধৰে। আত্মনির্ভৰশীল লোকজন বার্ধক্যত পৰনির্ভৰশীল হৈ পৰাত হতাশা আৰু দুখত ভাগি পৰে। সেই সময়ত পৰিয়ালৰ লোকৰ অৱহেলাত মানসিক অন্তর্দ্বন্দ্বৰ সন্মুখীন হয়। কোনো কোনো সময়ত যত্ন-শুশ্রূষা পোৱাৰ পাছতো পৰিয়ালৰ লোকে অৱহেলা কৰা বুলি ভ্রান্ত ধাৰণা মনত পুহি ৰাখে। মনত সৃষ্টি হোৱা দ্বন্দ্বৰ বাবে বার্ধক্যত মনৰ অশান্তি বাঢ়িবলৈ ধৰে।

■ **পৰিয়াল তথা সমাজত প্রতিপত্তি হেৰুওৱাৰ আশংকা ঃ**

বিজ্ঞান-প্রযুক্তিবিদ্যাৰ দ্রুত প্রগতি, চিকিৎসাশাস্ত্রৰ অভূতপূর্ব সাফল্য আৰু উন্নতি, ঔষধ আৰু খাদ্যৰ প্রচুৰতাৰ বাবে বৃদ্ধ লোকৰ গড় আয়ুস পূর্বতকৈ বৃদ্ধি পাবলৈ ধৰিছে। ঔদ্যোগিক সম্প্রসাৰণ আৰু বৃত্তি বা চাকৰিমুখী জীৱনৰ ব্যস্ততাত দূৰ-দূৰণিলৈ যাব লগাত পূর্বৰ কৃষিকেন্দ্রিক সমাজ-জীৱনত গঢ় লোৱা যৌথ পৰিয়ালৰ অৱসান ঘটিছে। দ্রুত সামাজিক পৰিৱর্তন, একক পৰিয়ালৰ প্রাধান্য আৰু আধুনিক মানুহৰ ন ন চাৰিত্রিক বৈশিষ্ট্যই পৰিয়াল আৰু সমাজত থকা বৃদ্ধসকলক নিঃসংগ কৰি তুলিছে। মূল্যবোধৰ তাড়না, ব্যক্তিৰ বস্তুবাদী মানসিকতা, চাকৰিজীৱী মহিলাৰ কর্মব্যস্ততা আৰু সামাজিক সংস্কাৰ মানিব নোখোজা তৰুণ প্রজন্মৰ বিকৃত মানসিকতাত পৰিয়াল আৰু সমাজত থকা বৃদ্ধসকল সামাজিক প্রতিপত্তি হেৰুওৱাৰ আশংকাত উদ্বিগ্নতাৰ সন্মুখীন হৈছে।

ভাৰতীয় সমাজব্যৱস্থাত বৃদ্ধসকলক শ্রদ্ধা-সন্মান-মৰম যচা ৰীতি পুৰণি কালৰে পৰা চলি

আহিছে। কিন্তু পাশ্চাত্য দেশত, বিশেষকৈ আমেৰিকাত বাৰ্ধক্যৰ ধাৰণা ভাৰতবৰ্ষৰ সম্পূৰ্ণ বিপৰীত।[২৫] আমেৰিকাত বৃদ্ধ লোকক কৰা অৱহেলা বা তেনে অপসংস্কৃতিয়ে বৰ্তমান ভাৰতবৰ্ষৰ অন্যান্য সমাজতো শিপাবলৈ ধৰিছে। ভাৰতৰ তামিলনাডুৰ দক্ষিণে থকা এটা অঞ্চলত 'তালাই পুত্তল' নামৰ প্ৰথাৰ প্ৰচলন আছে। অসুস্থ আৰু চলশক্তিহীন বৃদ্ধ লোকক স্নান কৰাই বিভিন্ন নিয়ম-নীতি কৰি এই অঞ্চলত হত্যা কৰা হয়। আনকি কেতিয়াবা বিষাক্ত বেজী প্ৰয়োগ কৰি নৃশংসভাৱে হত্যা কৰি গাঁতত পুতি থোৱা হয়।[২৬] আদৰ্শ, মূল্যবোধ আৰু প্ৰজন্মৰ সংঘাতে নবীন আৰু প্ৰবীণ— দুই প্ৰজন্মৰ আন্তৰিকতা আৰু সৌহাৰ্দ্যত ব্যৱধান আনিছে। পৰিয়াল আৰু সমাজত গুৰুত্বহীন হৈ পৰা বৃদ্ধসকলে নিজৰ প্ৰতিপত্তি হেৰুওৱাৰ আশংকাত হতাশ আৰু নিৰাশ হৈ পৰিছে। এসময়ত স্বাধীনভাৱে নিজৰ মন-মৰ্জি মতে চলা-ফুৰা কৰা লোকসকল বাৰ্ধক্যত আত্মসন্মান হেৰুওৱাৰ ভয়ত পৰিয়াল তথা সমাজত মিলিব নোৱাৰি শংকা আৰু হতাশাগ্ৰস্ত হৈ পৰে। ভাবুক প্ৰকৃতিৰ বৃদ্ধসকলে নিজৰ মনতে অতীতক খেপিয়াই ফুৰিবলৈ ধৰে। বৃদ্ধসকলৰ এনে স্বভাৱৰ কাৰণ বাৰ্ধক্যত পৰিয়াল আৰু সমাজত নিজৰ প্ৰতিপত্তি হেৰুওৱাৰ আশংকা। বৃদ্ধসকলৰ এনে বাস্তৱ স্বৰূপ দৈনন্দিন সমাজ-জীৱনত প্ৰতিফলন ঘটা পৰিদৃষ্ট হয়।

■ **আৰ্থিক সংকট আৰু নিৰাপত্তাহীনতা ঃ**

আৰ্থিক সংকট আৰু নিৰাপত্তাহীনতা বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ আন এটা প্ৰধান আৰু গুৰুত্বপূৰ্ণ কাৰক। সাম্প্ৰতিক সমাজৰ প্ৰতিটো কামেই অৰ্থৰ ওপৰত নিৰ্ভৰশীল। চৰকাৰী নিৰ্দেশনাত চাকৰীজীৱী বৃদ্ধসকলে ৬০/৬৫ বছৰ বয়সত কৰ্মজীৱনৰ পৰা অৱসৰ লয়। অৱসৰৰ সময়ত বৃদ্ধসকলক পেন্সন বা বিশেষ এক ভাত্তা দিয়া হয়। পেন্সন বা ভাত্তাই অৱসৰী লোকৰ বাৰ্ধক্য-জীৱনৰ নিৰাপত্তাৰ সাৰথি। আৰ্থিক সবলতাৰ বাবে একাংশ বৃদ্ধ লোকে যিকোনো পৰিস্থিতিক অৰ্থৰ বিনিময়ত নিজৰ আয়ত্তলৈ আনিবলৈ সক্ষম হয়। কিন্তু সাধাৰণ দৰিদ্ৰ বৃদ্ধসকলে আৰ্থিক সংকটৰ বাবে শাৰীৰিক সমস্যাৰ লগতে আন বহুতো সমস্যাৰ সন্মুখীন হয়। ধনী শ্ৰেণীৰ বৃদ্ধ লোকে

২৫। দেৱব্ৰত দাস, পূৰ্বোল্লিখিত, পৃ. ৮৫

২৬। Satyameva Jayate : You Tube

আৰ্থিক সবলতাৰ বলত নিজৰ প্ৰয়োজনখিনি পূৰণ কৰি সমাজত নিজৰ স্থিতি বজাই ৰাখে; কিন্তু দৰিদ্ৰ বৃদ্ধসকলে দৈনিক দিনহাজিৰা বা আন কাম-কাজ কৰি পৰিয়াল পোহপাল দিব লগাত নিজৰ অক্ষমতাৰ বাবে অসহায় আৰু নিঠৰুৱা হৈ পৰে। দৰিদ্ৰ বৃদ্ধসকলে নিজৰ প্ৰয়োজনীয় খাদ্য বা পথ্যৰ যোগান ধৰিব নোৱাৰি আনৰ মুখলৈ বাট চাই থাকিব লাগে। এনে দৰিদ্ৰ বৃদ্ধসকল লাহে লাহে হতাশা আৰু অৱসাদৰ সন্মুখীন হয়। চৰকাৰে বৃদ্ধ পেন্সনৰ ব্যৱস্থা কৰি বৃদ্ধসকলক কিছু সকাহ দিয়াৰ চেষ্টা চলাইছে যদিও ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশত সেয়া কিমান ফলপ্ৰসূ হ'ব ডাঠি কোৱা টান। বৃদ্ধসকলৰ আৰ্থিক সমস্যাই কেতিয়াবা মানসিক ৰূপ লয়। আৰ্থিক সমস্যাত পৰি মানসিক হতাশাৰে আত্মহননৰ পথ বাছি লোৱা বৃদ্ধ লোকৰ উদাহৰণ বহু সময়ত সমাজত দৃষ্টিগোচৰ হয়।

■ **নিঃসংগতাৰ বেদনা ঃ**

নিঃসংগতাৰ বেদনা বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ আন এটি কাৰণ। দ্ৰুত নগৰীকৰণ, একক পৰিয়ালৰ প্ৰাধান্য আৰু প্ৰজন্মৰ ব্যৱধানে বৃদ্ধসকলক অকলশৰীয়া আৰু নিঃসংগ কৰি তুলিছে। সন্তান ডাঙৰ-দীঘল হৈ নিজে প্ৰতিষ্ঠিত হোৱাৰ পাছৰে পৰা বৃদ্ধ পিতৃ-মাতৃৰ নিঃসংগতাৰ বেদনা বেছিকৈ আহি পৰে। এনে নিঃসংগতাৰ বেদনাৰ কৰুণ আৰু মৰ্মান্তিক ৰূপ পৰিয়াল আৰু সমাজত দেখিবলৈ পোৱা যায়। বিশেষকৈ পিতৃ-মাতৃ বা স্বামী-স্ত্ৰী এজনৰ অবিহনে আনজন বাৰ্ধক্যত একেবাৰে নিঃসংগ হৈ পৰে। পৰ্যবেক্ষণ কৰিলে দেখা যায় যে বাৰ্ধক্যত পুৰুষসকল বাহিৰৰ সমাজৰ পৰা বিচ্ছেদিত হৈ ঘৰৰ ভিতৰত সোমাই পৰাৰ লগে লগে নিঃসংগতাৰ বেদনা পূৰ্বতকৈ ক্ৰমে বাঢ়িবলৈ ধৰে। পত্নী বিয়োগ ঘটা বৃদ্ধ স্বামীৰ নিঃসংগতাৰ বেদনা আৰু একাকিত্বৰ যন্ত্ৰণাৰ অতি কৰুণ ৰূপ সমাজত দেখা যায়। তদুপৰি সমাজত বেছিকৈ চলা-ফুৰা নকৰা, ঘৰুৱা কাম-কাজক প্ৰাধান্য দিয়া গৃহিণীসকলৰ নিঃসংগতাৰ বেদনা পুৰুষসকলতকৈ বাৰ্ধক্যত বেছি হোৱা পৰিলক্ষিত হৈছে।

■ **জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস ঃ**

জীৱনৰ সমস্ত আৰু সঞ্চিত অভিজ্ঞতাবোৰ আনৰ আগত প্ৰকাশ কৰাৰ প্ৰৱণতাই বাৰ্ধক্যত অধিক জটিল ৰূপ লয়। বাৰ্ধক্যৰ কৰ্মব্যস্ততা সকলোৰে বাবে সমান নহয়। যি ব্যক্তিৰ কৰ্মব্যস্ততা নাই,

তেনে লোকে বাৰ্ধক্যত জীৱনৰ অভিজ্ঞতাবোৰ আনৰ আগত প্ৰকাশ কৰাৰ প্ৰবল ইচ্ছা মনত পুহি ৰাখে। জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰৱণতাই বৃদ্ধ লোকক আত্মতৃপ্তি দিয়ে। এনে মানসিকতাৰ বাবে পৰিয়াল আৰু সমাজৰ লোকে বৃদ্ধ লোকক এৰাই চলিব বিচাৰে। তৰুণ প্ৰজন্মৰ এনে আচৰণত ক্ষুব্ধ হৈ কোনো কোনো বৃদ্ধ লোকে মৌনতা অৱলম্বন কৰি ভাবুক স্বভাৱক জীৱনৰ সংগী কৰি লয়।

- **জীৱনপ্ৰীতি ঃ**

জন্ম আৰু মৃত্যু একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি। জন্ম হোৱা সকলো জীৱই নিৰ্দিষ্ট সময়ত মৃত্যুৰে জীৱন সমাপ্ত কৰে। জন্ম আৰু মৃত্যু সাধাৰণ লোকৰ বাবে জীৱনৰ এক গভীৰ ৰহস্য। ভাৰতীয় দৰ্শনত মানৱসত্তাক শৰীৰ আৰু আত্মাৰ সমষ্টি হিচাপে ব্যাখ্যা কৰিছে। এনে দৰ্শনশাস্ত্ৰত মানৱ শৰীৰক এটি চোলাৰ লগত তুলনা কৰা হৈছে। শৰীৰটো পুৰণি হ'লে আত্মাই নিজে তাক পৰিত্যাগ কৰিব বিচাৰে। সেইবাবেই আত্মাই সেই শৰীৰ পৰিত্যাগ কৰি আন শৰীৰত প্ৰৱেশ কৰে।

বাসাংসি জীৰ্ণানি যথা বিহায়

নবানি গৃহ্ণাতি নৰোহপৰাণি।

তথা শৰীৰাণি বিহায় জীৰ্ণা

ন্যন্যানি সংযাতি নবানি দেহী।। ২২।।

(*শ্ৰীমদ্ভগৱদ্‌গীতা*; দ্বিতীয় অধ্যায়, সাংখ্যযোগ)

জীৱনপ্ৰীতি প্ৰতিজন বৃদ্ধ লোকৰ মনৰ এক বৈশিষ্ট্য। জীৱনৰ প্ৰতি থকা মোহৰ বাবে কোনেও জীৱনটোক হেৰুৱাব নোখোজে, অৰ্থাৎ মৃত্যু কামনা নকৰে। বাৰ্ধক্যত মৃত্যুভয় প্ৰতি পদে পদে। জীৱনক ঘূৰাই নোপোৱাৰ হতাশাত বৃদ্ধ লোকৰ জীৱনৰ প্ৰতি মোহ বাঢ়ি আহে; ফলস্বৰূপে জীৱন অধিক পীড়াদায়ক হৈ পৰে। কোনো কোনো লোকে জীৱনৰ মায়া-মোহ আৰু জীৱনপ্ৰীতিৰ বাবে বৃদ্ধ হ'ব নোখোজে। জীৱনৰ প্ৰতি থকা মমতাৰ কাৰণে পাৰ্থিৱ বস্তুবোৰ ভোগ নকৰি বৃদ্ধ লোকে ভৱিষ্যতলৈ সাঁচি ৰাখে আৰু ভোগ কৰিব কৰিব বুলি ভাবি থাকোঁতে জীৱন সমাপ্তিৰ

পথলৈ আগবাঢ়ে। নিজৰ কষ্টৰ সম্পদবোৰ আনে ভোগ কৰিব খুজিলে মানসিক উদ্বিগ্নতাত ভোগে। চিন্তাৰাজ্যত ডুব গৈ থকা বৃদ্ধসকলে মানসিক চাপৰ বাবে হৃদৰোগ অথবা স্মৃতিশক্তি হেৰুৱাই কোনো কোনো সময়ত মানসিক জটিলতাৰে জীৱন অতিবাহিত কৰে।

■ **যৌন অক্ষমতাৰ বাবে অহা অৱসাদ ঃ**

মানসিক বিকৃতি, আদৰ্শৰ স্খলন আৰু অপৰাধপ্ৰৱণতা সমাজৰ কোনো কোনো বৃদ্ধ লোকৰ ক্ষেত্ৰত দেখা যায়। পৰম্পৰাবিশ্বাসী পুৰণি সমাজত ব্যক্তিৰ মানসিক সংযম আৰু তথ্য-প্ৰযুক্তিবিদ্যাৰ অসুচল ব্যৱস্থাই যৌন অক্ষমতাৰ বাবে অহা অৱসাদৰ দিশটো পূৰ্বতে বৃদ্ধ লোকৰ চৰিত্ৰত প্ৰকট কৰা নাছিল। সাম্প্ৰতিক তথ্য-প্ৰযুক্তিবিদ্যাৰ উন্নতি আৰু টিভি, ফে'চবুক, হোৱাট্ছএপ আদি সামাজিক মাধ্যমত প্ৰচাৰ হোৱা যৌন চেতনাই সমাজৰ অসংযত দিশটোৰ প্ৰতি বৃদ্ধ-তৰুণ সকলোকে আকৰ্ষণ কৰিছে। সাধাৰণ বৃদ্ধ লোকে আৰ্থিক অনাটনৰ বাবে যৌন ক্ষমতা বৰ্ধনৰ ঔষধ ক্ৰয় কৰিবলৈ অসমৰ্থ। এনে ক্ষেত্ৰত যৌন আকাংক্ষা পূৰণ কৰিবলৈ কোনো কোনো বৃদ্ধ লোকে যৌন অপৰাধৰ আশ্ৰয় লয়। গতিকে যৌন অক্ষমতাই অনা মানসিক অৱসাদৰ ফলত কোনো কোনো বৃদ্ধ লোক যৌন অপৰাধ বা অপকৰ্মত লিপ্ত হয়।

■ **বাৰ্ধক্যৰ পূৰ্বপ্ৰস্তুতিৰ অভাৱ ঃ**

যৌৱনক হেৰুৱাব নোখোজা বা বৃদ্ধ হ'ব নিবিচৰা মানুহৰ এক স্বাভাৱিক প্ৰবৃত্তি। বাৰ্ধক্যৰ প্ৰতি সহানুভূতি নথকাৰ কাৰণে বাৰ্ধক্যৰ মানসিক পূৰ্বপ্ৰস্তুতি প্ৰায়বোৰ মানুহৰ নাথাকে। তৰুণ বয়সৰ প্ৰতি মানুহৰ হাবিয়াস বেছি আৰু সেইবাবে প্ৰৌঢ়ত্ব বা আদহীয়া জীৱনলৈ ব্যক্তিৰ ধাউতি লাহে লাহে কমিবলৈ ধৰে। বৃদ্ধত্ব বা অৱসৰৰ পাছত কৰ্মব্যস্ততাহীন চাকৰিয়াল বৃদ্ধসকলে জীৱনৰ বেলেগ এটা স্তৰত পদাৰ্পণ কৰা বুলি মনত ধাৰণা লয়। মানসিকভাৱে এই স্তৰত বৃদ্ধসকল নিৰুৎসাহী হৈ পৰে। মনৰ উদ্বিগ্নতাত নিজৰ ওপৰত আত্মবিশ্বাস হেৰুৱাই পেলায়। শাৰীৰিক, সামাজিক আৰু আৰ্থিক কাৰণবশতঃ বাৰ্ধক্যৰ পূৰ্বপ্ৰস্তুতিৰ অভাৱত বৃদ্ধসকল মানসিক অৱসাদৰ সন্মুখীন হয়।

## ■ পৰিচালনাৰ নিয়ন্ত্ৰণ হেৰুওৱাৰ বেদনা ঃ

বাৰ্ধক্যই একোজন সফল ব্যক্তিৰ জীৱন পৰিচালনাৰ নিয়ন্ত্ৰণ কাঢ়ি নিয়ে। বৃদ্ধসকলে মনেৰে জীৱন পৰিচালনাৰ নিয়ন্ত্ৰণ কৰিব বিচাৰিলেও সময়ৰ কঠোৰ বাস্তৱত তেনে নিয়ন্ত্ৰণৰ পৰা বঞ্চিত হয়। কৰ্মব্যস্ততাহীন অৱসৰী যাত্ৰাত খং, ক্ষোভ আৰু অভিমান মনত পুহি ৰাখি বৃদ্ধসকল জীৱনৰ গতিত আগবাঢ়ে। শাৰীৰিক, মানসিক, সামাজিক, আৰ্থিক, ৰাজনৈতিক, সাংস্কৃতিক— সকলো পৰিচালনাৰ নিয়ন্ত্ৰণ চলোৱা এসময়ৰ মানসিকভাৱে সবল ব্যক্তিগৰাকী বাৰ্ধক্যৰ দুৰৱস্থাত দুৰ্বল হৈ পৰে। পদে পদে মৃত্যুভয়ৰ কথা ভাবি নিজৰ ওপৰত থকা আত্মবিশ্বাস হেৰুৱাই পেলায়। সেইবাবে পৰিচালনাৰ নিয়ন্ত্ৰণ হেৰুওৱাৰ ভয়ত মানসিকভাৱে ভাগি পৰা বৃদ্ধ লোকৰ যন্ত্ৰণাই মানসিকতাত অধিক জটিল ৰূপ ধাৰণ কৰে।

## ■ জীৱনৰ পৰিৱৰ্তনক মানিব নোখোজা আঁকোৰগোজ স্বভাৱ ঃ

পৰম্পৰাগত সংস্কৃতিৰ প্ৰতি আস্থা থকা বৃদ্ধসকল সময়ৰ সোঁতত পৰিৱৰ্তন হোৱা জীৱনক আদৰি ল'বলৈ সকলো সময়তে প্ৰস্তুত নহয়। পূৰ্বৰ পৰম্পৰাবিশ্বাসী আঁকোৰগোজ স্বভাৱেৰে নিজৰ মতক খামুচি ধৰি ৰখা বৃদ্ধসকলৰ লগত নতুন প্ৰজন্মৰ মূল্যবোধ, আদৰ্শ, শিক্ষা, সংস্কাৰ আৰু আচাৰ-ব্যৱহাৰৰ পাৰ্থক্যত নানা সংঘাত আহি পৰিছে। পৰম্পৰাবিশ্বাসী বৃদ্ধসকলে নিজৰ আদৰ্শ-সংস্কাৰক পৰিস্থিতিত পৰি বিসৰ্জন দিব লগাত মনত জটিলতাৰ সৃষ্টি হয়।

## ■ বাৰ্ধক্যত পৰিতৃপ্ত জীৱন ঃ

যিবোৰ পৰিয়ালত মৰম-চেনেহ আৰু শ্ৰদ্ধা যত্নৰ মাজত বৃদ্ধ লোকে জীৱন অতিবাহিত কৰে আৰু যিসকল লোকে সকলো ক্ষেত্ৰতে আপোচ কৰি চলিব জানে— তেওঁলোকে বাৰ্ধক্যত পৰিতৃপ্ত জীৱন লাভ কৰে। বাৰ্ধক্যই জীৱন মূল্যায়নৰ গুৰুত্বপূৰ্ণ সময়। বৃদ্ধসকল পৰিয়াল তথা সমাজৰ ধৰণী আৰু তেওঁলোকৰ অভিজ্ঞতাপুষ্ট জীৱনৰ কৰ্মস্পৃহা সমাজৰ আন আন শ্ৰেণী লোকৰ বাবে আদৰ্শ। শৰীৰ আৰু মনৰ সন্তুলন বজাই ৰখা দক্ষ, সহনশীল আৰু নমনীয় বৃদ্ধসকলে বাৰ্ধক্যক গ্ৰহণীয় আৰু প্ৰত্যাহ্বান ৰূপত লৈ জীৱনৰ প্ৰতিটো ক্ষণ দুগুণ উৎসাহেৰে উপভোগ কৰে। অনাসক্ত হৈ সংসাৰৰ

মায়া-মোহ ত্যাগ কৰিব পৰা আত্মবিশ্বাসী বৃদ্ধসকল বাৰ্ধক্যত অধ্যাত্মিক চিন্তা, জীৱনৰ পূৰ্ণতা, সফলতা আৰু সুখী বাৰ্ধক্যৰ ধাৰণাৰে পৰিতৃপ্ত জীৱন অতিবাহিত কৰে।

## ২.১ অসমীয়া মনস্তত্ত্বমূলক উপন্যাস ঃ

স্বৰাজোত্তৰ কালছোৱাত ব্যক্তিচেতনা, সমাজচেতনা, সমাজৰ দুৰ্নীতি, ৰাজনীতি, বৰ্ণবৈষম্য, সাম্প্ৰদায়িকতা, নাৰীজীৱনৰ বিবিধ সমস্যাৰ পৰা ফালৰি কাটি অহা একাংশ ঔপন্যাসিকে জ্ঞাতে-অজ্ঞাতে ফ্ৰয়েড, য়ুং আদি মনস্তত্ত্ববিদসকলৰ যৌন-মনস্তত্ত্বৰ প্ৰতি আকৰ্ষিত হৈ পৰে। এই সময়ছোৱাত ঔপন্যাসিকে মানৱ-মনৰ স্বৰূপ মুকলিকৈ প্ৰকাশ কৰিবলৈ ধৰে। বিংশ শতিকাৰ ষাঠিৰ দশকৰ একাংশ উপন্যাসত ফ্ৰয়েডৰ মনোবিশ্লেষণাত্মক আৰু মনোবিকাৰমূলক সিদ্ধান্তসমূহ অধিক প্ৰবল ৰূপত প্ৰকাশ পায়।[২৭] অসমীয়া কথাসাহিত্যৰ অন্তৰ্গত উপন্যাসত মনস্তাত্ত্বিক আৰু অনিশ্চয়তাত ভোগা চৰিত্ৰৰ মানসিক অন্তৰ্দ্বন্দ্বৰ প্ৰতিফলন প্ৰতীক আৰু কলাত্মক ৰূপত ঔপন্যাসিকে উপন্যাসত চিত্ৰিত কৰিবলৈ লয়। মনস্তত্ত্বৰ কোনো তত্ত্বৰ আধাৰত ৰচিত অথবা মানৱ-মনৰ কোনো এক বিশেষ অৱস্থাৰ অধ্যয়ন বা পৰ্যবেক্ষণ কৰি ৰচনা কৰা উপন্যাসক মনস্তাত্ত্বিক উপন্যাস বোলে।[২৮] ঘটনাত আৰোপিত নিৰ্দিষ্ট চৰিত্ৰৰ মনৰ অন্তৰ্জগতৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াই মনস্তত্ত্বমূলক উপন্যাসৰ মূল কেন্দ্ৰবিন্দু। মানৱ-মনৰ সচেতন, অচেতন আৰু অৱচেতন ৰূপৰ বিশ্লেষণ ঔপন্যাসিকৰ মনস্তত্ত্বমূলক উপন্যাসত প্ৰাণ পাই উঠে। সচেতন মনে যুক্তি, পৰ্যবেক্ষণ আৰু ঘটনাৰ ক্ৰম পৰিণতিত গুৰুত্ব আৰোপ কৰে। মানৱ-মনৰ সচেতন অৱস্থাক লৈ ঔপন্যাসিকে সৃষ্টিশীল দক্ষতাৰে কাহিনী অথবা চৰিত্ৰক মনস্তত্ত্বমূলক উপন্যাসত আকৰ্ষণীয় ৰূপত তুলি ধৰে। এক শ্ৰেণী মনস্তত্ত্বমূলক উপন্যাসত মানৱ-জীৱনৰ অৱচেতন মনত প্ৰদমিত আশা-আকাংক্ষা আৰু সুপ্ত হৈ থকা ইচ্ছা আৰু বাসনাক বাহ্যিক ৰূপ দিবলৈ ঔপন্যাসিকে চৰিত্ৰৰ গহন মনত প্ৰৱেশ কৰিব লগা হয়। মনস্তত্ত্বমূলক উপন্যাসে পঢ়ুৱৈৰ অনুসন্ধিৎসু মনত কৌতূহল আৰু ৰহস্যৰ সৃষ্টি কৰি মনত উৎসুকতা জগাবলৈ চেষ্টা কৰে।

অষ্ট্ৰিয়াৰ ফ্ৰেইবাৰ্গৰ মহান মনোবিজ্ঞানী ছিগমণ্ড ফ্ৰয়েডে (Sigmund Freud) মনোৰোগ

২৭। সত্যেন্দ্ৰনাথ শৰ্মা, *অসমীয়া উপন্যাসৰ গতিধাৰা,* পৃ. ১৯

২৮। গোবিন্দ প্ৰসাদ শৰ্মা, *উপন্যাস আৰু অসমীয়া উপন্যাস,* পৃ. ২৮১

চিকিৎসাৰ অৰ্থে ‘মনঃসমীক্ষণ’ (Psychoanalysis) নামৰ এক পদ্ধতিৰ বিকাশত গুৰুত্ব দিয়ে। তেওঁৰ মতে মনঃসমীক্ষণেই মানুহৰ অচেতন মনৰ প্ৰতিক্ৰিয়া আৰু তাৰ ফলত সৃষ্টি হোৱা মনোব্যাধিৰ কাৰক।[২৯] ফ্ৰয়েডৰ মনঃসমীক্ষণৰ মতে চেতন মন বা সচেতন অৱস্থাই মনক সদায় সজাগ কৰি ৰাখে। এটা চিন্তাৰ লগত আন এটা চিন্তাৰ যোগসূত্ৰ স্থাপনত চেতন মনৰ শৃংখলাৱদ্ধতাই অসুবিধা আনে। সচেতন মনৰ চিন্তা খন্তেকীয়া; সময়ৰ ব্যৱধানে সেই স্মৃতি অচেতন মনলৈ লৈ যাব পাৰে বা ইচ্ছাশক্তিৰ বলত মনে পুনৰ সেই অৱস্থা ৰোমন্থন কৰি সচেতন অৱস্থালৈও আনিব পাৰে।[৩০] অৱচেতন মন হ’ল সচেতন আৰু অচেতন মনৰ দোমোজাৰ অৱস্থা। মনৰ স্মৃতিত থকা বিষয়বোৰ পুনৰ মনলৈ অনাৰ আপ্ৰাণ চেষ্টাই মনৰ অৱচেতন অৱস্থা। অচেতন মনৰ কথা সচেতন মনে ইচ্ছাশক্তিৰ বলত সহজ প্ৰয়াসেৰে মনলৈ আনিবও পাৰে বা কেতিয়াবা সেই স্মৃতি ৰোমন্থনেৰে অনাটো সম্ভৱ নহ’বও পাৰে। সেইবাবে অৱচেতন মনৰ চিন্তা আৰু বিষয়বোৰ বৰ্ণনাত্মক বোধেৰে সুপ্ত, কিন্তু গতিশীলতাৰে সুপ্ত নহয়।[৩১] আনহাতে অচেতন মন হ’ল মনৰ এক অন্ধকাৰ অৱস্থা। মূল প্ৰবৃত্তি ইড (Id), অহং (Ego) আৰু পৰম অহং (Super-ego)— চেতনাৰ এই তিনি স্তৰক কেন্দ্ৰ কৰি ব্যক্তিৰ ব্যক্তিত্ব প্ৰতিষ্ঠা হয়। ফ্ৰয়েড, য়ুং, বাৰ্গছ, এডলাৰ আদি মনোবিজ্ঞানীয়ে ব্যক্তিৰ মনস্তত্ত্ব সম্পৰ্কে অনুসন্ধান চলাই জন্মৰ পৰা বিকাশ লাভ কৰা চেতনাৰ বহু দিশ মুকলি কৰিছে। ব্যক্তিৰ চেতনা বহুতৰপীয়া আৰু নিৰৱচ্ছিন্ন। ব্যক্তিভেদে মানুহৰ ভাব-চিন্তাৰ স্বকীয়তাৰ ভিন্নতাও তেওঁলোকৰ গৱেষণাই স্পষ্ট কৰিছে। প্ৰদমিত মনৰ আশা-আকাংক্ষাই ব্যক্তিৰ চৰিত্ৰ আৰু বাহ্যিক আচৰণত প্ৰভাৱ বিস্তাৰ কৰাৰ তথ্য মনস্তত্ত্ববিদসকলৰ গৱেষণাই প্ৰমাণ দিয়ে। মনস্তত্ত্বমূলক উপন্যাসত চৰিত্ৰৰ অৱদমিত ভাব-চিন্তাৰ অস্বাভাৱিকতাৰ বিষয়ে বিশেষ পৰ্যবেক্ষণ কৰা হয়।[৩২] ব্যক্তিৰ মনৰ ভাব-প্ৰবৃত্তিৰ অভিব্যক্তিয়েই অসমীয়া স্বাভাৱিক মনস্তত্ত্বমূলক উপন্যাসৰ প্ৰধান বিষয়বস্তু। আনহাতে মনৰ সুপ্ত প্ৰবৃত্তিক জাগ্ৰত ৰূপত তুলি ধৰা সমাজৰ অগ্ৰহণীয় আচৰণক জটিলতাৰে অংকন কৰা এক শ্ৰেণী মনস্তত্ত্বমূলক

২৯। C.W Valentine, *The New Psychology of the Unconscious*, p. 21

৩০। S.Freud, *The Ego and the Id*, p.12

৩১। ibid.

৩২। শৈলেন ভৰালী, *উপন্যাস বিচাৰ আৰু বিশ্লেষণ*, পৃ. ২৩

উপন্যাসক অস্বাভাৱিক মনস্তত্ত্বমূলক উপন্যাস বোলা হয়। মনোবিকাৰ বা চিত্তভ্ৰংশৰ বৈশিষ্ট্যসমূহ স্বাভাৱিক আৰু অস্বাভাৱিক দুয়োবিধ মনস্তত্ত্বমূলক উপন্যাসতে দৃষ্টিগোচৰ হয়। মনোবিকাৰ ৰোগৰ বৰ্ণনা আৰু সেই ৰোগৰ চিকিৎসাপদ্ধতিৰ সবিশেষ বৃত্তান্ত মনস্তত্ত্বমূলক উপন্যাসত বিস্তৃত ৰূপত পোৱা যায়। অস্বাভাৱিক মনৰ বিপৰীতে মনৰ ভাব, অনুভূতিসমূহ সাধাৰণ ৰূপত যিবোৰ উপন্যাসত দেখা যায় সেইসমূহ উপন্যাসক স্বাভাৱিক মনস্তত্ত্বমূলক উপন্যাস বোলে। স্বাভাৱিক মনস্তত্ত্বমূলক উপন্যাসত কেতিয়াবা অস্বাভাৱিক মনস্তত্ত্বৰ বৈশিষ্ট্যও ফুটি উঠা অসম্ভৱ নহয়। *অসমীয়া উপন্যাসৰ গতিধাৰা* শীৰ্ষক গ্ৰন্থত সত্যেন্দ্ৰনাথ শৰ্মাই অস্বাভাৱিক মনস্তত্ত্বমূলক উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ উল্লেখ কৰিছে।[৩৩]

স্বাভাৱিক বা অস্বাভাৱিক মনস্তত্ত্ব বুলি মনস্তত্ত্বত কোনো সুকীয়া বিভাজন কিন্তু প্ৰকৃততে দেখা নাযায়। সেইফালৰ পৰা অসমীয়া উপন্যাসত তেনে বিভাজন প্ৰযোজ্য নহয়। সত্যেন্দ্ৰনাথ শৰ্মাই অস্বাভাৱিক মনস্তত্ত্বমূলক উপন্যাসৰ নিদৰ্শন বহুকেইখন অসমীয়া মনস্তত্ত্বমূলক উপন্যাসত তুলি ধৰিছে। তদুপৰি তেওঁ স্বাভাৱিক মনস্তত্ত্বমূলক উপন্যাসত অস্বাভাৱিক মনস্তত্ত্বমূলক উপন্যাসৰ লক্ষণ প্ৰকট হোৱাৰ যুক্তিও দাঙি ধৰিছে। সেই ভিত্তিত মনস্তত্ত্বমূলক উপন্যাসৰ শ্ৰেণীবিভাজন থকা কথাটো নুই কৰিব নোৱাৰি।

সতেন্দ্ৰনাথ শৰ্মাই বিংশ শতিকাৰ অসমীয়া উপন্যাসত অচেতন আৰু অৱচেতন মনৰ অৱদমিত চেতনাই কেনেদৰে মনৰ সুপ্ত আশা-বাসনাক জগাই তুলিছে সেই বিষয়ে তথ্যসহকাৰে মনস্তত্ত্বমূলক উপন্যাসকেইখনত দাঙি ধৰিছে। অসমীয়া সীমিতসংখ্যক অস্বাভাৱিক মনস্তত্ত্বমূলক উপন্যাসত মনোৰোগ

৩৩। স্মৃতিলোপ (amnesia), ৰাচাঘাত (apahsia), ভ্ৰম (delusion), চিত্তভ্ৰংশ বাতুলতা (dementia), দ্বৈত ব্যক্তিত্ব (dual personality), পিতৃকামী গূঢ়ৈষা (electra complex), মাতৃকামী গূঢ়ৈষা (oedipus complex), কাম প্ৰতীক (fetish), আত্মপীড়নেচ্ছা (masochism), আত্মৰতি (narcissim), পৰপীড়নেচ্ছা (sadism), মনোগ্ৰস্ততা (obession), সংবিভ্ৰম (paranoia), কামবিকৃতি (sex perversion), আতংক (phobia), প্ৰদমন (repression), মনোবিকলন (schizophrenia), উৎকট কায়িক আত্মপ্ৰাধান্য প্ৰচেষ্টা (somatotonia), কামবাসনা (libido), অহংমন্যতা (megalomania)।

সত্যেন্দ্ৰনাথ শৰ্মা, পূৰ্বোল্লিখিত, পৃ. ২৬৭-২৬৮

আৰু যৌন বিকৃতিত ভোগা চৰিত্ৰৰ মানসিক অন্তৰ্দ্বন্দ্ব একাংশ ঔপন্যাসিকে অসমীয়া উপন্যাসত তুলি ধৰিছে। অসমীয়া মনস্তত্ত্বমূলক উপন্যাসৰ এটি চমু পৰিচয়মূলক বিশ্লেষণ তলত আগবঢ়াবলৈ প্ৰয়াস কৰা হ'ল।

অসমীয়া মনস্তত্ত্বমূলক উপন্যাসৰ ক্ষেত্ৰখনত প্ৰথমেই প্ৰফুল্লদত্ত গোস্বামীৰ *কেঁচা পাতৰ কঁপনি* (১৯৫২) উপন্যাসখনৰ কথা উল্লেখ কৰিব পাৰি। শৈলেন ভৰালীয়ে *কেঁচা পাতৰ কঁপনি* উপন্যাসক স্বাভাৱিক মনস্তাত্ত্বিক উপন্যাসৰ দৰে চেতনা বহুমাত্ৰিক নহ'লেও চেতনাৰ প্ৰবাহ যে বিদ্যমান, সেই কথা স্বীকাৰ কৰিছে।[৩৪] গোবিন্দ প্ৰসাদ শৰ্মাই *কেঁচা পাতৰ কঁপনি* উপন্যাসখনৰ চেতনা বহুমাত্ৰিক নহয় আৰু আধুনিক ধাৰণাৰ মতে সময় নিৰৱচ্ছিন্নভাৱে বৈ নাযায় বুলি মন্তব্য দিছে।[৩৫] মনস্তত্ত্বমূলক উপন্যাসত চেতনাপ্ৰবাহ বিদ্যমান হোৱাৰ লগতে চেতনা বহুমাত্ৰিক আৰু সময় আধুনিক ধাৰণাৰে নিৰৱচ্ছিন্নভাৱে প্ৰবাহমান হ'ব লাগে বুলি যুক্তি আগবঢ়াইছে। চেতনাৰ প্ৰবাহ বিদ্যমান অৰ্থত উপন্যাসখন মনস্তত্ত্বমূলক বুলিব পাৰি।

অসমীয়া মনস্তত্ত্বমূলক উপন্যাস ৰচোঁতা আন এগৰাকী ঔপন্যাসিক চৈয়দ আব্দুল মালিক। মালিকৰ উপন্যাসসমূহ মূলতঃ নৰ-নাৰীৰ ৰোমাণ্টিক প্ৰেমৰ হ'লেও তেওঁৰ 'দুখনমান উপন্যাসত অস্বাভাৱিক মনস্তত্ত্বইহে প্ৰাধান্য লভিছে'।[৩৬] মালিকৰ মনস্তত্ত্বমূলক উপন্যাসসমূহৰ ভিতৰত *ৰজনীগন্ধাৰ চকুলো* (১৯৬৭), *ত্ৰিশূল* (১৯৬৮), *কবিতাৰ নাম লাভা* (১৯৬৯), *সোণালী সূতাৰে বন্ধা* (১৯৭২), *প্ৰাচীৰ আৰু প্ৰান্তৰ* (১৯৬৮), *অঘৰী আত্মাৰ কাহিনী* (১৯৬৯) আৰু *এটা সূৰ্য, দুখন নদী আৰু এখন মৰুভূমি* (১৯৭২) উল্লেখযোগ্য। *ৰজনীগন্ধাৰ চকুলো* উপন্যাসত সৌন্দৰ্যৰ কায়িক আত্মপ্ৰশংসাৰে আত্মগৌৰৱী এগৰাকী বোৱাৰীৰ সদাসচেতন মনোভাব দেখা যায়। স্বামীৰ উদাসীন স্বভাৱৰ বাবে নাৰীগৰাকীৰ বাসনাত পৰপুৰুষৰ প্ৰশংসাৰ প্ৰদমন সুপ্ত হৈ থাকে। আত্মসৌন্দৰ্যৰ প্ৰতি থকা অহং ভাব, আত্মপ্ৰশংসা, আভিজাত্যৰ মানসিক পৰিতৃপ্তিৰ বাবে মালিকৰ *ৰজনীগন্ধাৰ চকুলো* এখনি মনস্তত্ত্বমূলক উপন্যাস। মালিকৰ আন এখন উপন্যাস *ত্ৰিশূলত* মানসিক ৰোগ, অন্তৰ্দ্বন্দ্ব আৰু আত্মহত্যাৰ বৰ্ণনা

৩৪। শৈলেন ভৰালী, পূৰ্বোল্লিখিত, পৃ. ১৮

৩৫। হোমেন বৰগোহাঞি, *অসমীয়া সাহিত্যৰ বুৰঞ্জী*, ষষ্ঠ খণ্ড (পৰিৱৰ্ধিত সংস্কৰণ), পৃ. ১২৩

৩৬। সত্যেন্দ্ৰনাথ শৰ্মা, পূৰ্বোল্লিখিত, পৃ. ২৬৯

পোৱা যায়। মানসিক ৰোগ মনোবিকলনত (Schizophrenia) আক্ৰান্ত ৰোগীৰ চৰিত্ৰ চিত্ৰণত গুৰুত্ব দিয়াৰ বাবে উপন্যাসখনক মনস্তত্ত্বমূলক উপন্যাস হিচাপে স্বীকৃতি দিয়া হৈছে।[৩৭] *কবিতাৰ নাম লাভা* মালিকৰ আন এখন মনস্তত্ত্বমূলক উপন্যাস। প্ৰেম আৰু যৌনতাক প্ৰাধান্য দিয়া উপন্যাসখনত মনস্তাত্ত্বিক সংঘাতৰ বিশ্লেষণ পোৱা যায়।*সোণালী সূতাৰে বন্ধা* উপন্যাসত মাতৃত্বৰ গৌৰৱেৰে আত্মসুখী হ'বলৈ হাবিয়াস কৰা এগৰাকী নাৰীৰ অপৰাধপ্ৰৱণতাৰ মনোদ্বন্দ্ব প্ৰকাশ পাইছে। সন্তান লাভৰ আশাত জীৱনৰ অনিশ্চয়তাত ভোগা নাৰীগৰাকীৰ মনোবেদনা উপন্যাসখনত চিত্ৰিত কৰা হৈছে। চাহ বাগিচাৰ মালিক দম্পতীৰ মনোবিকলতাসম্ভূত মালিকৰ আন এখন মনস্তত্ত্বমূলক উপন্যাস *প্ৰাচীৰ আৰু প্ৰান্তৰ*। নাৰ্চিছাছ প্ৰকৃতিৰ পত্নীৰ আচৰণত তুষ্ট এগৰাকী স্বামীৰ ধৰ্ষণকামী মনোবৃত্তি আৰু পাশৱিক তৃপ্তিৰ বৰ্ণনা উপন্যাসখনত পোৱা যায়। অৱশেষত ধৰ্ষণকামী স্বামীগৰাকী নাৰীহত্যাৰ অভিযোগত অপৰাধী হৈ পৰে। *অঘৰী আত্মাৰ কাহিনী* আৰু *এটা সূৰ্য, দুখন নদী আৰু এখন মৰুভূমি* মালিকৰ আন দুখন মনস্তত্ত্বমূলক উপন্যাস। প্ৰথমখনত যৌন-মনস্তত্ত্ব আৰু দ্বিতীয়খন উপন্যাসত প্ৰেমজনিত স্খলনে বৃদ্ধ লোকৰ মনলৈ অনা হতাশাৰ উমান দিয়ে।

অস্তিত্বৰ প্ৰৱাহক কেন্দ্ৰবিন্দু হিচাপে লৈ ৰচনা কৰা বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ *নষ্টচন্দ্ৰ* (১৯৬৮) এখন মনস্তাত্ত্বিক উপন্যাস।[৩৮] মানৱ-মনৰ জৈৱিক তাড়নাই বাৰ্ধক্যত কেনে মানসিক অন্তৰ্দ্বন্দ্বৰ সৃষ্টি কৰে, তাৰেই বাস্তৱ ৰূপ উপন্যাসখনত ফুটাই তোলা হৈছে। সময়ৰ নিৰৱচ্ছিন্ন গতি, চৰিত্ৰৰ বহুধাবিভক্ত চেতনা আৰু বিচ্ছিন্নতাই উপন্যাসখনৰ নায়ক বৃদ্ধ চৰিত্ৰটোৰ যৌন চেতনা মুকলিকৈ প্ৰকাশ কৰাত সহায় কৰিছে। সেইবাবে উপন্যাসখনক বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ অন্তৰ্ভুক্ত কৰা হৈছে।

ঐতিহাসিক উপন্যাসৰূপে পৰিগণিত নৱকান্ত বৰুৱাৰ *ককাদেউতাৰ হাড়* (১৯৭৩) উপন্যাসখনত কথক বৃদ্ধা আইতাৰ গতিশীল জীৱনত বাৰ্ধক্যৰ চেতনা অংকন কৰা হৈছে। অতীতৰ ভেটিত বৰ্তমানক প্ৰতিষ্ঠা কৰা উপন্যাসখনত এগৰাকী বৃদ্ধাৰ জীৱনৰ অভিজ্ঞতা, অতীতৰ স্মৃতি ৰোমন্থন আৰু অতীতে চাপ পেলোৱা মনৰ অন্তৰ্দ্বন্দ্বত ভৱিষ্যৎ জীৱনৰ প্ৰতি সন্দিহান প্ৰকট হৈ উঠিছে। ঐতিহাসিক স্বৰূপৰ

---

৩৭। উল্লিখিত

৩৮। প্ৰফুল্ল কটকী, *স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা*, পৃ. ৭০

লগতে বৃদ্ধাগৰাকীৰ মনস্তাত্ত্বিক দিশৰ প্ৰতিফলন উপন্যাসখনত দেখা যায়।

অসমীয়া মনস্তত্ত্বমূলক উপন্যাসত ফ্ৰয়েডীয় আৰু অস্বাভাৱিক মনস্তত্ত্বৰ প্ৰতিফলন ঘটোৱা আন এগৰাকী ঔপন্যাসিক পদ্ম বৰকটকী। বৰকটকীৰ *নজ্বলা ধূপৰ ইতিহাস* (১৯৬৭) উপন্যাসত পৰম্পৰাগত ভাৰতীয় সতীসাধ্বী এগৰাকী নাৰীৰ আদৰ্শৰ স্খলন আৰু আত্মহত্যাৰ বৰ্ণনা পোৱা যায়। মনোৰোগে প্ৰাধান্য পোৱা উপন্যাসখনত মনস্তত্ত্বৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। মানসিক ৰোগক প্ৰাধান্য দিয়া বৰকটকীৰ *দুষ্মন্তৰ চুমা* (১৯৭০) উপন্যাসত পিতৃৰ মৰমৰ বাহিৰে আনক ভাবিব নোৱৰা এগৰাকী জীয়াৰীৰ পিতৃনিৰদ্ধ (father fixationed) চৰিত্ৰৰ প্ৰতিফলন দেখা যায়।[৩৯] বৰকটকীৰ *এটি ক্ষণ মাগোঁ মই, অবিবাহিতাৰ মন, জীৱন-এষণা* আদি বহুকেইখন উপন্যাসত মনস্তাত্ত্বিক নিদৰ্শন পৰিদৃষ্ট হৈছে। *এটি ক্ষণ মাগোঁ মই* উপন্যাসত ছোৱালী মহাবিদ্যালয়ৰ এগৰাকী অধ্যক্ষাৰ আদৰ্শৰ স্খলন আৰু মনৰ জটিলতা প্ৰত্যক্ষ কৰা হৈছে। বিবাহ উপযুক্ত কন্যাৰ প্ৰতি পৰিয়ালৰ অমনোযোগিতা আৰু পৰিস্থিতিত সৃষ্টি হোৱা মনোৰোগৰ পৰিচয় বৰকটকীয়ে *অবিবাহিতাৰ মন* উপন্যাসত দাঙি ধৰিছে। বৰকটকীৰ আন এখন উপন্যাস *জীৱন-এষণাত* এগৰাকী বিবাহিতা নাৰীৰ প্ৰতাৰক স্বামীৰ প্ৰতি থকা ক্ষোভ আৰু সেই ক্ষোভৰ উদ্‌গীৰণে সৃষ্টি কৰা মনোবিকাৰৰ বৰ্ণনা পোৱা যায়।

'পশুপতি ভৰদ্বাজ' ছদ্মনামত ৰচিত উমাকান্ত শৰ্মাৰ *উৰন্ত মেঘৰ ছাঁ* (১৯৬০) আন এখন মনস্তত্ত্বমূলক উপন্যাস। উপন্যাসখনত স্বামীৰ স্নেহবঞ্চিত এগৰাকী পত্নীৰ মানসিক ৰোগৰ পৰিচয় পোৱা যায়। মনস্তত্ত্বমূলক উপন্যাসৰ ক্ষেত্ৰত ৰোহিণী কুমাৰ কাকতিৰ *শেঁতা ৰ'দ* (১৯৬২), *ভগ্নাংশ* (১৯৬৯) আৰু *সাগৰ, সুঁতি আৰু ক্লান্তি* উল্লেখযোগ্য। নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহৰ* বিজয় ভৰালীৰ দৰে এজন অক্ষম, অকলশৰীয়া বুঢ়া মানুহৰ মননশীল ৰূপৰ সূক্ষ্ম অভিব্যক্তি *শেঁতা ৰ'দ* উপন্যাসত পৰিলক্ষিত হৈছে। "অৱসৰপ্ৰাপ্ত শিক্ষকজনে কিদৰে শেষ বয়সত জীৱনৰ ওপৰত ধিক্কাৰ দি মস্তিষ্কৰ ভাৰসাম্য হেৰুৱাই পেলাইছে তাকেই হৃদয়স্পৰ্শী ৰূপত উপন্যাসখনত বৰ্ণনা কৰা হৈছে।"[৪০] কাকতিৰ *শেঁতা ৰ'দ* উপন্যাসৰ বৃদ্ধ চৰিত্ৰটোৰ মানসিক অন্তৰ্দ্বন্দ্বৰ বাবেই ইয়াক বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস হিচাপে বিচাৰ কৰাৰ

---

৩৯। সত্যেন্দ্ৰ নাথ শৰ্মা, পূৰ্বোল্লিখিত, পৃ. ২৭১

৪০। বীৰেন্দ্ৰকুমাৰ (সম্পা.) ভট্টাচাৰ্য্য, *ৰামধেনু*, মাঘ ১৮৮৪ শক,১৫শ বছৰ, দশম সংখ্যা, জেঠ ১৮৮৪ শক, পৃ. ১০২৯

অৱকাশ আছে। *ভগ্নাংশ* উপন্যাসত চৰিত্ৰৰ মানসিক অন্তৰ্দ্বন্দ্ব আওপকীয়াকৈ প্ৰকাশ পোৱাৰ লগতে সুচিন্তাই কুচিন্তাক কিদৰে জয় কৰিছে তাৰেই মানসিক বিশ্লেষণ দাঙি ধৰিছে। "মনস্তাত্ত্বিক বৈশিষ্ট্য বিদ্যমান *সাগৰ, সুঁতি আৰু ক্লান্তি* কাকতিৰ জটিল কাহিনী বিদ্যমান আন এখনি মনস্তত্ত্বমূলক উপন্যাস।"[৪১]

অসমীয়া মনস্তত্ত্বমূলক উপন্যাসলৈ অৱদান আগবঢ়োৱা আন এগৰাকী ঔপন্যাসিক নিৰোদ চৌধুৰী। বাস্তৱ ঘটনা একোটাক সংঘাতময় অন্তৰ্দ্বন্দ্বৰে মনস্তাত্ত্বিক ৰূপ দিয়া নিৰোদ চৌধুৰীৰ উপন্যাসসমূহ কিছু ব্যতিক্ৰমী।[৪২] অসমীয়া মনস্তত্ত্বমূলক উপন্যাসলৈ চৌধুৰীৰ মূল্যৱান অৱদান হ'ল— *দেহদেউল* (১৯৬৮), *বনহংস* (১৯৬৯), *চাইকেডেলিক ঢেঁকীয়া, বীজাণু, হাচনাহানা, স্মৃতিগন্ধা, কালহীৰা* (১৯৭০), *স্তব্ধ বৃন্দাবন* (১৯৬৮) আৰু *কুঁৰলীৰ আখৰ* (১৯৬৯)। চৌধুৰীৰ *দেহদেউল* উপন্যাসত জীৱন-সংঘাতত জুৰুলা হোৱা এগৰাকী নাৰীৰ মনোবেদনা বৰ্ণিত হৈছে। দৰিদ্ৰ জীৱনৰ কাৰুণ্য আৰু সমাজৰ লোকৰ আচৰণত ক্ষুব্ধ এগৰাকী নাৰীয়ে বেশ্যাবৃত্তিক অৰ্থ উপাৰ্জনৰ সম্বল কৰি ল'লেও পাছলৈ অচিন ৰোগত আক্ৰান্ত হৈ মানসিক অন্তৰ্দ্বন্দ্বৰে আত্মহত্যাৰ পথ বাছি লৈছে। নিৰোদ চৌধুৰীৰ *বনহংস* অস্বাভাৱিক মনস্তত্ত্বৰ পটভূমিত ৰচিত উপন্যাস।[৪৩] আত্মৰতিমূলক এগৰাকী বিবাহিত নাৰীয়ে সৌন্দৰ্য ম্লান পৰাৰ ভয়ত অবাঞ্ছিত এটি কন্যা সন্তান জন্ম দিয়ে। মাতৃৰ উচ্ছৃংখল আচৰণৰ বাবে সন্তানটিৰ মনলৈ অহা হতাশা আৰু নিঃসংগতাৰ মনোবেদনা উপন্যাসখনত তুলি ধৰিছে। মনৰ জটিলতাই অকৃত্ৰিম পৰিস্থিতিত জীৱন যাপন কৰা সন্তানটিক 'বনহংস' বুলি ভাবিবলৈ বাধ্য কৰিছে। আৰ্থিক অনাটনে জুৰুলা কৰা আদৰ্শৱান যুৱকৰ মনোদ্বন্দ্ব প্ৰকাশিত চৌধুৰীৰ আন এখন মনস্তত্ত্বমূলক উপন্যাস *চাইকেডেলিক ঢেঁকীয়া*। দৰিদ্ৰ, অনুভূতিপ্ৰৱণ যুৱক এজনৰ চৰিত্ৰৰ মনস্তাত্ত্বিক বিশ্লেষণৰ বৰ্ণনা উপন্যাসখনত অংকন কৰিছে। *বীজাণু* শীৰ্ষক মনস্তত্ত্বমূলক উপন্যাসত এজন নিবনুৱা যুৱকৰ অতীত আৰু বৰ্তমানৰ মানসিক অন্তৰ্দ্বন্দ্বৰ যন্ত্ৰণা, অৱসাদ, হতাশাগ্ৰস্ত চিত্ৰৰ প্ৰতিফলন ঘটা দেখা যায়। উপন্যাসখনত মনস্তাত্ত্বিক দিশ আৰু চেতনাপ্ৰবাহৰ

৪১। প্ৰফুল্ল কটকী, পূৰ্বোল্লিখিত, পৃ. ১৪৮

৪২। উল্লিখিত, পৃ. ১১৪

৪৩। সত্যেন্দ্ৰ নাথ শৰ্মা, পূৰ্বোল্লিখিত, পৃ. ২৭৩

দিশ উল্লেখনীয় ৰূপত ধৰা দিছে।[৪৪] তদুপৰি চৌধুৰীৰ *হাচনাহানা* উপন্যাসত এগৰাকী নাৰীৰ জীৱনৰ কাৰুণ্য আৰু *স্মৃতিগন্ধাত* শিশু-মনস্তত্ত্বৰ দিশটো বলিষ্ঠ ৰূপত উপস্থাপন কৰিছে।[৪৫] *স্তব্ধ বৃন্দাবন*, *কুঁৱলীৰ আখৰ*— এই দুখন উপন্যাসত চৌধুৰীয়ে বৃদ্ধ লোকৰ মানসিক অন্তৰ্দ্বন্দ্বৰ কৰুণ চিত্ৰ ফুটাই তুলিছে। এগৰাকী বৃদ্ধই কম বয়সীয়া পত্নীক জীৱনসংগী কৰি লোৱাৰ আত্ম-অনুশোচনাৰ নিৰ্মম বৰ্ণনা *স্তব্ধ বৃন্দাবন* শীৰ্ষক মনস্তত্ত্বমূলক উপন্যাসত পোৱা যায়। *কুঁৱলীৰ আখৰ* উপন্যাসত অৱসৰপ্ৰাপ্ত বৃদ্ধ পিতৃয়ে জীয়াৰীহঁতৰ সাংসাৰিক জীৱনৰ অশান্তিত অসুখী হোৱা মনৰ প্ৰতিচ্ছৱি ফুটি উঠিছে। বৃদ্ধ লোকৰ মনস্তাত্ত্বিক দিশত গুৰুত্ব দিয়া *স্তব্ধ বৃন্দাবন* আৰু *কুঁৱলীৰ আখৰ* দুয়োখন উপন্যাসকে বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ অন্তৰ্ভুক্ত কৰা হৈছে।

অস্বাভাৱিক মনৰ উৎকণ্ঠা বৰ্ণিত কুমাৰ কিশোৰৰ মনস্তত্ত্বমূলক উপন্যাসকেইখন হ'ল— *এমুঠি তৰাৰ জিলমিল* (১৯৬৪), *বন্যা ধৌত ব-দ্বীপ* (১৯৬৬), *কিংকিণীৰ কলংক* (১৯৭০)। "যৌন জীৱনৰ অভিব্যক্তি আৰু মনস্তাত্ত্বিক দিশৰ প্ৰতিফলন কুমাৰ কিশোৰৰ উপন্যাসৰ বৈশিষ্ট্য।"[৪৬] জীৱনৰ মানসিক সংঘাতত উন্মাদ হৈ ৰাঁচীৰ চিকিৎসালয়ত ভৰ্তি হোৱা ছজন মনোৰোগীৰ উন্মাদ হোৱাৰ কাৰণ, চিকিৎসাৰ পদ্ধতি আৰু আৰোগ্য হোৱাৰ সবিশেষ ৰূপ *এমুঠি তৰাৰ জিলমিল* উপন্যাসখনত দাঙি ধৰা হৈছে।[৪৭] কুমাৰ কিশোৰৰ *বন্যা ধৌত ব-দ্বীপ* উপন্যাসত পৰ নাৰীৰ লগত অবৈধ সম্পৰ্কৰ বাবে পত্নী আৰু কন্যাক হত্যা কৰা এজন মস্তিষ্কবিকৃত পুৰুষৰ মনস্তাত্ত্বিক দিশৰ বিশ্লেষণ পোৱা যায়। *কিংকিণীৰ কলংক* শীৰ্ষক আন এখন উপন্যাসত মনৰ অপৰাধপ্ৰৱণতা আৰু মনোৰোগৰ চিত্ৰ ফুটি উঠিছে।

ঔপন্যাসিক মহিম বৰাৰ এখন মনস্তত্ত্বমূলক উপন্যাস *হেৰুৱা দিগন্তৰ মায়া* (১৯৭৩)। মিছা আশ্বাসেৰে মাতৃত্বৰ পথলৈ ঠেলি দিয়া এজন পুৰুষৰ প্ৰৱঞ্চনা আৰু অতীতৰ স্মৃতিয়ে বৰ্তমানত মানসিক জটিলতাৰ কাৰণ হৈ ধৰা দিয়াটো উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে।

---

৪৪। প্ৰফুল্ল কটকী, পূৰ্বোল্লিখিত, পৃ. ১৩০

৪৫। উল্লিখিত, পৃ. ১৩১

৪৬। লীলা গগৈ, *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়*, পৃ. ২৮০

৪৭। সত্যেন্দ্ৰ নাথ শৰ্মা, পূৰ্বোল্লিখিত, পৃ. ২৭৪

অৰুণাচলী জনজাতিৰ পটভূমিত ৰচিত লুম্মেৰ দাইৰ *মন আৰু মন* (১৯৬৮) উপন্যাসত এগৰাকী নিঃসংগ বৃদ্ধাৰ মানসিক বেদনাই পঢ়ুৱৈৰ মনত সৃষ্টি কৰা প্ৰতিক্ৰিয়াৰ বৰ্ণনা পোৱা যায়। বৃদ্ধাগৰাকীৰ চৰিত্ৰৰ আৱেগিক আৰু মননশীল ৰূপ চিত্ৰণৰ বাবে উপন্যাসখনক বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ অন্তৰ্ভুক্ত কৰা হৈছে।[৪৮]

পাশ্চাত্য সাহিত্যৰ দ্বাৰা অনুপ্ৰাণিত হোমেন বৰগোহাঞিৰ *তান্ত্ৰিক* (১৯৬৭), *অস্তৰাগ* (১৯৮৬) আৰু *সাউদৰ পুতেকে নাও মেলি যায়* (১৯৮৭) উপন্যাসকেইখনৰ কাহিনী ব্যতিক্ৰমী আৰু প্ৰত্যেকখনতে মনস্তাত্ত্বিক লক্ষণ বিদ্যমান।[৪৯] বৰগোহাঞিৰ *তান্ত্ৰিক* উপন্যাসত জীৱন আৰু জগত সম্পৰ্কীয় ৰহস্যৰ দ্বন্দ্ব ফুটি উঠিছে। উপন্যাসখন স্বাভাৱিক আৰু অস্বাভাৱিক দুয়োবিধ মনস্তত্ত্বমূলক উপন্যাসৰ দৃষ্টিৰে আলোচনা কৰিব পৰা থল আছে।[৫০] জীৱনৰ ৰহস্য প্ৰকাশিত বৰগোহাঞিৰ বাৰ্ধক্য প্ৰসংগীয় এখন বাস্তৱবাদী আৰু মনস্তত্ত্বমূলক উপন্যাস *অস্তৰাগ*। ব্ৰহ্মাণ্ডৰ জটিল ৰহস্যৰ সন্ধান নোপোৱা মানুহে জন্ম-মৃত্যুৰ মাজেৰে পৃথিৱীলৈ অহা-যোৱা কৰি থাকে। চিৰাচৰিত এই গতিত বাৰ্ধক্যই কেনে ভূমিকা লয় তাৰেই স্বৰূপ অধ্যাপক পুত্ৰ আৰু বৃদ্ধ পিতৃৰ মনস্তত্ত্বৰ মাজেৰে উপন্যাসখনত ফুটাই তুলিছে। ব্যতিক্ৰমধৰ্মী কিশোৰ মনস্তত্ত্ব প্ৰতিফলিত বৰগোহাঞিৰ আন এখনি উপন্যাস *সাউদৰ পুতেকে নাও মেলি যায়*। শিশু বা কৈশোৰ মনৰ জিজ্ঞাসাই উপ্যাসখনৰ মনস্তাত্ত্বিক দিশটোত গুৰুত্ব দিছে। বৰগোহাঞিৰ *পিতা-পুত্ৰ* (১৯৭৫), *নিঃসংগতা* (২০০০), *বিষণ্ণতা* (২০০২) আৰু *এদিনৰ ডায়েৰী* (২০০৩) আটাইকেইখন উপন্যাসতে মনস্তাত্ত্বিক প্ৰভাৱৰ স্পষ্টকৈ প্ৰতিফলন ঘটিছে। এগৰাকী প্ৰৌঢ় আৰু মানসিক বৃদ্ধ পিতৃৰ অভিজ্ঞতালব্ধ জীৱনচেতনা আৰু মানসিক অন্তৰ্দ্বন্দ্ব বৰগোহাঞিৰ *পিতা-পুত্ৰ* উপন্যাসত বৰ্ণিত হৈছে। উপন্যাসখনক বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ অন্তৰ্ভুক্ত কৰিব পৰাৰ সম্ভাব্য থল আছে। বৰগোহাঞিৰ *নিঃসংগতা, বিষণ্ণতা*— এই দুখন উপন্যাসতো মনস্তাত্ত্বিক দিশৰ প্ৰতিফলন দেখা যায়। বৰগোহাঞিৰ *এদিনৰ ডায়েৰী* উপন্যাসত বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ

৪৮। প্ৰফুল্ল কটকী, পূৰ্বোল্লিখিত, পৃ. ১৭৬

৪৯। নগেন ঠাকুৰ (সম্পা.), *এশ বছৰৰ অসমীয়া উপন্যাস,* পৃ. ৫২৭

৫০। সত্যেন্দ্ৰ নাথ শৰ্মা, পূৰ্বোল্লিখিত, পৃ. ২৬৮

বহুকেইটা কাৰক দৃষ্টিগোচৰ হৈছে। সেইবাবে এইখন উপন্যাসকো বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ অন্তৰ্ভুক্ত কৰিব পৰা যায়।

পাশ্চাত্য মহিলা কবি জেন অষ্টিনৰ দৰে পাৰিবাৰিক সমস্যাৰ দিশত গুৰুত্ব আৰোপ কৰা অসমীয়া মহিলা ঔপন্যাসিক নিৰুপমা বৰগোহাঞিৰ উপন্যাসসমূহ মূলতঃ নাৰীজীৱনৰ বিভিন্ন সমস্যা তথা নাৰী-মনস্তত্ত্বমূলক।[৫১] সমাজ-বাস্তৱতাত নাৰীৰ সংঘাতপূৰ্ণ আৰু মননশীল চিত্ৰ প্ৰতিফলিত বৰগোহাঞিৰ অন্যান্য মনস্তত্ত্বমূলক উপন্যাসৰ ভিতৰত *অন্তঃস্ৰোতা* (১৯৬৫), *ছায়া আৰু ছবি* (১৯৭১), *কেকটাচৰ ফুল* (১৯৭৬), *সেই নদী নিৰৱধি* (১৯৭৯), *অন্য জীৱন* (১৯৮৭), *চম্পাৱতী* (১৯৯০), *অভিযাত্ৰী* (১৯৯৩) উল্লেখযোগ্য। বৰগোহাঞিৰ উপন্যাসসমূহত পৰম্পৰাবাদী আৰু প্ৰগতিবাদী— দুই ধৰণৰ নাৰী মনস্তত্ত্বৰ বিশ্লেষণ পোৱা যায়। *এজন বুঢ়া মানুহ* (১৯৬৬) উপন্যাসত এজন নিঃসংগ বৃদ্ধৰ জীৱনৰ মৰ্মবেদনা আৰু বোৱাৰীয়েকৰ লগত হোৱা আদৰ্শ, মূল্যবোধ আৰু ৰুচিবোধৰ মানসিক সংঘাতক হৃদয়স্পৰ্শী ৰূপত বৰগোহাঞিয়ে বৰ্ণনা কৰিছে।

লক্ষ্মীনন্দন বৰাৰ *বলুকাত বিজুলী* (১৯৬৯) উপন্যাসত দুজনী বাই-ভনীৰ আৰ্থিক দীনতাৰ সংঘাতময় জীৱনচিত্ৰৰ বৰ্ণনা পোৱা যায়। জীৱন-সংঘাতত জুৰুলা দুয়োগৰাকী বাই-ভনীৰ আৰ্থিক দীনতা উপন্যাসখনত অংকন কৰা হৈছে। বাই-ভনী দুগৰাকীৰ ভিতৰত এগৰাকীৰ নাৰ্চিছাই স্বভাৱৰ বাবে নিজক চম্ভালিব নোৱাৰি হতাশাৰে আত্মহত্যাৰ পথ বাছি লৈছে। বৰাৰ *কায়কল্প* (২০০২) এখন কল্পবিজ্ঞান শ্ৰেণীৰ উপন্যাস হ'লেও উপন্যাসখনত এজন গৱেষকৰ কঠোৰ পৰিশ্ৰম আৰু বাৰ্ধক্য-জীৱনৰ সম্ভাব্য ৰূপ প্ৰকাশ পাইছে। বাৰ্ধক্যক প্ৰত্যাহ্বান হিচাপে লৈ বৃদ্ধ গৱেষকে মনৰ জটিল সন্ধিক্ষণত যৌৱনক বিলম্বন কৰা 'কায়কল্প ২৫' নামৰ এবিধ ঔষধ প্ৰস্তুত কৰি উলিয়ায়। প্ৰকৃতিৰ বিপৰীতে যাব লগাত বৃদ্ধ গৱেষকৰ মানসিক চেতনাত দ্বৈত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। বাৰ্ধক্যৰ চেতনা আংশিকভাৱে প্ৰকাশ পোৱা এইখন উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ কিছু প্ৰভাৱ পৰা দেখা যায়।

দেবেন্দ্ৰনাথ আচাৰ্যৰ *কালপুৰুষ* (১৯৬৭) আৰু *অন্য যুগ অন্য পুৰুষ* (১৯৭০) উপন্যাস দুখনত

---

৫১। লীলা গগৈ (সং আৰু সম্পা.), *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়*, পৃ. ২৮৪

বৃদ্ধ লোকৰ শাৰীৰিক-মানসিক চেতনাৰ স্বৰূপ ফুটি উঠিছে। মেদিনী চৌধুৰীৰ *বগুকা বেহাৰ* (১৯৭৬) উপন্যাসত মাধৱদেৱৰ বাৰ্ধক্য-জীৱনৰ চিত্ৰ, আত্ম-অনুশোচনা আৰু বৃদ্ধ-মনস্তত্ত্বত সৃষ্টি হোৱা জটিলতাৰ দিশ প্ৰতিফলন হৈছে। জীৱনৰ কঠিন বাস্তৱতা আৰু নাৰী সমস্যাৰ দিশত গুৰুত্ব আৰোপ কৰা এগৰাকী সাহসী ঔপন্যাসিক মামণি ৰয়ছম গোস্বামী। তেওঁৰ প্ৰায়সমূহ উপন্যাসতে নাৰীৰ মানসিক সমস্যা আৰু সংঘাতপূৰ্ণ জীৱনৰ প্ৰতিচ্ছবিৰ বৰ্ণনা পোৱা যায়। গোস্বামীৰ *সংস্কাৰ উদয়ভানুৰ চৰিত্ৰ* উপন্যাসখন *সংস্কাৰ, উদয়ভানুৰ চৰিত্ৰ* আৰু *সাপৰ ছালৰ জোতা*— এই তিনিখন উপন্যাসৰ সমষ্টি। *সংস্কাৰ* মামণি ৰয়ছম গোস্বামীৰ এখন উপন্যাসিকা যদিও ই মনস্তাত্ত্বিক গল্প হিচাপেহে বেছি প্ৰসিদ্ধ। *সাপৰ ছালৰ জোতা* উপন্যাসত উচ্চশিক্ষিতা এগৰাকী নাৰীয়ে চৰিত্ৰহীন স্বামীৰ লগত সংসাৰ কৰিবলৈ গৈ সৃষ্টি হোৱা মনৰ বিশৃংখলা আৰু মৃত্যুচেতনাৰ প্ৰতিচ্ছবি পোৱা যায়। *উদয়ভানুৰ চৰিত্ৰত* এজন সমকামীয়ে মানসিক আৰু যৌনলিপ্সাৰে সমকামী প্ৰেমক বাস্তৱ ৰূপ দিছে।[৫২] তেওঁ *নীলকণ্ঠী ব্ৰজ* উপন্যাসখনত ব্ৰজধামৰ বিধৱা তথা বৃদ্ধা নাৰীসকলৰ নিঃসহায় মনৰ জটিলতাৰ বাস্তৱ ৰূপ দিছে। গোস্বামীৰ *বচিৰুদ্দিনৰ চকু* (১৯৭০) নামৰ আন এখন উপন্যাসিকাত এজন বৃদ্ধৰ বাৰ্ধক্য-চেতনাৰ উমান পোৱা যায়।

অৰুণ শৰ্মা আৰু শীলভদ্ৰৰ প্ৰায়সমূহ উপন্যাসতে মনস্তাত্ত্বিক জটিলতাৰ প্ৰতিফলন দেখা যায়। গৱেষণা-গ্ৰন্থৰ তৃতীয় অধ্যায়ত অৰুণ শৰ্মা আৰু শীলভদ্ৰৰ বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসকেইখনৰ বিস্তৃত আলোচনা কৰা হ'ব। সাধাৰণ বৃদ্ধ লোকতকৈ ব্যতিক্ৰমী বৃদ্ধ নামঘৰীয়াৰ সবল মানসিকতা আৰু বাৰ্ধক্যৰ প্ৰত্যাহ্বান অতুলানন্দ গোস্বামীৰ *নামঘৰীয়া* (১৯৯০) উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে।

পূৰবী বৰমুদৈৰ *বাঘশাল, বাঘজাল আৰু মানুহ* (২০০০) আৰু *ৰূপোৱালী নৈৰ সোণোৱালী ঘাট* (২০০১) উপন্যাসত মনস্তাত্ত্বিক দিশৰ চিত্ৰ পৰিলক্ষিত হৈছে। বৰমুদৈৰ দুয়োখন উপন্যাসতে বৃদ্ধ-মনস্তত্ত্বৰ কিছু কিছু লক্ষণ পৰিস্ফুট হৈছে।

অৰূপা পটংগীয়া কলিতাৰ *মৃগনাভি* (১৯৮৭) উপন্যাসত পুত্ৰৰ চাৰিত্ৰিক স্খলনত মনোবিকৃতি

---

৫২। জ্ঞানানন্দ শৰ্মা পাঠক, *সাহিত্য বীথিকা*, পৃ. ১২১

ঘটি চিজোফ্ৰেনিয়া ৰোগত আক্ৰান্ত এগৰাকী মাতৃৰ বৰ্ণনা পোৱা যায়। চিজোফ্ৰেনিয়া ৰোগত আক্ৰান্ত ব্যক্তিয়ে ভাব, অনুভূতি আৰু কামৰ মাজত ভাৰসাম্য হেৰুৱাই নিঃসহায় অৱস্থাৰ সন্মুখীন হোৱাৰ বৰ্ণনা উপন্যাসখনত পোৱা যায়।[৫৩] তেওঁৰ *অয়নান্ত* (১৯৯৪) উপন্যাসত নাৰীমনৰ অনুৰণন আৰু নাৰীৰ মানসিক উত্তৰণত প্ৰতিবাদী চিন্তা আৰু যুক্তিৰ দ্বন্দ্ব প্ৰত্যক্ষ কৰা হৈছে।

ঔপন্যাসিকা ৰীতা চৌধুৰীৰ *পপীয়া তৰাৰ সাধু* (১৯৯৮) উপন্যাসত সাংবাদিক হোৱাৰ সপোনেৰে নগৰলৈ অহা এগৰাকী তৰুণীৰ মহানগৰৰ কদৰ্য পৰিৱেশত সপোন চূৰমাৰ হোৱাৰ বাস্তৱ চিত্ৰৰ প্ৰতিফলন ঘটিছে। মানসিক অৱসাদগ্ৰস্ত, ভয়, নিৰাশা আৰু হতাশাত এটা সময়ত তৰুণীগৰাকী Obsession compulsion (ভাবপীড়া)ত আক্ৰান্ত হৈ পৰে।[৫৪]

নাৰীজীৱনৰ মনোদ্বন্দ্ব প্ৰকাশিত অনুৰাধা শৰ্মা পূজাৰীৰ *হৃদয় এক বিজ্ঞাপন* (১৯৯৮) উপন্যাসত যান্ত্ৰিক যুগৰ নাৰীৰ অৱনমিত মৰ্যাদা, জীয়াই থকাৰ স্পৃহা আৰু মানসিক অন্তৰ্দ্বন্দ্বৰ চিত্ৰ অংকন কৰা হৈছে। তেওঁৰ আন এখন উপন্যাস *কাঞ্চন* (২০০১)ত এগৰাকী দৰিদ্ৰ নাৰীৰ মানসিক বেদনা আৰু সেই বেদনাত ভাৰাক্ৰান্ত হৈ অৱশেষত psychogenic amensia (স্মৃতিৰোগত)ত আক্ৰান্ত হোৱাৰ বাস্তৱ চিত্ৰ দাঙি ধৰা হৈছে।[৫৫] অনুৰাধা শৰ্মা পূজাৰীৰ আন এখন উপন্যাস *জলছবি* (২০১৪)ত এগৰাকী বৃদ্ধা নাৰীয়ে বাৰ্ধক্য আৰু মৃত্যুক জয় কৰাৰ প্ৰত্যাহ্বান কৰুণ ৰূপত প্ৰকাশ পাইছে।

পোলেন বৰকটকীৰ *অৰণ্যৰ ৰ'দ, জোনাক আৰু এন্ধাৰ* (২০০৯) উপন্যাসত বাৰ্ধক্যত দৃষ্টিহীন হৈ পৰা এজন পৰনিৰ্ভৰশীল বৃদ্ধৰ মৰ্মবেদনা আৰু অতীত জীৱনৰ ৰহস্যৰ সম্ভেদ পোৱা যায়। সাম্প্ৰতিক সমাজত বৃদ্ধ লোকৰ নিঃসংগতা আৰু মানসিক ৰোগৰ প্ৰতিফলন উপন্যাসখনত বাস্তৱ ৰূপত অংকন কৰিছে।

অসমীয়া উপন্যাস-সাহিত্যত চেতনাস্ৰোত পদ্ধতিত ৰচিত ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য্যৰ *মৰূদ্যান* (১৯৯১) উপন্যাসত এজন আত্মমগ্ন পুৰুষে চিন্তাৰ নিয়ন্ত্ৰণ হেৰুৱাই হতাশা, ব্যৰ্থতা আৰু বিচ্ছিন্নতাৰে

---

৫৩। অৰূপা পটংগীয়া কলিতা, *মৃগনাভি*, পৃ. ৫৭

৫৪। www.Impsychology.com.au/

৫৫। অনুৰাধা শৰ্মা পূজাৰী, *কাঞ্চন*, পৃ. ১০৪

একাকিত্বক আঁকোৱালি লোৱা পৰিদৃষ্ট হৈছে। চেতনাৰে অতীত, বৰ্তমান আৰু ভৱিষ্যতক একাকাৰ কৰা লোকজনৰ সংবেদনশীল ভাবুক সত্তাৰ দুখ আৰু বিচ্ছিন্নতাবোধক বিশ্বজনীন কৰিবলৈ ঔপন্যাসিকে চেষ্টা কৰিছে। এগৰাকী ব্যক্তিৰ চাৰিত্ৰিক স্খলনে বাৰ্ধক্যত কেনে যন্ত্ৰণা দিছে তাৰেই বাস্তৱ চিত্ৰ ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাৰ *বিষণ্ণ অপৰাহ্ণ* (২০০৬) উপন্যাসত প্ৰত্যক্ষ কৰা হৈছে। সেইফালৰ পৰা উপন্যাসখনক বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ অন্তৰ্ভুক্ত কৰিব পাৰি। এগৰাকী বৃদ্ধা মাতৃৰ প্ৰতি সন্তানৰ অৱজ্ঞা মণিকুন্তলা ভট্টাচাৰ্যৰ *বন্ধ ঘৰৰ খিৰিকী* (২০১৩) উপন্যাসত দাঙি ধৰা হৈছে। সন্তানৰ বিচ্ছেদত নিঃসংগ হৈ বৃদ্ধাশ্ৰমত আশ্ৰয় লোৱা বৃদ্ধা মাতৃৰ হৃদয়ৰ কৰুণ বেদনা উপন্যাসখনত পৰিদৃষ্ট। সন্তোষ কুমাৰ কৰ্মকাৰৰ *অ' মোৰ আপোনাৰ দেশ* (২০১৪) উপন্যাসত লক্ষ্মীনাথ বেজবৰুৱাৰ বাৰ্ধক্য-জীৱনৰ শাৰীৰিক অসুস্থতা, আৰ্থিক দীনতা আৰু জীৱনৰ বহু আনুষংগিক দিশ মনৰ জটিলতাৰ মাজেৰে প্ৰতিফলন ঘটিছে। সেইফালৰ পৰা এইখন উপন্যাসকো বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ অন্তৰ্ভুক্ত কৰিব পাৰি। তৰুণ লেখক জিতুমণি বৰাৰ *শেষ পৃষ্ঠা* (২০১৫) উপন্যাসত সাম্প্ৰতিক সমাজৰ বৃদ্ধ লোকৰ নিঃসংগতা আৰু সেই নিঃসংগতা দূৰ কৰিবলৈ আশ্ৰয় লোৱা বৃদ্ধাশ্ৰমৰ বৰ্ণনা পোৱা যায়। বৃদ্ধাশ্ৰমখনৰ বৃদ্ধ আৱাসীৰ মানসিক বেদনাৰ প্ৰতিফলন স্পষ্ট ৰূপত উপন্যসখনত দেখা যায়।

গতিকে পুৰুষ, নাৰী, কিশোৰ আৰু বৃদ্ধ চৰিত্ৰৰ জটিল মনস্তত্ত্ব, মানসিক ৰোগ, ৰোগৰ কাৰক আৰু মনৰ বহুমাত্ৰিক চেতনাৰ বিকাশ অসমীয়া মনস্তত্ত্বমূলক উপন্যাসকেইখনত প্ৰত্যক্ষ কৰা হৈছে।

### ২.২ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস ঃ

অসমীয়া সাহিত্যত বহুকেইজন প্ৰথিতযশা গল্পকাৰে বৃদ্ধ লোকৰ কাহিনী আৰু চৰিত্ৰক বাস্তৱৰ উপযোগী চেতনাৰে কলাত্মক ৰূপ দিবলৈ উপন্যাসৰ জৰিয়তে চেষ্টা চলোৱা দেখা গৈছে। একাংশ উপন্যাসত বৃদ্ধ লোকৰ মনৰ জটিলতাক কেন্দ্ৰবিন্দু হিচাপে লৈ জীৱনচৰ্যাৰ গভীৰ ৰহস্য আৰু চেতনাৰ বহুমাত্ৰিক দিশত গুৰুত্ব দিয়া হৈছে। এনে উপন্যাসক বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস হিচাপে পৰিগণিত কৰা হয়। বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত বৃদ্ধ লোকৰ শাৰীৰিক আৰু মানসিক ৰোগ আৰু ৰোগৰ উপসৰ্গ, সুপ্ত মানসিক সমস্যাই সামাজিক, আৰ্থিক, সাংস্কৃতিক দিশত সৃষ্টি হোৱা মনৰ

জটিল সন্ধিক্ষণৰ দিশত গুৰুত্ব দিছে।

অসমীয়া উপন্যাসত বৃদ্ধ লোকৰ কাহিনী আৰু চৰিত্ৰক লৈ ৰচনা কৰা উপন্যাসৰ সংখ্যা আন শ্ৰেণীৰ উপন্যাসতকৈ বহু কম। বৃদ্ধ লোকৰ মানসিক জটিলতাৰ দিশত গুৰুত্ব দিয়া একাংশ অসমীয়া ঔপন্যাসিকে বিংশ শতিকাৰ সত্তৰৰ দশকতে সীমিতসংখ্যক উপন্যাস ৰচনা কৰে। বিংশ শতিকাৰ সত্তৰৰ দশকৰ পৰাই অসমীয়া সমাজত যৌথ পৰিয়াল প্ৰথাৰ অৱসান ঘটি একক পৰিয়ালৰ সূচনা হ'বলৈ ধৰে। একক পৰিয়ালত বৃদ্ধ লোকৰ ব্যক্তিগত বা পৰিয়ালকেন্দ্ৰিক নানা সমস্যা, শাৰীৰিক, সামাজিক, আৰ্থিক আৰু ব্যক্তিকেন্দ্ৰিক চেতনাত গঢ় লোৱা বহু মানসিক সমস্যাৰ দিশত ঔপন্যাসিকে আলোকপাত কৰিবলৈ লয়। বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ ঔপন্যাসিকসকলৰ ভিতৰত চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, নৱকান্ত বৰুৱা, ৰোহিণী কুমাৰ কাকতি, নিৰোদ চৌধুৰী, লুম্মেৰ দাই, হোমেন বৰগোহাঞি, নিৰুপমা বৰগোহাঞি, দেবেন্দ্ৰনাথ আচাৰ্য, শীলভদ্ৰ, মেদিনী চৌধুৰী, মামণি ৰয়ছম গোস্বামী, অৰুণ শৰ্মা, অতুলানন্দ গোস্বামী উল্লেখযোগ্য। তেওঁলোকৰ কেইবাখনো উপন্যাসত বাৰ্ধক্য-জীৱনৰ কাহিনীসম্বলিত বৃদ্ধ চৰিত্ৰৰ মনস্তাত্ত্বিক দিশসমূহ অংকন কৰা হৈছে। এনে বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ এটি চমু বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হ'ল।

চৈয়দ আব্দুল মালিকৰ *এটা সূৰ্য, দুখন নদী আৰু এখন মৰুভূমি* (১৯৭২) উপন্যাসত সংগীতৰ সাধক বৃদ্ধ জাহাংগীৰ খাঁৰ আভিজাত্যৰ ভেম, ৰুচিবোধৰ প্ৰতি আস্থা, সমাজত লাভ কৰা প্ৰতিপত্তি আৰু অতীতৰ সুমধুৰ স্মৃতিত পত্নীপ্ৰীতিৰ নিদৰ্শন পোৱা যায়। উপন্যাসখনত বাৰ্ধক্যৰ নিৰাপত্তাহীনতা আৰু প্ৰেমজনিত স্খলন বৃদ্ধ জাহাংগীৰ খাঁৰ চৰিত্ৰত মানসিক জটিলতাৰূপে ধৰা দিছে।

বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ *নষ্টচন্দ্ৰ* (১৯৬৮) উপন্যাসত এগৰাকী তৰুণী ভাৰ্যাৰ প্ৰতি বৃদ্ধ স্বামীৰ প্ৰেম, বাৰ্ধক্যত জৈৱিক অক্ষমতাৰ বাবে অহা অৱসাদ আৰু আত্মগ্লানিৰ কৰুণ ৰূপ অংকন কৰা হৈছে। বৃদ্ধ চৰিত্ৰ বিপুল দাসৰ মানসিক যন্ত্ৰণাৰ মূল কাৰণ জৈৱিক অক্ষমতাৰ বাবে সমাজত আত্মসন্মান হেৰুওৱাৰ মানসিক দুৰ্বলতা। যৌন অক্ষমতাৰ কথা সমাজত প্ৰচাৰ হোৱাৰ ভয়ত পত্নী পৰপুৰুষৰ প্ৰতি আকৰ্ষিত হোৱা সত্ত্বেও বৃদ্ধ দাসে মানসিক অন্তৰ্দ্বন্দ্বৰে সকলো সহ্য কৰি গৈছে— "মই ঘিণ নকৰোঁ। তোমাৰ প্ৰবৃত্তিৰ তাড়না তুমি সহ্য কৰিব নোৱাৰি যি কৰিছা সি মোৰ অক্ষমতাৰ পৰিচায়ক।

তুমি দুলৰ্ভৰ লগত ওলাই গ'লে মোৰ ভৰিহাল আৰু কোঙা হৈ পৰে।"[৫৬] বাৰ্ধক্যই নিঠৰুৱা কৰা এজন বৃদ্ধৰ শাৰীৰিক আৰু মানসিক অৱক্ষয়, যৌৱনৰ স্পৃহা বৃদ্ধি পোৱা আৰু যৌৱনক হেৰুৱাব নোখোজাৰ মানসিক জটিলতা দাসৰ চৰিত্ৰত ফুটি উঠিছে। যুগ্মজীৱনত বয়সৰ অন্তৰায়ে সংসাৰলৈ কালধুমুহা নমাই অনা বৃদ্ধ বিপুল দাসৰ মানসিক জটিলতা উপন্যাসখনত স্পষ্ট হৈ পৰিছে।

নৰকান্ত বৰুৱাই *ককাদেউতাৰ হাড়* (১৯৭৪) উপন্যাসত ঊনাশী বছৰীয়া এগৰাকী বৃদ্ধা আইতাৰ মনস্তাত্বিক দিশ দাঙি ধৰিছে। অতীতৰ বংশ-পৰিয়ালত ঘটা পাৰিবাৰিক আত্মকন্দলেই বৃদ্ধা আইতাৰ মানসিক জটিলতাৰ মূল কাৰণ। প্ৰতিপত্তি, আভিজাত্যৰ ভেম আৰু প্ৰতিহিংসাৰ কাৰণে অতীতৰ পৰিয়াল দুটাৰ মাজত আত্মকন্দলৰ সৃষ্টি হৈছে। আইতাৰ আঁকোৰগোজ স্বভাৱে অতীতৰ পৰিয়ালকেন্দ্ৰিক আত্মকন্দলক বৰ্তমানলৈকে কঢ়িয়াই অনা উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে। আত্মকন্দলক প্ৰশ্ৰয় দিয়া আইতাৰ আঁকোৰগোজ ভাবৰ আঁৰত মমত্বৰে ভৰা হিয়াখনত হতাশা আৰু বিষণ্ণতাৰ বৰ্ণনা উপন্যাসখনত ফুটাই তুলিছে। গাঁৱৰ অকলশৰীয়া ঘৰখনত জীৱন অতিবাহিত কৰা আইতাৰ নিঃসংগতাৰ বেদনা, একাকিত্ব, অতীতৰ স্মৃতি ৰোমন্থন, জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস— বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ বহুকেইটা কাৰণ উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে। বৃদ্ধা আইতাৰ বিচিত্ৰ মনত অৱদমিত জটিলতা অভাৱনীয়ভাৱে নাতিয়েকৰ আগত ব্যক্ত কৰি মনৰ দুখ আৰু যন্ত্ৰণা পাতলাবলৈ চেষ্টা কৰিছে। জীৱনৰ জটিল পৰিস্থিতিত সন্মুখীন হোৱা বহু অভিজ্ঞতাৰ সত্যাসত্যও আইতাৰ জটিল মনৰ পৰা উদ্‌গীৰণ হৈছে। আনুষ্ঠানিক শিক্ষা নাপালেও জীৱনৰ অভিজ্ঞতাৰে নিজৰ মনৰ ৰুচিবোধ আৰু সংস্কাৰক গুৰুত্ব দিয়া আইতাই সময় আৰু পৰিস্থিতিত নিজকে সলনি কৰি পৰিস্থিতিসাপেক্ষে সকলোৰে লগত মিলিজুলি থকা দিশটোও উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে। অতীতৰ সংস্কাৰ, ৰুচিবোধ, মানৱীয় প্ৰমূল্য আৰু প্ৰাকৃতিক সম্পদৰ দুৰৱস্থা দেখি আইতাৰ মনৰ জটিলতা ক্ৰমাৎ বাঢ়িবলৈ ধৰে। ভৱিষ্যৎ প্ৰজন্মক লৈ চিন্তিত আইতাৰ মনস্তত্ত্বৰ জটিলতাৰ বহুকেইটা কাৰক উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে। উপন্যাসখনৰ আন এটি বৃদ্ধ চৰিত্ৰ ফাৰ্চী পঢ়া ঘৰৰ হাফিজ বুঢ়া আপই। সাম্প্ৰতিক সমাজৰ মানৱীয় প্ৰমূল্যক বিসৰ্জন দিয়া ক্ষমতালিপ্সু তৰুণ প্ৰজন্মৰ আভিজাত্য

---

৫৬। বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, *নষ্টচন্দ্ৰ*, পৃ. ৫৩

আৰু ক্ষমতাৰ প্ৰতাপত মানৱীয় প্ৰমূল্য নিঃশেষ হোৱাৰ ক্ষোভ আৰু আক্ষেপ হাফিজ বুঢ়া আপই চৰিত্ৰত প্ৰকাশ পাইছে। বয়োবৃদ্ধ আৰু জ্ঞানবৃদ্ধ বয়োজ্যেষ্ঠ লোকজনে মনৰ জটিলতাৰে কৰা ক্ষোভ প্ৰকাশ উপন্যাসখনত বৰ্ণিত হৈছে।

ৰোহিণী কুমাৰ কাকতিৰ *শেঁতা ৰ'দ* (১৯৬২) উপন্যাসত এজন অৱসৰপ্ৰাপ্ত শিক্ষকৰ আৰ্থিক দীনতা আৰু বাৰ্ধক্যত হৃতসৰ্বস্ব হোৱাৰ মৰ্মস্পৰ্শী চিত্ৰ ফুটাই তোলা হৈছে। মধ্যবিত্ত পৰিয়ালৰ এগৰাকী বৃদ্ধৰ জীৱন-সংগ্ৰামৰ হৃদয়স্পৰ্শী চিত্ৰ উপন্যাসখনত দাঙি ধৰা হৈছে। বাৰ্ধক্যৰ পূৰ্বপ্ৰস্তুতি নথকা বৃদ্ধগৰাকী ভৱিষ্যতৰ জীৱনক লৈ টকা সঞ্চয় নকৰা আৰু নিজাকৈ এটি ঘৰ বান্ধিব নোৱৰাৰ আক্ষেপত পদে পদে মনৰ জটিল সন্ধিক্ষণত সোমাই পৰিছে। আৰ্থিক দীনতাৰ বাবে সন্তানক উপযুক্ত শিক্ষা দিব নোৱৰা, উপাৰ্জনক্ষম কৰি তুলিব নোৱৰা বৃদ্ধ পিতৃৰ মানসিক অন্তৰ্দ্বন্দ্বৰ প্ৰতিফলন উপন্যাসখনত তুলি ধৰা হৈছে। উপন্যাসখনৰ নায়ক বৃদ্ধ নলবাবুৰ মনৰ জটিলতাৰ আন এটা কাৰণ অতীত জীৱনৰ ৰহস্য। তদুপৰি হৃদৰোগত শয্যাশায়ী পত্নীৰ অসুস্থতা, পিতা-পুত্ৰৰ মতদ্বৈধতা, পত্নীৰ মৃত্যু, বাৰ্ধক্যৰ নিৰাপত্তাহীনতা আৰু সন্তানৰ হাতত অপদস্থ হ'ব লগা পিতৃৰ মানসিক যন্ত্ৰণাৰ প্ৰতিচ্ছবি উপন্যাসখনত প্ৰতিফলিত হৈছে। পৰিয়ালটোৰ কাৰণে জীৱনৰ সৰ্বস্ব প্ৰতিদান দিও বাৰ্ধক্যত পৰিয়ালৰ সদস্যৰ পৰা অকণমান মৰম, সহানুভূতি নাপাই বৃদ্ধ নলবাবু আত্মাভিমানী হৈ উঠিছে। অৱশেষত নলবাবুৱে হতাশা আৰু অৱসাদেৰে শান্তি বিচাৰি গৃহ ত্যাগ কৰিছে। মনৰ প্ৰশান্তি ঘূৰাই পাবলৈ মানসিক বেদনাৰে ভাৰাক্ৰান্ত বৃদ্ধগৰাকীয়ে পত্নীৰ সমাধিৰ কাষত তিতি-বুৰি জুৰুলি-জুপুৰি হৈ অতীতৰ স্মৃতি ৰোমন্থন কৰিছে।

নিৰোদ চৌধুৰীৰ *স্তব্ধ বৃন্দাবন* (১৯৬৮) উপন্যাসৰ নায়ক বৃদ্ধ, বিপত্নীক নীলকমল দত্ত। বাৰ্ধক্যৰ নিঃসংগতাৰ বেদনা দূৰ কৰিবলৈ তৰুণী পত্নীক বিয়া কৰোৱা দত্তই অৱশেষত অনুশোচনাৰে জীৱন অতিবাহিত কৰিছে— "তোমাৰ ঋণ মই কেনেকৈ পৰিশোধ কৰিম ভাবি পোৱা নাই।"[৫৭] বৃদ্ধ নীলকমল দত্তৰ সৈতে বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ *নষ্টচন্দ্ৰ* উপন্যাসৰ বৃদ্ধ বিপুল দাসৰ চৰিত্ৰৰ বহু সাদৃশ্য দেখা যায়। বিপত্নীক, আঢ্যৱন্ত এজন বৃদ্ধৰ তৰুণী পত্নীৰ প্ৰতি থকা প্ৰেম, বাৰ্ধক্যৰ জৈৱিক

---

৫৭। নিৰোদ চৌধুৰী, *স্তব্ধ বৃন্দাবন*, পৃ. ৮৭

অক্ষমতা, হতাশা, পুত্রস্নেহ, পুত্ৰৰ বিবাহক লৈ চিন্তিত এজন বৃদ্ধ পিতৃৰ চিত্ৰ উপন্যাসখনত ফুটি উঠিছে। দত্তৰ হৃদৰোগৰ মূল কাৰণ বাৰ্ধক্যজনিত মানসিক চাপ। নীলমকল দত্তৰ বাৰ্ধক্যৰ মানসিক জটিলতাই উপন্যাসখনক বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ অন্তৰ্ভুক্ত কৰিছে। বাৰ্ধক্যৰ মানসিক জটিলতাক কেন্দ্ৰ কৰি ৰচিত নিৰোদ চৌধুৰীৰ আন এখন উপন্যাস *কুঁৱলীৰ আখৰ* (১৯৬৯)। এগৰাকী বৃদ্ধ পিতৃৰ কন্যা বৎসলতাই মানসিক জটিলতা হৈ উপন্যাসখনত ধৰা দিছে।

লুম্মেৰ দাইৰ *মন আৰু মন* (১৯৬৮) উপন্যাসত এগৰাকী অকলশৰীয়া জনজাতীয় বৃদ্ধাৰ নিঃসংগতাৰ বেদনা হৃদয়স্পৰ্শী ৰূপত বৰ্ণনা কৰা হৈছে। নিঃসংগতাই বৃদ্ধাক পশুপ্ৰীতিৰ প্ৰতি আকৰ্ষিত কৰিছে। বৃদ্ধাৰ পোহনীয়া মৰমিয়াল কুকুৰটোৱে গাঁৱৰ সৰু ল'ৰা এটিক কামোৰাৰ অপৰাধত ল'ৰাটিৰ পৰিয়ালৰ সদস্যই বৃদ্ধাক অপমান কৰে। কণমানি ল'ৰাটিৰ মৃত্যুৰ শোকত অধীৰ পিতৃয়ে প্ৰতিশোধস্বৰূপে বৃদ্ধাৰ পোহনীয়া কুকুৰটোক গুলীয়াই মাৰি পুত্ৰশোকত সান্ত্বনা লভে। এগৰাকী বিধৱা বৃদ্ধাৰ নিঃসংগতাৰ আশ্ৰয় পশুটিৰ মৃত্যুৱে বৃদ্ধাৰ জীৱন সৰ্বস্বান্ত কৰি তোলাৰ নিৰ্মম বৰ্ণনা উপন্যাসখনত পোৱা যায়। সাম্প্ৰতিক সমাজত তৰুণ প্ৰজন্মৰ বৃদ্ধ লোকৰ প্ৰতি অৱজ্ঞা, অভব্য আচৰণ জনজাতীয় সমাজতো প্ৰত্যক্ষ কৰা হৈছে। তৰুণ প্ৰজন্মৰ অভব্য আচৰণত অপদস্থ হোৱাৰ ভয়ত বৃদ্ধাগৰাকীয়ে নীৰৱতা আৰু ভাবুক স্বভাৱকে বাৰ্ধক্যত সংগী কৰি লৈছে। নিঃসংগতাক পশুপ্ৰীতিৰ ৰূপ দিয়া হৃদয়স্পৰ্শী বৰ্ণনা বৃদ্ধা চৰিত্ৰটোৰ দ্বাৰা উপন্যাসখনত প্ৰকাশ পাইছে। জীৱ-জন্তুৰ বিবেচনা নথকাটো স্বাভাৱিক; কিন্তু জীৱশ্ৰেষ্ঠ মানুহে জীৱ-জন্তুৰ লগত প্ৰতিদ্বন্দ্বিতা কৰি একোটা জীৱৰ জীৱন ধ্বংস কৰা আৰু বৃদ্ধ লোকক ভীতিগ্ৰস্ত কৰি মানসিক অশান্তিৰে মৃত্যুমুখলৈ ঠেলি পঠিওৱাৰ বৰ্ণনা উপন্যাসখনত দৃষ্টিগোচৰ হৈছে।

জীৱনবোধৰ সূক্ষ্ম অধ্যয়ন আৰু পটভূমিৰ বিচিত্ৰতাৰে উপন্যাস-সাহিত্যলৈ অৱদান আগবঢ়োৱা হোমেন বৰগোহাঞিৰ বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত বাৰ্ধক্য-জীৱনে এক বিশেষ স্থান লাভ কৰিছে। বাৰ্ধক্যৰ নিঃসংগতা, শাৰীৰিক অসুস্থতা আৰু বৃদ্ধা নাৰীৰ কঠোৰ পৰিশ্ৰম আৰু মানসিক বেদনাৰ চিত্ৰ নিৰুপমা বৰগোহাঞিৰ বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসতো পাব পাৰি। হোমেন বৰগোহাঞি আৰু নিৰুপমা বৰগোহাঞি— দুয়োগৰাকী ঔপন্যাসিকৰ বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস সম্পৰ্কে গৱেষণা-

গ্ৰন্থখনিৰ তৃতীয় অধ্যায়ত বিস্তৃত ৰূপত আলোচনা কৰা হ'ব।

দেৱেন্দ্ৰনাথ আচাৰ্যৰ *কালপুৰুষ* (১৯৬৭) আৰু *অন্য যুগ অন্য পুৰুষ* (১৯৭০) শীৰ্ষক বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস দুখনত বাৰ্ধক্যৰ জীৱনচিত্ৰ আৰু বৃদ্ধ-মনস্তত্ত্বত সৃষ্টি হোৱা জটিলতাৰ স্বৰূপ ফুটি উঠিছে। নদাই সঁজাতি বা কালনেমী নামৰ এশ বছৰীয়া বৃদ্ধগৰাকীৰ বৰ্ণনা *কালপুৰুষ* উপন্যাসখনত পোৱা যায়— "এতিয়া নথৈ বুঢ়া হ'লো নহয়, হাড় জক্‌জক্— দেহা লকৰ-থকৰ। শেতেলিত পৰিলেই হাড়ে হাড়ে লাগে, দুখ পাওঁ। ৰাতি ঘুমটি নাহে। চকুৰ পতাত পতা লাগিলেই অপাৰ অময়া সপোন দেখো।"[৫৮] এসময়ত নিজৰ বাহুবলেৰে সঁজাতি বাব পোৱা বৃদ্ধ নদাইৰ শাৰীৰিক অৱক্ষয়, দুৰ্বলতা আৰু অসুস্থতাৰ বৰ্ণনা উপন্যাসখনত পোৱা যায়। কঁকাল আৰু আঁঠুৰ কুট্‌কুটনি, তপিনাৰ সিৰামুৰি, সৰণ খেৰৰ ছানি যেন হোৱা হাত আৰু চলিহা পৰি ঘোলা হোৱা চকু, শিলগধুৰা কাণ দুখনক লৈও বৃদ্ধ নদায়ে আক্ষেপ কৰিছে। বাৰ্ধক্যত শৰীৰ আৰু মনৰ সন্তুলনহীন অৱস্থাই নদাইৰ শাৰীৰিক যন্ত্ৰণা অধিক তীব্ৰ কৰি তুলিছে। পূৰ্বে শাৰীৰিক শক্তিৰ বলত সঁজাতি পদ চম্ভালি লোৱা নদাইৰ পৰনিৰ্ভৰশীল অৱস্থাই বাৰ্ধক্যৰ শাৰীৰিক সমস্যাৰ বিষয়ে পঢ়ুৱৈক অৱগত কৰে। অতীতৰ তুলনাত বৰ্তমানৰ অৱক্ষয়ী দৰ্শনে বৃদ্ধ সঁজাতিৰ নিঃসংগ মনত জটিলতাৰ সৃষ্টি কৰিছে। অতীতৰ সোণোৱালী দিনৰ স্মৃতি ৰোমন্থনৰ দ্বাৰা নদায়ে মনৰ সজীৱতা ধৰি ৰাখিব বিচাৰিছে। উপন্যাসখনৰ বৃদ্ধ সঁজাতি চৰিত্ৰই সমাজৰ এজন পৰিচিত গাঁৱলীয়া বৃদ্ধৰ কৰ্তব্যনিষ্ঠা আৰু দেশপ্ৰেমৰ পৰিচয় তুলি ধৰিছে। বৃদ্ধ সঁজাতিয়ে জীৱনৰ সঞ্চিত বহু অভিজ্ঞতা উত্তৰপুৰুষৰ আগত ব্যাখ্যাৰ প্ৰয়াস কৰিছে। আত্মসন্তুষ্টিৰে জীৱনক সহজভাৱে স্বীকাৰ কৰি লোৱা আৰু উত্তৰপুৰুষক সৎ আদৰ্শৰে অনুপ্ৰাণিত কৰিবলৈ বিচৰা নদাইৰ চৰিত্ৰত দেখা যায়। কিন্তু নদায়ে ব্যক্তিগত জীৱনৰ নিঃসংগতাৰ বাবে কোনো আক্ষেপ কৰা দেখা নাযায়। সাধাৰণ বৃদ্ধসকলে বাৰ্ধক্যক অবাঞ্ছিত বুলি মানি ল'ব নোখোজাৰ দৰে বৃদ্ধ নদায়েও নিজকে 'কালপুৰুষ' বুলি আত্মাভিমান কৰিছে। নদাইৰ আত্মাভিমানে উপন্যাসখনৰ বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ এক অন্যতম কাৰণ হিচাপে ধৰা দিছে। জীৱনক প্ৰত্যাহ্বান হিচাপে লোৱা নদাই সঁজাতিৰ বাৰ্ধক্যৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনোৱাটো উপন্যাসখনত প্ৰত্যক্ষ কৰা

---

৫৮। দেৱেন্দ্ৰনাথ আচাৰ্য, *কালপুৰুষ*, পৃ. ২

হৈছে— "কালে আমাক বুঢ়া কৰিব নোৱাৰে— আমি কালপুৰুষ... আমি ইতিহাস, অমৰ, আমাক কালে পৰশিব নোৱাৰিব।"[৫৯] কালৰ পৰাজয় মানি ল'ব নোখোজা 'কালপুৰুষ'স্বৰূপ নদাইক ইতিহাসৰ পাতত পোৱা নগ'লেও বৃদ্ধগৰাকীৰ অস্তিত্ব বুৰঞ্জীৰ পাতত জিলিকি থাকিব বুলি তেওঁ নিজে বাৰ্ধক্যক প্ৰত্যাহ্বান জনাইছে।

বৃদ্ধ-মনস্তত্ত্বত জটিলতা প্ৰকাশিত দেবেন্দ্ৰনাথ আচাৰ্যৰ আন এখনি বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস *অন্য যুগ অন্য পুৰুষ* (১৯৭০)। এজন সত্তৰ বছৰীয়া এলেহুৱা বৃদ্ধ 'বেং বেলেষ্টাৰ'ৰ শাৰীৰিক আৰু মানসিক অৱক্ষয়ৰ জটিলতা উপন্যাসখনত তুলি ধৰা হৈছে। শীলভদ্ৰৰ উপন্যাসসমূহৰ দৰে আচাৰ্যৰ উপন্যাসখনতো বহুকেইজন বৃদ্ধ চৰিত্ৰৰ পয়োভৰ দেখা যায়। পৰিস্থিতিৰ বিকাশত প্ৰতিটো বৃদ্ধ চৰিত্ৰই উপন্যাসখনৰ কাহিনীত প্ৰয়োজনীয় সহযোগিতা আগবঢ়াইছে। ভোগবাদী সমাজত লোভৰ বশৱৰ্তী হৈ অধিক ধনৰ আশা কৰা পুত্ৰৰ চাৰিত্ৰিক স্খলন দেখি বাধা দিবলৈ যোৱা বৃদ্ধা মাতৃক পুত্ৰই অপদস্থ কৰাৰ চিত্ৰ উপন্যাসখনত দৃষ্টিগোচৰ হৈছে— "টকাৰে ৰাৱণৰ গোষ্ঠীয়ে ব্ৰহ্মপুত্ৰ ভেটিছে, তই দেখা নাই? দেশৰ ৰাইজখনে লুটিপুতি খালে, তোৰ পৰাহে মই পাতি পইচা এটা আৰ্জন কৰিব নোৱাৰো। তই বুঢ়ী মৰ।"[৬০] গাত দুটা বলধৰ সমান শক্তি থকা এশ সাত বছৰীয়া গাঁওবুঢ়া দুৰ্দম চিকাৰীৰ বাৰ্ধক্যজনিত দুৰ্বলতাই নিশকতীয়া কৰাৰ বৰ্ণনা উপন্যাসখনত পোৱা যায়। তিনিকুৰি বছৰীয়া ধনেচ বুঢ়াই হাল-কোৰ বাই মাটি ৰুই পৰিয়াল পোহপাল দিলেও বাৰ্ধক্যত দেহৰ বল-শক্তি কমি অহাত পৰিয়াল পোহপাল দিব নোৱাৰি হতাশ হৈ পৰিছে। পুত্ৰক সাংসাৰিক জ্ঞান দিবলৈ যোৱা ধনেচ বুঢ়াৰ জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস, তিনিকুৰি দহ বছৰীয়া নবীন ওজাৰ আত্মবিশ্বাস, বেং বেলেষ্টাৰৰ মানসিক সবলতা, স্বাস্থ্য-সচেতনতা, বাৰ্ধক্যৰ প্ৰত্যাহ্বান, অতীতৰ স্মৃতি ৰোমন্থন, প্ৰকৃতিপ্ৰীতি, মমত্ব, আত্মসন্তুষ্টি, দূৰদৰ্শিতা আৰু নিৰাসক্ত মনৰ পৰিচয় বৃদ্ধ বেলেষ্টাৰৰ চৰিত্ৰত ফুটি উঠিছে। বৃদ্ধ-মনস্তত্ত্বত সৃষ্টি হোৱা জটিলতাৰ বহু দিশ উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে।

---

৫৯। উল্লিখিত, পৃ. ১৪৪

৬০। উল্লিখিত, পৃ. ২০

ঔপন্যাসিক শীলভদ্ৰৰ প্ৰায়বোৰ উপন্যাসেই বৃদ্ধ-মনস্তত্ত্বমূলক। তেওঁৰ উপন্যাস সম্পৰ্কে গৱেষণা-গ্ৰন্থৰ তৃতীয় অধ্যায়ত বিস্তৃত ৰূপত আলোচনা কৰা হ'ব।

মেদিনী চৌধুৰীৰ *বগুকা বেহাৰ* (১৯৭৬) শীৰ্ষক বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসখনত অসমৰ জাতীয় জীৱনৰ অন্যতম ধৰ্মীয় সাধক মহাপুৰুষ মাধৱদেৱৰ বাৰ্ধক্য-জীৱন বৰ্ণিত হৈছে। শংকৰদেৱৰ ভাতৃ বনগঞাগিৰিৰ প্ৰতিহিংসা, প্ৰতিশোধ আৰু অপবাদ সহ্য কৰিব নোৱাৰি বাৰ্ধক্যত গুৰুগৃহ ত্যাগ কৰা মাধৱদেৱৰ মানসিক জটিলতা উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে। এফালে গুৰুৰ আদেশ শিৰোধাৰ্য কৰি ধৰ্ম প্ৰচাৰ কৰিবলৈ গৈ সন্মুখীন হোৱা প্ৰত্যাহ্বান আৰু আনফালে গুৰু পৰিয়ালৰ দুৰ্গতিত অসহায় মাধৱদেৱৰ চিত্ৰ উপন্যাসখনত অংকন কৰা হৈছে। মাধৱদেৱৰ বাৰ্ধক্যজনিত দুৰ্বলতা, নিঃসহায় আৰু মানসিক সংঘাতৰ স্পষ্ট স্বৰূপ উপন্যাসখনত ফুটাই তোলা হৈছে। মাধৱদেৱৰ জীৱনৰ কীৰ্তিস্তম্ভ *নামঘোষাত* থকা বাৰ্ধক্য-জীৱনৰ ৰহস্য আৰু সত্য উপন্যাসখনৰ মাজেৰে প্ৰতিফলিত হৈছে। বাৰ্ধক্যত জন্মস্থানলৈ ঘূৰি আহি অতীতৰ স্মৃতি ৰোমন্থন কৰা বৃদ্ধ মাধৱদেৱৰ জীৱনচৰ্যা উপন্যাসখনত বৰ্ণিত হৈছে। কীৰ্ত্তনঘৰৰ কাৰণে মাটি দিবলৈ অপ্ৰস্তুত বৃদ্ধ ৰাম লডুৱা বুঢ়া, অৰ্থাৎ ৰামচন্দ্ৰ তাঁতীক মাধৱদেৱে বাৰ্ধক্যত অনাসক্ত হ'বলৈ উপদেশ দিছে। আনক উপদেশ দিয়া মাধৱদেৱে বাৰ্ধক্যত যাযাবৰী জীৱনৰ কাৰণে মানসিক জটিলতাৰ সন্মুখীন হৈছে। আনকি ডেকাকালত বিয়াৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰি গৰ্ব অনুভৱ কৰা, মাধৱদেৱে বাৰ্ধক্যত অপৰাধবোধ আৰু আত্ম-অনুশোচনাত ব্যথিত হৈছে। দামোদৰীয়া ঠালৰ পৰা ফালৰি কাটি মাধৱদেৱে গুৰুৰ উপদেশ কিছু অমান্য কৰিব লগাত বাৰ্ধক্যত মানসিক অন্তৰ্দ্বন্দ্বৰ সন্মুখীন হৈছে। পৰিৱেশ আৰু পৰিস্থিতিত ভক্তবৃন্দৰ ইচ্ছাৰ অৰ্থে নিজৰ ইচ্ছাক বিসৰ্জন দি নটুৱা নাচ, নট-ভাওনা আয়োজন কৰাৰ অপৰাধবোধত মাধৱদেৱে অনুশোচনাত ভুগিছে। জীৱনৰ শেষ বয়সত ৰাজৰোষত পৰি হাজোলৈ নিৰ্বাসিত হ'ব লগাত অপদস্থ মাধৱদেৱৰ মনৰ জটিলতা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। মনত অদম্য সাহস থকা সত্ত্বেও জীৱনৰ বিয়লি বেলাত শাৰীৰিক শক্তিৰ অৱক্ষয়, একাকিত্ব, নিঃসংগ জীৱনৰ বেদনাই মাধৱদেৱৰ মানসিক অন্তৰ্দ্বন্দ্ব বৃদ্ধি কৰিছে। সংসাৰবৈৰাগী মাধৱদেৱে বিয়াবাৰু নকৰাই গুৰু শংকৰদেৱৰ চৰণকে একমাত্ৰ ধ্যান কৰি চলিলেও গুৰু অবিহনে কিন্তু বাৰ্ধক্যত নিঃসংগ আৰু একাকিত্বৰ সন্মুখীন হৈছে। যৌৱনত শংকৰ গুৰুৰ শ্ৰীচৰণত শৰণ লৈ কৰ্মব্যস্ততাৰে জীৱন অতিবাহিত কৰা বৃদ্ধ মাধৱদেৱৰ জীৱনলৈ হতাশা নামি অহাৰ অন্যতম কাৰণ

শাৰীৰিক অৱক্ষয়ে অনা নিৰুৎসাহ আৰু কৰ্মব্যস্ততাহীন জীৱন।

> ৰ'দৰ ৰেখাবোৰ যিদৰে ইচ্ছা কৰিলে নোহোৱা কৰিব নোৱাৰি ঠিক তেনেদৰে মনৰ ভাববোৰো ইচ্ছা অনুসৰি নোহোৱা নহয়। কৰ্মৰ দ্বাৰাহে মনৰ স্তৰ সুন্দৰ কৰিব পাৰি আৰু তেতিয়াহে মনৰ সমস্ত সত্তা নিজে পৰিচালনা কৰিব পাৰে।[৬১]

এজন সাধাৰণ লোকৰ দৰে মনৰ জটিলতাৰে বাৰ্ধক্যত জীৱন যাপন কৰিব লগা মানসিক চিত্ৰ বৃদ্ধ মাধৱদেৰ চৰিত্ৰৰ জৰিয়তে উপন্যাসখনত তুলি ধৰা হৈছে।

সীমিত পৰিৱেশ, কম চৰিত্ৰ আৰু সৰু কলেৱৰৰ আন এখন উপন্যাস মামণি ৰয়ছম গোস্বামীৰ *বচিৰুদ্দিনৰ চকু* (১৯৭০)। উপন্যাসখনক প্ৰফুল্ল কটকীয়ে ‘উপন্যাসিকা’ বুলি আলোচনা কৰিলেও ত্ৰৈলোক্য নাথ গোস্বামীয়ে কিন্তু এটা ‘দীঘলীয়া গল্প’ বুলিহে অভিহিত কৰিছে।[৬২] বচিৰুদ্দিন নামৰ এজন বৃদ্ধ ৰিক্সাচালকৰ সামাজিক দায়িত্ব আৰু কৰ্তব্যবোধে ভৱিষ্যৎ প্ৰজন্মৰ বাবে কেনে আদৰ্শ আৰু অনুপ্ৰেৰণা হৈ পৰিছে তাকেই উপন্যাসখনত তুলি ধৰা হৈছে। বন্ধু ৰতন গাঁওবুঢ়াৰ লগত কটোৱা সময়বোৰত দুয়োগৰাকী বৃদ্ধৰ অতীত স্মৃতিৰ সজীৱতা উপন্যাসখনত পোৱা যায়। ৰতন গাঁওবুঢ়াৰ মৃত্যুৰ পাছৰে পৰা বৃদ্ধ বচিৰুদ্দিন অকলশৰীয়া হৈ পৰিছে। শীলভদ্ৰৰ *গধূলি* উপন্যাসৰ বৃদ্ধ ভূধৰ চৌধুৰীৰ দৰে বৃদ্ধ বচিৰুদ্দিনেও জীৱনত একো এটা ভাল কাম কৰিব নোৱৰাৰ ক্ষোভত অনুশোচনা কৰিছে। আনুষ্ঠানিক শিক্ষা নাথাকিলেও সমাজৰ দায়িত্ববোধ পালিবলৈ ইচ্ছুক বৃদ্ধ বচিৰুদ্দিনে নিজৰ মাটি এটুকুৰা ছোৱালী কলেজৰ কাৰণে দান দিবলৈ বিচাৰিছে। বস্তুবাদী মানসিকতা আৰু ভোগৰ আসক্তিৰ বিপৰীতে ব্যতিক্ৰমী বৃদ্ধ বচিৰুদ্দিনে সমাজৰ বাবে কিবা এটা ভাল কাম কৰি নিজৰ অস্তিত্ব প্ৰতিপন্ন কৰিব বিচাৰিছে। সামাজিক দায়িত্ববোধ পালিবলৈ পুত্ৰৰ পৰামৰ্শ লোৱা আৰু সজ কামত নিজক অনুপ্ৰাণিত কৰা বচিৰুদ্দিনৰ চৰিত্ৰত এজন সৎ, আদৰ্শৱান, উদাৰ আৰু বদান্য বৃদ্ধ পিতৃৰ পৰিচয় পোৱা যায়। তদুপৰি জীৱনৰ অভিজ্ঞতা প্ৰকাশ আৰু অন্তৰ্দৃষ্টিৰে জীৱনক পৰ্যবেক্ষণ কৰিব জনা এজন বৃদ্ধৰ মানসিক চিত্ৰৰ প্ৰতিফলন বচিৰুদ্দিনৰ চৰিত্ৰত দেখা যায়।

---

৬১। মেদিনী চৌধুৰী, *বগুৰকা বেহাৰ*, পৃ. ১৪

৬২। ত্ৰৈলোক্য নাথ গোস্বামী, *আধুনিক গল্পসাহিত্য*, পৃ. ১৯৬

ঔপন্যাসিক অৰুণ শৰ্মাৰ কমসংখ্যক উপন্যাসৰ ভিতৰত কেইখনমান উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ প্ৰতিফলন প্ৰত্যক্ষ কৰা হৈছে। তেওঁৰ উপন্যাসৰ বিষয়ে গৱেষণা-গ্ৰন্থখনৰ তৃতীয় অধ্যায়ত আলোচনা কৰা হ'ব। এজন কেৰলীয়া ভকতক লৈ ৰচনা কৰা অতুলানন্দ গোস্বামীৰ *নামঘৰীয়া* (১৯৯০) উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ জটিলতাতকৈ বাৰ্ধক্যৰ স্বৰূপহে দৃষ্টিগোচৰ হৈছে। বয়সৰ উল্লেখ নাথাকিলেও বৃদ্ধ নামঘৰীয়াৰ বাৰ্ধক্যজনিত শাৰীৰিক দুৰ্বলতাৰ দিশ উপন্যাসখনত ফুটি উঠিছে। বাৰ্ধক্যৰ কৰ্মহীনতা, দুশ্চিন্তা আৰু শাৰীৰিক অৱক্ষয়ে অনা অৱসাদ নামঘৰীয়াৰ চৰিত্ৰত দেখা পোৱা নাযায়। ব্যতিক্ৰমী বৃদ্ধ চৰিত্ৰ নামঘৰীয়াই গাঁওখনৰ তৰুণচামৰ লগত সকলো কামতে শাৰীৰিক আৰু মানসিকভাৱে সহযোগিতা আগবঢ়াইছে। সকলোৰে সুখ-দুখত সমভাগী বৃদ্ধ নামঘৰীয়াৰ নিঃস্বাৰ্থ মনৰ ভাব উপন্যাসখনত পৰিলক্ষিত হৈছে। সমাজৰ কল্যাণৰ হকে, সকলোৰে সুখৰ নিমিত্তে আত্মত্যাগ কৰিবলৈ সদাপ্ৰস্তুত নামঘৰীয়াৰ মনলৈ নিঃসংগতাৰ বেদনা অহা উপন্যাসখনত দেখা নাযায়। গাঁওখনৰ এগৰাকী শয্যাশায়ী বৃদ্ধাক পৰিচৰ্যা কৰা নামঘৰীয়াৰ চৰিত্ৰত মানৱীয় মূল্যবোধ আৰু নৱপ্ৰজন্মক অনুপ্ৰাণিত কৰিব পৰা এজন বৃদ্ধৰ মহানুভৱতাৰ স্পষ্ট ৰূপ দেখা যায়। গাঁওখনত স্কুলঘৰ, চিকিৎসালয় খুলিবলৈ নিৰ্ণায়ক ভূমিকা লোৱা নামঘৰীয়াৰ চৰিত্ৰত বাৰ্ধক্যতত্ত্বৰ অন্তৰ্গত continuity theory অথবা activity theoryৰ এজন কৰ্মতৎপৰ বৃদ্ধৰ পৰিচয় পোৱা যায়। কৰ্মক্ষম, সুচিন্তিত, সুশৃংখলিত ৰূপত সমাজৰ কাম কৰা নামঘৰীয়াৰ চৰিত্ৰত বাৰ্ধক্যত শিশুসুলভ আঁকোৰগোজ স্বভাৱ পৰিদৃষ্ট হৈছে— "তুমি হাঁহিছা। তুমি চাগৈ ভাবিছা মই অকলে যাব নোৱাৰিম। চাই থাকিবা। মই গৈহে এৰিম।"[৬৩] নামঘৰীয়া জগন্নাথলৈ ওলাই যোৱা আৰু বংশীগোপালে কাণত ধৰি ঘূৰাই অনাৰ কথাৰ পৰা বুজা যায় যে বাৰ্ধক্যত ভগৱানৰ শ্ৰীচৰণত শান্তি লভাৰ উপায় নামঘৰীয়াই সেই গাঁৱৰ নামঘৰৰ বংশীগোপাল আৰু ৰাইজৰ মাজতে বিচাৰি পাইছে। গতিকে বাৰ্ধক্যত পৰিতৃপ্ত জীৱনৰ ধাৰণা নামঘৰীয়াৰ চৰিত্ৰত দেখা গৈছে। বাৰ্ধক্যত নিজৰ থকা ঠাইখনৰ প্ৰতি, বিশেষকৈ ঘৰখনলৈ ঘূৰি অহাৰ প্ৰৱণতা নামঘৰীয়াৰ চৰিত্ৰত ফুটি উঠিছে। সাধাৰণতে খোৱা, থকা পৰিৱেশৰ আধাৰতে বৃদ্ধ লোকৰ দীৰ্ঘায়ু নিৰূপণ হয়। সাত্ত্বিক জীৱন যাপন কৰা নামঘৰীয়াৰ আত্মসন্তুষ্টিয়ে বাৰ্ধক্যত সুখী হোৱাৰ মন্ত্ৰ আওৰাইছে। জন্ম-

৬৩। অতুলানন্দ গোস্বামী, *নামঘৰীয়া*, পৃ. ৬৭

মৃত্যু অনিবাৰ্য; বাৰ্ধক্য- জীৱন পৰিসমাপ্তিৰ এক কাৰকহে। বৃদ্ধ নামঘৰীয়াৰ চৰিত্ৰত ঔপন্যাসিকে সাধাৰণ জ্বৰকে মৃত্যুৰ কাৰক হিচাপে নিৰ্বাচন কৰি লৈছে। বাৰ্ধক্যত নিঃসংগ হোৱাৰ অভিযোগ নামঘৰীয়াৰ চৰিত্ৰত দেখা পোৱা নাযায়। কৰ্মস্পৃহা থকা নামঘৰীয়া আন আন বৃদ্ধসকলতকৈ ব্যতিক্ৰমী আৰু সুখী। আনৰ বাবে ইতিবাচক চিন্তা কৰিব জনা নামঘৰীয়াৰ মনত কোনোধৰণৰ জটিলতা দেখা নাযায়। সেইবাবে উপন্যাসখনক বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ বিপৰীতে বাৰ্ধক্যৰ স্বৰূপ-প্ৰকাশিত উপন্যাস হিচাপে অভিহিত কৰিব পাৰি।

গতিকে দেখা যায়, বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অন্তৰ্গত অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ সংখ্যা তেনেই সীমিত। সীমিতসংখ্যক অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত বৃদ্ধ লোকৰ শাৰীৰিক, মানসিক, সামাজিক, আৰ্থিক, সাংস্কৃতিক সকলো দিশৰ প্ৰতিফলন উপন্যাসকেইখনত ফুটি উঠিছে।

## ২.৩ নিৰ্বাচিত ঔপন্যাসিকৰ সাহিত্যকৃতিৰ অৱলোকন ঃ

'ৰামধেনু' আলোচনীৰে অসমীয়া গল্পসাহিত্যত প্ৰৱেশ কৰা নিৰুপমা বৰগোহাঞিঃ (১৯৩২-) এগৰাকী গল্পকাৰ, সাংবাদিক, ঔপন্যাসিক, আত্মজীৱনীকাৰ হিচাপে অসমীয়া সাহিত্যত পৰিচিত। সত্তৰৰ দশকতে 'নীলাচল' কাকতৰ সহকাৰী সম্পাদিকাৰূপে সাংবাদিকতা আৰম্ভ কৰা বৰগোহাঞিয়ে পৰৱৰ্তী সময়ত সাপ্তাহিক 'জনজীৱন' আৰু 'সাঁচিপাত' কাকতৰ গুৰুদায়িত্ব বহন কৰে। অসমীয়া সাহিত্যত ঔপন্যাসিক হিচাপে চিৰপৰিচিত নিৰুপমা বৰগোহাঞিয়ে সত্তৰৰ দশকৰ পৰা সাম্প্ৰতিক সময়লৈকে অসমীয়া উপন্যাস-সাহিত্যত এখন বিশিষ্ট আসন দখল কৰি আছে। *সেই নদী নিৰৱধি* (১৯৬৩) বৰগোহাঞিৰ জীৱনৰ প্ৰথম উপন্যাস। *অন্তঃস্ৰোতা* (১৯৬৫), *এজন বুঢ়া মানুহ* (১৯৬৬), *পুৰাৱ পূৰৱী সন্ধ্যাৰ বিভাস* (হোমেন বৰগোহাঞিৰ লগত যুটীয়াভাৱে লিখা), *দিনৰ পাছত দিন* (১৯৬৮), *হৃদয় এটা নিৰ্জন দ্বীপ* (১৯৭০), *সামান্য অসামান্য* (১৯৭১), *ইপাৰ-সিপাৰ* (১৯৭১), *ছায়া আৰু ছবি* (১৯৭১), *কেকটাছৰ ফুল* (১৯৭৩), *নামি আহে এই সন্ধিয়া* (১৯৭৮), *ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ* (১৯৭৯), *চিনাকি অচিনাকি* (১৯৮৭), *অন্য জীৱন* (১৯৮৭), *গোহাঁনী আই গোসাঁনী আই* (১৯৮৭), *চম্পাৱতী* (১৯৯০), *এখন শ্ৰাদ্ধত আনন্দাশ্ৰু* (১৯৯১), *ভৱিষ্যতৰ ৰঙা সূৰ্য, পখী*

*ঘূৰি যায়* (১৯৯১), *অভিযাত্ৰী* (১৯৯৩), *একেই জোন একেই বেলি* (১৯৯৪), *তিনি কন্যা* (১৯৯৪), *নিজৰ পৰা নিলগত* (১৯৯৬), *এলবামত হেৰুৱা ছবি* (১৯৯৯), *দিন প্ৰতিদিন, অন্য দ্বীপ অন্য ঢৌ, মাৰ প্ৰতি ঃ মৰম আৰু অশ্ৰদ্ধাৰে, আলহী পখীৰ বাহ, পিতা-পুত্ৰী, শত্ৰু, ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ* (২০০১),*পল্লৱীৰ পৃথিৱী* (২০০২), *সৌগন্ধ* (২০০৬), *অগ্ৰগামিনী* (২০০৯), *অন্যান্য* (২০১০), *এই প্ৰেম এই জীৱন* (২০১৭) আদি বহুকেইখন উপন্যাসেৰে তেওঁ অসমীয়া উপন্যাস-সাহিত্যৰ ভঁৰাল চহকী কৰে। উপন্যাসৰ উপৰি নিজৰ জীৱনৰ কথা ব্যক্ত কৰা তেওঁৰ একমাত্ৰ আত্মজীৱনীখন *বিশ্বাস আৰু সংশয়ৰ মাজেদি*। অসমীয়া উপন্যাস-সাহিত্যক সমৃদ্ধিশালী কৰা নিৰুপমা বৰগোহাঞিও ঔপন্যাসিক হিচাপে বহুকেইটা সন্মানৰ অধিকাৰী হয়। *অন্য জীৱন* উপন্যাসৰ বাবে বাংগালুৰুৰ 'শাশ্বতী' নামৰ মহিলা অনুষ্ঠানৰ উদ্যোগত 'শাশ্বতী বঁটা' (১৯৮৭) আৰু অসম সাহিত্য সভাৰ উদ্যোগত 'বাসন্তী দেৱী বঁটা' (১৯৮৯-১৯৯০) লাভ কৰে। *অভিযাত্ৰী* উপন্যাসখনৰ বাবে বৰগোহাঞিয়ে 'হেম বৰুৱা বঁটা' (১৯৯৪) আৰু 'সাহিত্য অকাডেমী বঁটা' (১৯৯৬) লাভ কৰিবলৈকো সক্ষম হয়। জীৱনজোৰা সাহিত্যকৃতিৰ বাবে বৰগোহাঞিক 'প্ৰবীণা শইকীয়া বঁটা' (২০০০) আৰু 'অসম উপত্যকা সাহিত্য বঁটা' (২০০৩) প্ৰদান কৰা হয়।

আধুনিক নাট্য আন্দোলনৰ গুৰি ধৰোঁতা জ্যোতিপ্ৰসাদ আগৰৱালাৰ উত্তৰসূৰী আৰু পাশ্চাত্যৰ আদৰ্শ তথা ভাৰতীয় মানসিকতাৰ উপযোগী বাস্তৱ সমস্যাক লৈ নাটক ৰচনা কৰা এগৰাকী নাট্যকাৰ অৰুণ শৰ্মা (১৯৩১-২০১৭)। ঔপন্যাসিকতকৈ নাট্যকাৰৰূপে অসমীয়া জনমানসত বিশিষ্ট স্থান অধিকাৰ কৰা সৃষ্টিশীল সাহিত্যিক অৰুণ শৰ্মাই অসমীয়া উপন্যাস-সাহিত্যতো দক্ষতাৰ পৰিচয় দিছে। *উভলা শিপা* (১৯৭৯) অৰুণ শৰ্মাৰ প্ৰথম উপন্যাস। *যযাতি আৰু ৰঞ্জনা, নিৰীহ আশ্ৰয়, বাঘজাল, নেপথ্যৰ চন্দ্ৰনাথ আৰু সংকল্প* ইত্যাদি আলোচনীৰ পাতত প্ৰকাশিত তেওঁৰ অন্যান্য উপন্যাস। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ দ্বাৰা প্ৰচাৰিত অনাতাঁৰ নাট *পৰশুৰাম* (১৯৬৩)ৰ মঞ্চ সফলতাৰ কাৰণে শৰ্মাই নাটকখনক উপন্যাসৰ ৰূপ দিয়ে। 'শ্ৰীময়ী' আলোচনীৰ শাৰদীয় সংখ্যাত (১৯৯৩) প্ৰকাশিত শৰ্মাৰ *নিৰীহ আশ্ৰয়* উপন্যাসখন *যযাতি আৰু ৰঞ্জনা* উপন্যাসৰে সম্প্ৰসাৰিত ৰূপ। গতিশীল জীৱনৰ ব্যাখ্যা আৰু ৰঞ্জনা চৰিত্ৰক সম্প্ৰসাৰণ কৰিবলৈ শৰ্মাই উপন্যাসখনত হাত বুলায়।

সীমিতসংখ্যক উপন্যাস ৰচনাৰে কথাসাহিত্য উপন্যাসত ভুমুকি মৰা অৰুণ শৰ্মাৰ *আশীৰ্বাদৰ ৰং* উপন্যাসখন ভবেন্দ্ৰনাথ শইকীয়া সম্পাদিত 'প্ৰান্তিক'ত (১৯৯৪ চনৰ জানুৱাৰীৰ প্ৰথম সংখ্যাৰ পৰা ১৯৯৫ চনৰ ফেব্ৰুৱাৰীৰ লৈকে) ছোৱা ছোৱাকৈ প্ৰকাশ পায়। ১৯৯৬ চনত গ্ৰন্থাকাৰে প্ৰকাশ পোৱা উপন্যাসখনে ১৯৯৭ চনত 'সাহিত্য অকাডেমী' লাভ কৰিবলৈকো সক্ষম হয়। চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'গৰীয়সী'ত ধাৰাবাহিক ৰূপত প্ৰকাশিত অৰুণ শৰ্মাৰ শেহতীয়া উপন্যাস *সংকল্প* (২০০৮)। আলোচনীৰ পাতত প্ৰকাশ লভা *নেপথ্যৰ চন্দ্ৰনাথ* আৰু *বাঘজাল* শীৰ্ষক উপন্যাস দুখন *অৰুণ শৰ্মাৰ দুখন চুটি উপন্যাস* (২০১৪) শিৰোনামেৰে প্ৰকাশ পায়। নাট্যকাৰৰূপে পৰিচয় দি ভাল পোৱা অৰুণ শৰ্মাই *বাঘজাল, যযাতি আৰু ৰঞ্জনা, পৰশুৰাম, নিৰীহ আশ্ৰয়* উপন্যাসত নিজৰ নামটো কিঞ্চিত সলনি কৰি অৰুণ কুমাৰ শৰ্মা কৰে।[৬৪] 'বনফুল প্ৰকাশন'এ প্ৰকাশ কৰি উলিওৱা অৰুণ শৰ্মাৰ একমাত্ৰ কবিতা পুথিখনৰ নাম *কাব্যানুৰাগ* (২০১১)। তদুপৰি সংবাদিকতা, অনাতাঁৰ নাটক, বিবিধ প্ৰবন্ধ আৰু বহুকেইখন গ্ৰন্থৰ সম্পাদক অৰুণ শৰ্মাই অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰে।

সাংবাদিকতাৰে কৰ্মজীৱনৰ পাতনি মেলা অসমীয়া সাহিত্যৰ আন এগৰাকী কথা-সাহিত্যিক হোমেন বৰগোহাঞি (১৯৩২-২০২১)। বহুকেইখন বাতৰিকাকত আৰু আলোচনীৰ সম্পাদক বৰগোহাঞি একাধাৰে কবি, গল্পকাৰ, ঔপন্যাসিক, সমালোচক, শিশু-সাহিত্যিক, পাশ্চাত্য দৰ্শনশাস্ত্ৰ আৰু বাস্তৱ-আধাৰিত সৃষ্টিশীল গ্ৰন্থৰ ৰচয়িতা। শৈশৱতে সাহিত্যিক হোৱাৰ সপোন দেখা বৰগোহাঞিয়ে বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ দ্বাৰা সম্পাদিত 'ৰামধেনু'তেই প্ৰথম সাহিত্যৰ আখৰা আৰম্ভ কৰে। বৰগোহাঞিৰ চাৰি দশকৰ নীৰৱ সাধনাই তেওঁৰ প্ৰথম আৰু একমাত্ৰ কাব্যগ্ৰন্থ *হৈমন্তী* (১৯৮৭)ৰ জন্ম দিয়ে। 'ৰামধেনু'তেই প্ৰথম গল্প লিখিবলৈ আৰম্ভ কৰা বৰগোহাঞিৰ চুটিগল্পত এক অসাধাৰণ শ্ৰেণী মানুহৰ ৰূঢ় বাস্তৱতাৰ প্ৰতিফলন দেখা যায়। যুক্তি আৰু বিশ্লেষণৰ অকাট্য প্ৰকাশ তেওঁৰ সমালোচনাৰ বৈশিষ্ট্য। শিশু আৰু কিশোৰ-মনৰ বিকাশৰ উদ্দেশ্যে তেওঁ বহুকেইখন শিশু-আলোচনী সম্পাদনা কৰে। আনকি কেইবাখনো শিশুগ্ৰন্থৰ অৱদানো অসমীয়া সাহিত্যলৈ আগবঢ়ায়। পাশ্চাত্যৰ

---

৬৪। ৰঞ্জন ভট্টাচাৰ্য্য, *অৰুণ শৰ্মাৰ নাটৰ সমীক্ষাত্মক বিশ্লেষণ,* পৃ. ২৭

দৰ্শনশাস্ত্ৰৰ আধাৰত লাভ কৰা গভীৰ জ্ঞান আৰু বাস্তৱ অভিজ্ঞতাৰ সংমিশ্ৰণত মৌলিক দৃষ্টিভংগীৰে তেওঁ বহুকেইখন কথাসাহিত্য ৰচনা কৰে। কথাসাহিত্যৰ অন্যান্য দিশতকৈ অসমীয়া সাহিত্যক অধিক সমৃদ্ধিশালী কৰা বৰগোহাঞিৰ সাহিত্যৰ অন্যতম শাখাটো হ'ল উপন্যাস। সূক্ষ্ম দৃষ্টিভংগী, দাৰ্শনিক চিন্তাধাৰা, মনস্তাত্ত্বিক দিশৰ সবল প্ৰকাশ আৰু বাস্তৱ জীৱনৰ সত্যানুসন্ধানেই বৰগোহাঞিৰ উপন্যাসৰ মূল উদ্দেশ্য। তদুপৰি মানৱীয়তা আৰু সামাজিক দায়বদ্ধতাই তেওঁৰ উপন্যাসসমূহক অনন্য ৰূপ দিছে। গল্পকাৰৰূপে আত্মপ্ৰকাশ কৰা বৰগোহাঞিয়ে সত্তৰৰ দশকৰ পৰা উপন্যাস লিখিবলৈ আৰম্ভ কৰে। মুখ্যতঃ ঔপন্যাসিকৰূপে পৰিচিত বৰগোহাঞিৰ উপন্যাসৰ সংখ্যা যথেষ্ট। পাশ্চাত্যৰ গণিকা জীৱন-আধাৰিত *সুবালা* (১৯৬৩) উপন্যাসখন বৰগোহাঞিৰ প্ৰথম উপন্যাস। চৰিত্ৰৰ বৈচিত্ৰ্য আৰু মনস্তাত্ত্বিক দিশত গুৰুত্বাৰোপ কৰা বৰগোহাঞিৰ অন্যান্য উপন্যাসসমূহ হ'ল— *তান্ত্ৰিক* (১৯৬৭), *হালধীয়া চৰায়ে বাওধান খায়* (১৯৭৩), *কুশীলৱ* (১৯৭৫), *পিতা-পুত্ৰ* (১৯৭৫), *তিমিৰতীৰ্থ* (১৯৭৫), *অস্তৰাগ* (১৯৮৬), *মৎস্যগন্ধা* (১৯৮৭), *সাউদৰ পুতেকে নাও মেলি যায়* (১৯৮৭), *নিঃসংগতা* (২০০০), *বিষণ্ণতা* (২০০২) আৰু *এদিনৰ ডায়েৰী* (২০০৩)। হোমেন বৰগোহাঞিৰ বহুকেইখন উপন্যাসত পাশ্চাত্যৰ চিন্তা-চৰ্চাৰ দিশ অসমীয়া সাহিত্যৰ মাজেৰে প্ৰকাশ পাইছে।

'শীলভদ্ৰ' (১৯২৪-২০০৮) ছদ্মনামেৰে অসমীয়া সাহিত্যত পৰিচিত সাম্প্ৰতিক অসমীয়া সাহিত্যৰ আন এগৰাকী অন্যতম সাহিত্যিক ৰেৱতী মোহন দত্ত চৌধুৰী। 'অভিযোগ' গল্পৰে অসমীয়া গল্পসাহিত্যত আত্মপ্ৰকাশ কৰা শীলভদ্ৰই চল্লিশৰ ডেওনা অতিক্ৰম কৰিহে অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত পদাৰ্পণ কৰে। মুঠ ২৫টা গল্পসংকলন আৰু আঠখন উপন্যাসেৰে অসমীয়া সাহিত্যক চহকী কৰা শীলভদ্ৰৰ উপন্যাসকেইখন ক্ৰমে— *মধুপুৰ* (১৯৭১), *তৰংগিনী* (১৯৭১), *আগমনীৰ ঘাট* (১৯৭৩), *আঁহতগুৰি* (১৯৭৩), *অবিচ্ছিন্ন* (১৯৮০), *প্ৰাচীৰ* (১৯৮০), *গধূলি* (১৯৮১) আৰু *অনুসন্ধান* (১৯৮৭)। প্ৰথম অৱস্থাত সাংবাদিকতা আৰু অধ্যাপনাৰে জীৱন আৰম্ভ কৰা শীলভদ্ৰই পৰৱৰ্তী সময়ত গল্পকাৰ আৰু ঔপন্যাসিকৰূপে অসমীয়া সাহিত্যত আত্মপ্ৰকাশ কৰে। তদুপৰি অসমীয়া সাহিত্যত তেওঁৰ বহুকেইটা গল্প আৰু বহুকেইখন উপন্যাস ভাৰতীয় বিভিন্ন ভাষালৈ

অনূদিত হৈছে। ‘স্মৃতিচাৰণ’, ‘মধুপুৰৰ স্মৃতি’, ‘অতীতৰ খণ্ডিত চিত্ৰ’— এইকেইখন আত্মজীৱনীমূলক গ্ৰন্থৰ উপৰি শীলভদ্ৰই ‘ৰিপ্‌ভেন উইংকল’ আৰু ‘মেটামৰফ’চিছ’ নামৰ অনুবাদমূলক গ্ৰন্থ এখনি অসমীয়া সাহিত্যলৈ বৰঙণি হিচাপে আগবঢ়ায়। অসমীয়া সাহিত্যৰ সাধক শীলভদ্ৰই ‘ভাৰতীয় ভাষা পৰিষদৰ বঁটা’ (১৯৯২), ‘সাহিত্য অকাডেমী বঁটা’ (১৯৯৪), ‘অসম প্ৰকাশন পৰিষদ বঁটা’ (১৯৯০), ‘অসম উপত্যকা সাহিত্য বঁটা’ (২০০১) অধিকাৰ কৰিবলৈও সক্ষম হয়।

গতিকে দেখা যায়, অসমীয়া উপন্যাস-সাহিত্যত নিৰুপমা বৰগোহাঞি, অৰুণ শৰ্মা, হোমেন বৰগোহাঞি আৰু শীলভদ্ৰ— প্ৰত্যেকেই একোজন একোজন কৃতী সাহিত্যিক। ঔপন্যাসিক হিচাপে দক্ষতাৰ পৰিচয় দিয়া নিৰ্বাচিত ঔপন্যাসিকসকলৰ ভিতৰত নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ সংখ্যা সৰ্বাধিক আৰু অৰুণ শৰ্মাৰ উপন্যাসৰ সংখ্যা নগণ্য। নাৰী-মনস্তত্ত্বৰ ক্ষেত্ৰত নিৰুপমা বৰগোহাঞিৰ অৱদান যথেষ্ট। বাৰ্ধক্যৰ চিত্ৰ প্ৰতিফলিত উপন্যাসৰ ক্ষেত্ৰত শীলভদ্ৰ অন্যতম। হোমেন বৰগোহাঞিৰ উপন্যাসত পাশ্চাত্য আৰু মানৱ জীৱন-দৰ্শনৰ বহু দিশ পৰিলক্ষিত হৈছে। অৰুণ শৰ্মাই সীমিতসংখ্যক উপন্যাসৰ জৰিয়তে অসমীয়া উপন্যাস-সাহিত্যত নিজৰ স্থিতি বজাই ৰাখিবলৈ সক্ষম হৈছে।

**উপসংহাৰ ঃ**

গৱেষণা-গ্ৰন্থৰ দ্বিতীয় অধ্যায়ৰ শেষত দেখা গ’ল যে মনস্তত্ত্বৰ দৰে বৃদ্ধত্বৰো কিছুমান সুকীয়া বৈশিষ্ট্য আছে। বৃদ্ধ-মনস্তত্ত্ব বিষয়টো এটা সংবেদনশীল, মননশীল আৰু জটিল বিষয় আৰু ইয়াৰ নিৰ্দিষ্ট কেতবোৰ কাৰক প্ৰত্যক্ষ কৰা হৈছে। অসমীয়া উপন্যাস-সাহিত্যত বহুকেইখন মনস্তত্ত্বমূলক উপন্যাস পোৱা গৈছে। অসমীয়া মনস্তত্ত্বমূলক উপন্যাসৰ ক্ষেত্ৰখনত চৈয়দ আব্দুল মালিক, পদ্ম বৰকটকী, ৰোহিণী কাকতি, নিৰোদ চৌধুৰী, কুমাৰ কিশোৰ, হোমেন বৰগোহাঞি, নিৰুপমা বৰগোহাঞি, শীলভদ্ৰ আৰু মামণি ৰয়ছম গোস্বামীয়ে এক বিশেষ স্থান দখল কৰি আছে। অসমীয়া মনস্তত্ত্বমূলক উপন্যাসৰ অন্তৰ্গত আন এক শ্ৰেণী উপন্যাসত বাৰ্ধক্য-জীৱনৰ কাহিনীসম্বলিত বৃদ্ধসকলৰ চৰিত্ৰত ফুটি উঠা মনৰ নতুন নতুন জটিলতা প্ৰত্যক্ষ কৰা হৈছে। বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস হিচাপে অভিহিত কৰা এই শ্ৰেণী উপন্যাসত কেইবাগৰাকী প্ৰতিষ্ঠিত অসমীয়া ঔপন্যাসিকৰ

অৱদান দৃষ্টিগোচৰ হৈছে। বৃদ্ধসকলৰ মনস্তাত্ত্বিক বৈশিষ্ট্য প্ৰতিফলিত অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসসমূহে অসমীয়া উপন্যাস-সাহিত্যত এক বিশিষ্ট স্থান দখল কৰিছে।

■■■■